সাহোন

২০১১

বৃহত্তৰ ৰুক্মিণী নগৰ অষ্টবিংশতিতম্ ৰঙালী বিহু সন্মিলন

সম্পাদক
পলাশ বৰুৱা

১ম শাৰী—বাওঁফালৰ পৰা (বহি)ঃ সৰ্বশ্ৰী ৰাজীৱ হাজৰিকা, (সভাপতি, স্মৰণিকা), চিদানন্দ শইকীয়া (উপদেষ্টা), চক্ৰধৰ মটক (হিচাব পৰীক্ষক) প্ৰদীপ কুমাৰ গগৈ (মুখ্য উপদেষ্টা), পৰেশ নেওগ(মুখ্য উপদেষ্টা),সুনীল বৰা (মুখ্য উপদেষ্টা), ফুলেশ্চ গগৈ (মুখ্য উপদেষ্টা), ধৰ্মেশ্বৰ সোনোৱাল (সভাপতি, সাংস্কৃতিক বিভাগ), বৃহস্পতি ডেকা (উপ-সভাপতি), মঞ্জুলা কাকতী (উপ-সভানেত্ৰী) পাৰুল বৰুৱা (উপ-সভাপতি, সাংস্কৃতিক বিভাগ), সত্যজিৎ বৰা (সাধাৰণ সম্পাদক)

২য় শাৰী—বাওঁফালৰ পৰা (ঠিয় হৈ)ঃ সৰ্বশ্ৰী অনিল দাস (উপ-সভাপতি, মঞ্চ), ৰাঘৱেন্দ্ৰ দাস (সভাপতি, প্ৰচাৰ), ৰাণা ৰাভা (কাৰ্যালয় সম্পাদক), মহেন্দ্ৰ শৰ্মা (সহঃ সম্পাদক, বিত্ত) কনক বনিয়া (সদস্য), ৰাজেন দাস (সম্পাদক, মঞ্চ), মুকুল বুঢ়াগোঁহাই (সভাপতি, মঞ্চ), প্ৰতিমা বৰা (সম্পাদিকা, স্বাস্থ্য), ৰীতা ডেকা (সহঃ সম্পাদিকা, অভ্যৰ্থনা), নীলিমা ডেকা (সদস্যা, অভ্যৰ্থনা), সুৱৰ্ণ হাজৰিকা (সদস্যা, স্মৰণিকা), ৰাণু গগৈ, (সঃ সম্পাদিকা, অভ্যৰ্থনা)

৩য় শাৰী—বাওঁফালৰ পৰা (ঠিয় হৈ)ঃ সৰ্বশ্ৰী বিধান সিংহ (সদস্য, স্বাস্থ্য), পলাশ বৰুৱা, (সম্পাদক, স্মৰণিকা), গৌতম ওজা, (কোষাধ্যক্ষ), সিদ্ধান্ত বৰদলৈ (সহঃ সম্পাদক সাংস্কৃতিক বিভাগ), জীতেন বড়ো (সম্পাদক, ক্ৰীড়া বিভাগ), কুলেশ ডাউকা (সহঃ সম্পাদক, প্ৰচাৰ), সিদ্ধাৰ্থ বৰদলৈ (সদস্য বিত্ত), সোহান মাহাট' (সদস্য) চন্দন নাথ (সহঃ সম্পাদক, ক্ৰীড়া) জ্যোতিৰ্ময় পাঠক (সদস্য, ক্ৰীড়া), মৃদুল তালুকদাৰ (সদস্য), দ্বীপ মুখাৰ্জী (সদস্য), পঙ্কজ যোশী (সদস্য)

সাহোন

বৃহত্তৰ ৰুক্মিণী নগৰ অষ্টবিংশতিতম্ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা

১ আৰু ২ ব'হাগ, ১৪১৮ ভাস্কৰাব্দ

শুক্ৰবাৰ আৰু শণিবাৰ

১৫ আৰু ১৬ এপ্ৰিল, ২০১১ চন

Parag Jyoti Gogoi
Rukmini Nagar, Wirless
Dispur, Ghy-6

BRIHATTAR RUKMINI NAGAR SOCIO-CULTURAL CENTRE
RS/KAM/240/I/17 OF 2004-2005

ৰঙালী বিহুৰ প্ৰীতি শুভেচ্ছাৰে ...

প্ৰতি,

মাননীয়/মাননীয়া .... লৈ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা 'সাহোন' ধন্যবাদেৰে প্ৰদান কৰিলোঁ।

শুভেচ্ছাৰে.......

ৰাজীৱ হাজৰিকা
সভাপতি

পলাশ বৰুৱা
সম্পাদক

স্মৰণিকা সম্পাদনা সমিতি

অষ্টবিংশতিতম্

বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা

ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উল্লাহ অধীৰ ছন্দে কৌটি কৌটি কণ্ঠে
গায় সৱে মিলনৰ গান।
সবগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ লই আৱাহন।

ৰচনা ঃ সুৰশিল্পী পুৰুষোত্তম দাস (১৯৫২)

সম্পাদনা সমিতি

মুখ্য উপদেষ্টা	ঃ	সৰ্বশ্ৰী সুনীল বৰা, পৰেশ নেওগ, প্ৰদীপ কুমাৰ গগৈ, ফুলেশ্চ্ গগৈ
সভাপতি	ঃ	শ্ৰীযুত ৰাজীৱ হাজৰিকা
সম্পাদক	ঃ	শ্ৰীপলাশ বৰুৱা
সহকাৰী সম্পাদক	ঃ	শ্ৰীযুত মোহন টেৰণ
সদস্যবৃন্দ	ঃ	সৰ্বশ্ৰী ৰাতুল দাস, সুৰেশ বৈশ্য, মানসী দাস, সুৱৰ্ণ হাজৰিকা।
প্ৰকাশক	ঃ	বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ৰঙ্গ মঞ্চ, হাউচিং কলনি, গুৱাহাটী
বেটুপাত	ঃ	নৱ
মুদ্ৰণ	ঃ	পেচিফিক্ লেজাৰ প্ৰিণ্টচ্, গণেশগুৰি, কাহিলীপাৰা পথ, গুৱাহাটী-৬

শ্ৰদ্ধাঞ্জলি

ঁআনন্দ মোহন ভাগৱতী



ঁমুহীচন্দ্ৰ বৰগোঁহাই



ঁঅভিনন্দন হাজৰিকা

ঁভূপেন শইকীয়া

ঁসাবিত্ৰী কলিতা, ঁপ্ৰদীপ সেন
ঁমেঘৰাম গাৰো, ঁবিষ্ণু থাপা
ঁফাৰহান ৰহমান,
ঁকনক গাৰোলৈ

বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনীৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলো।

ৰংবং তেৰাং
সভাপতি

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▸ ☏ (০৩৭৬)২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী - ৭৮১০০১ ▸ ☏ (০৩৬১)২৫১৫৮৩০
ফেক্স- ▸ ☏ (০৩৬১)২৭৩১৬৯৫
ডিফু কাৰ্যালয় ঃ বাৰেছিলা ভৱন, ডিফু - ৭৮২৪৬০ ▸ ☏ (০৩৬৭১)২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▸ ☏ (০৩৬৬২)২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সংস্কৃতি ভৱন, ডিব্ৰুগড়- ৭৮৬০০৩
▸ ☏ (০৩৭৩)২৩১৫১২৮

শুভেচ্ছাবাণী

'বহাগ মাথোন এটি ঋতুৱে নহয়, অসমীয়াৰো ই আয়ুস ৰেখা' *— এই অনুভৱক বুকুত বান্ধি লুইতৰ দুয়ো পাৰৰ মানুহখিনিয়ে সাজি-কাচি নতুন চিন্তা আৰু উদ্যমেৰে ৰঙালী বিহুক আদৰিবলৈ ওলাই আহিছে। অসমীয়া সংস্কৃতিৰ অন্যতম এই ৰঙালী বিহুটিক উলহ-মালহেৰে উদ্‌যাপন কৰি অসমীয়া জাতিসত্বাক ন-ৰূপত গঢ় দিয়াৰ মানসেৰে গুৱাহাটীৰ বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে উদ্যোগ লৈছে। তেওঁলোকলৈ মই পাহাৰৰ দেশৰ পৰা হিয়াভৰা শুভেচ্ছা জনালোঁ। ঢোল, পেঁপা, তকা, গগনাৰ সুমধুৰ ঝংকাৰত পুনৰ সাৰ পাই উঠিব অসমৰ শুৱনি গাঁৱখনি, নগৰ-চহৰ। সম্প্ৰীতিৰ এনাজৰী স্বৰূপ এই বিহু উৎসৱৰে সৈতে সংগতি ৰাখি 'সাহোন' নামেৰে এখনি স্মৰণিকা প্ৰকাশৰো মন মেলোকৈ হাত সাৰটি বহি থাকিব পৰা নাই উদ্যোক্তাসকল। আমাৰ বাবে এইয়া আশাৰ বতৰা। আমাৰ সাহিত্য-সংস্কৃতি অসমভূমিৰ নিৰ্ভাঁজ সংস্কৃতিৰ উৰ্বৰাৰে জীপাল হৈ ন-ৰূপত সাজি-কাচি ওলাই আহক, এই আশাৰে 'সাহোন'লৈ আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি নতুন বছৰৰ ওলগ জনালোঁ।*

(ৰংবং তেৰাং)
সভাপতি

ব্যক্তিগত ঠিকনা ঃ হিলছ্ ভিউ কটেজ, থানা ৰোড, ডিফু- ৭৮২৪৬০
দূৰভাষ - ০৩৬৭১-২৭৩২৯৩, ৯৪৩৫৪-১৮৪৪৪

ওলগনি

দীপক কোঁৱৰ
সভাপতি
বৃহত্তৰ ৰুক্মিণী নগৰ
ৰঙালী বিহু উদ্‌যাপন সমিতি, ২০১১

আমাৰ এই আঞ্চলিক ৰঙালী বিহু সন্মিলনীখনিয়ে ৰাইজৰ সহায়-সহযোগিতাত বছৰৰ পিছত বছৰ নানা ঘাত -প্ৰতিঘাত পাৰ হৈ, দৰ্শক মণ্ডলীক খন্তেকৰ বাবে হ'লেও দুখ-শোক পাহৰাই আনন্দ প্ৰদান কৰি আজি 'অষ্টবিংশতিতম' বৰ্ষত ভৰি দিলেহি। আমি এই কাল ছোৱাতেই আমাৰ বিহুৰ লগত.... ওতঃপ্ৰোতভাৱে জড়িত কেইবাজনো ব্যক্তিক হেৰুৱালো— আজি আকৌ তেওঁলোকক সুঁৱৰি তেওঁলোকৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰিলো। মানুহ আহিছে আৰু গৈছে। কিন্তু আমাৰ বিহু সন্মিলনখনিয়ে, মোৰ দৃঢ় বিশ্বাস, আমাৰ সংস্কৃতি, আমাৰ ঐতিহ্য, আমাৰ পৰম্পৰা, ৰাইজৰ অৰিহনা আৰু সহযোগিতা বহন কৰি চিৰকাল জীয়াই থাকিব আৰু তাৰে প্ৰতিবিম্ব প্ৰতিফলিত হৈ থাকিব আমাৰ 'সাহোন'ৰ দাপোনত।

শেষত সকলো ৰাইজক মই ব্যক্তিগতভাৱে আৰু বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ তৰফৰ পৰা মোৰ আন্তৰিক শুভেচ্ছা আৰু ৰঙালী বিহুৰ ওলগ জ্ঞাপন কৰিলো। ☯

দীপক কোঁৱৰ

(দীপক কোঁৱৰ)

সুজলা-সুফলা শস্য শ্যামলা অসমী আইক
প্ৰকৃতিৰ ন পৰশে ধুই নিকা কৰাৰ দৰে,
ৰঙালী বিহুৰ এই আনন্দোৎসৱে
সমূহ অসমবাসী ৰাইজ-খাটিখোৱা নিচলা,
সেউজীয়া সপোনৰ স্ৰষ্টা কৃষক,
চহৰ-নগৰৰ ব্যস্ত চহা,
আশ্ৰয়বিহীন বাটৰ দাঁতিৰ ভিক্ষাৰী মগনীয়া।
—সকলোলৈকে কঢ়িয়াই আনক
সুখ, শান্তি আৰু সমৃদ্ধিৰ বতৰা।
ইয়াকেই কামনা কৰি
বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনীৰ স্মৰণিকা
'সাহোন'লৈ
বৰঙণী আগবঢ়োৱা সমূহ লেখক-লেখিকা,
বিজ্ঞাপন দাতা, শুভাকাংখী তথা অসমবাসী ৰাইজলৈ
স্মৰণিকা সম্পাদনা সমিতিৰ তৰফৰ পৰা
ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষৰ ওলগ তথা শুভেচ্ছা
আন্তৰিকতাৰে জ্ঞাপন কৰিলো।

সম্পাদনা সমিতিৰ হৈ
ৰাজীৱ হাজৰিকা
সভাপতি, 'সাহোন'

সাহোনৰ প্ৰতিটো ভাজত......

● সম্পাদকীয় /১১-১২

প্ৰবন্ধৰ শৰাই

● স্বকীয় বৈশিষ্টৰে জনগোষ্ঠীয় বিহু সংস্কৃতি

✍ ড° ধৰ্মেশ্বৰ সোনোৱাল/১৩-১৬

● বিহুৰ বতৰত—মনৰ কথা

✍ ড° মামনি বৰুৱা /১৭-১৮

● বিহুনামত জাতি-জনজাতিৰ......

✍ বসন্ত কুঞ্জল গগৈ /১৯-২০

● বিহু— ইয়াৰ বৈশিষ্ট্য

✍ পদ্ম গগৈ /২১-২৪

● ব'হাগৰ খবৰ

✍ নুপুৰ বৰপাত্ৰ গোঁহাই /২৫-২৬

● ঢোলত চাপৰ মাৰি

✍ লিলি বৰুৱা পাটোৱাৰী/২৭-২৮

● জাতীয় উৎসৱ বিহু আৰু কিছু চিন্তা

✍ পাৰুল বৰুৱা /২৯-৩১

● বিহু আৰু পৰিবেশ সংৰক্ষণ

✍ ভাৰতী ভট্টাচাৰ্য /৩২-৩৩

● ভাৰতৰ অৰ্থনৈতিক উন্নয়নত......

✍ ৰুনুমী মহন্ত বৰা /৩৪-৩৬

কবিতাৰ কুঁকি

● জ্যোতিস্নাতা

✍ কাকলি বৰদলৈ পাঠক /৩৭

● ৰঙালিৰ পান

✍ মঞ্জুলা কাকতি /৩৭

● ব'হাগ

✍ পাৰুল বৰুৱা /৩৮

● যন্ত্ৰণা

✍ ৰাজীৱ হাজৰিকা /৩৮

◉ বিষাদ

✍ পলাশ বৰুৱা /৩৯

◉ ছবি

✍ বনজিৎ দাস /৩৯

◉ ব'হাগ তোমাক নিমন্ত্রণ

✍ বিজয়া বৰা /৪০

◉ বেদনা

✍ মনিষা বনিক্য /৪০

◉ উতলা হিয়া

✍ মামনি দাস /৪১

◉ স্তব্ধ

✍ দ্বীজেন গগৈ /৪১

◉ তোমাৰ মৰমিয়াল হাঁহি

✍ নয়ন /৪১

◉ মানৱ সেৱা

✍ কামেশ্বৰ হাজৰিকা /৪২

◉ ব'হাগ এক আকুলতা

✍ হিৰণ্য কুমাৰ ভট্টাচাৰ্য /৪২

গল্প

◉ বন্ধন

✍ চন্দ্ৰধৰ কলিতা /৪৩-৪৬

◉ শুভলক্ষণ

✍ সত্যজিৎ বৰা /৪৭

◉ খিৰিকি

✍ দিনবন্ধু বৈশ্য /৪৮

◉ প্ৰত্যাশা

✍ ডিম্বেশ্বৰ শৰ্মা /৪৯-৫০

সম্পাদকীয়

ঋতু আহে, ঋতু যায়। সময়ে বাগৰ সলায়। চাওঁতে চাওঁতে পুনৰ আহি পালে ব'হাগ। আলফুল কুঁহিপাতৰ চাঁদৰ গুঁঠি, তাতে কপৌ তগৰৰ বৰণীয়া ফুল বাছি নতুন সতেজ সাজেৰে জাতিষ্কাৰ হৈ উঠিল প্ৰকৃতি। যুগ-যুগমীয়া অমৰ এটি প্ৰেমৰ সাক্ষী ৰ'ব প্ৰকৃতি আই পুনৰ। আজলী, ৰাংঢালী ধৰাক আহি সাৰটি ল'লে চিৰ যাযাবৰ চিৰ যৌৱনময় তাইৰ চিৰ প্ৰেমিক ঋতুৰাজ বসন্তই। এতিয়া চৌদিশে মাথো উল্লাস, আনন্দ উন্মাদনা। সৌ-সিদিনা সকলো উকা কৰি উৰি গুচি যোৱা কুলি চৰাইজনী পুনৰ আহি গীত জুৰিলে একেজুপি আমতে বহি। প্ৰথম বৰষুণ জাকিৰ পৰশ পাই বতাহে বতাহে মাথো উটি ভাঁহি ফুৰিছে কেঁচা মাটিৰ সুবাস। গীত, কবিতা, আৱাহন আৰু প্ৰেম সৰু সৰু কণিকাৰে গঢ় লোৱা মানৱ জীৱন, ৰঙালীৰ ৰঙৰ বানত উটিছে ভাঁহিছে পলে পলে মন, বৰ লুইতৰ দুয়োটি পাৰতেই মাথো ৰঙৰ প্লাৱন।

সঁচাকৈয়ে...। শব্দৰ বান্ধোনত ব'হাগীৰ অপৰূপ সৌন্দৰ্য বান্ধি ৰাখিব নোৱাৰি। সেয়ে ভিন্ ভিন্ মনৰ স্বতঃস্ফুৰ্ত নানান সংজ্ঞা ব'হাগীৰ। 'অসম ৰত্ন' ভূপেন হাজৰিকা দেৱৰ গীতেৰে 'অসমীয়া জাতিৰ ই আয়ুস ৰেখা, গণ জীৱনৰ ই সাহ....'। চাৰিকুৰি বসন্ত পাৰ কৰা ককা আইতাৰ ই শৈশৱ সোঁৱৰণ। কাৰোবাৰ বাবে ব'হাগ আকৌ সময় চিকুন চেনেহৰ প্ৰেমাস্পদৰ স'তে বহুদিনৰ বিৰতিত দেখা হোৱাৰ। প্ৰেয়সী অহাৰ বাতৰি পাই উলাহ অধীৰ প্ৰেমিকে সেয়ে গীত জুৰিছে—

'তুমি অহাৰ বাটত ফুলে
ব'হাগৰে ফুল,
অচিন পখীৰ মাতত
হৃদয় আকুল....'

আকাশে-বতাহে এতিয়া ধ্বনিত মাথো বিহুনামৰ ৰোল। ঢোল, পেঁপা, গগণাৰ যুগল বন্দীত কি ডেকা, কি গাভৰু, কঁকাল পৰা ককা-আইতাৰো মন মতলীয়া।

বিহু মূলতঃ তই কৃষিভিত্তিক উৎসৱ। বছৰটোৰ নিৰ্দিষ্ট তিনি সময়ত তিনিটি বিহু পালন কৰা হয় যদিও ইয়াৰ মাজত ব'হাগ বিহুটিকে সমগ্ৰ অসমীয়া জাতিটোৰ মূল উৎসৱ হিচাবে গণ্য কৰা হয়। অতীজৰে পৰা এইখন অসমভূমিত ভিন ভিন সময়ত আহি নিগাজীকৈ বসবাস কৰা নানান জাতি, উপজাতি, জনগোষ্ঠীসমূহে নিজ নিজ আওপুৰণি নীতি নিয়ম অনুসাৰে অসমীয়া বৃহত্তৰ জাতিটোৰ নতুন বছৰটোক আদৰণি জনাই আহিছে। সময়ৰ এই সুদীৰ্ঘ পৰিক্ৰমাত বিহুটিৰ ৰেহ-ৰূপ বহু সলনিও হৈছে। শুৱনি গাঁওখনিৰ উৰ্বৰা মাটিত উপজি, ৰংঘৰৰ দুৱাৰদলি নেওচি আহি ব'হাগ বিহু আজি চহৰ-নগৰৰ মঞ্চ বিহুৰ ৰূপ লৈছেহি। বিহুটিৰ এই সুদুৰ প্ৰসাৰী প্ৰভাৱ কেৱল অসমতে আৱদ্ধ থকা নাই। ভাৰতবৰ্ষৰ নানান চহৰত তথা বিদেশতো অসমীয়াই মঞ্চ পাতি বিহু উদ্‌যাপন কৰিছে। সংস্কৃতিৰ পৰিবৰ্তন চিৰশক্তিমান। সংস্কৃতি বোৱতী নৈ। ই চিৰ বহ্নিমান। ইয়াক কোনেও বাধা দিব নোৱাৰে। পৰিবৰ্তনেই প্ৰকৃতিৰ নিয়ম। অৱশ্যে এই পৰিবৰ্তন দুষ্কৃতিৰ কবলৰ পৰা বচাই সঠিক দিশত আগবঢ়াই নিয়াত আমাৰ প্ৰত্যেক অসমীয়াৰে জন্মসূত্ৰে পোৱা গুৰু দায়িত্ব নিশ্চয় আছে। বিহুনামৰ জন্ম ক্ষেত্ৰ হৈছে কৃষি ক্ষেত্ৰ। তাহানিৰ এই কৃষি ক্ষেত্ৰৰ খাটি-খোৱা এজন নিৰক্ষৰ অসমীয়াৰ কণ্ঠৰ পৰাই স্বতঃস্ফুৰ্ত্তভাৱে নিগৰি ওলাইছিল সুললিত বিহুনাম যিবোৰ বিহুনামত ফুটি ওলাইছিল সেইসময়ৰ অসমীয়া সমাজখনৰ এক নিভাজ সুন্দৰ ছবি। সেই পৰিবেশ এতিয়া সলনি হৈছে, সলনি হৈছে বিহুনামৰ ৰেহ-ৰূপ। সময়ৰ গতিত বিহুনামসমূহে বিহুগীতৰ পোছাক পৰিধান কৰিছে। কিন্তু আমি সচেতন হ'ব লাগিব, সংস্কৃতিৰ এই চিৰপ্ৰৱাহী যাত্ৰাত সংস্কৃতিৰ ৰূপ যাতে ম্লান নহয়, মৰ্যাদাৰ যাতে লাঘৱ নহয়। সংস্কৃতিৰ সংৰক্ষণত বিহুটিয়েই হওক আমাৰ প্ৰধান আহিলা। বৰলুইতৰ দৰেই বিহুটিও চিৰন্তন অসমীয়াৰ ধমনীত প্ৰৱাহিত হৈ থাকক স্বকীয় মৰ্যাদা, স্বকীয় বৈশিষ্টৰে।

সময়ৰ এই অবিৰাম গতিত আমাৰ আটাইৰে আপোন 'বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনী' খনিয়েও চাওতে চাওতে আঠাইশটা বসন্ত গৰকিলে। ১৯৮৪ চনত পাতনি মেলা এই সন্মিলনীখনৰ উদ্‌যাপন সমিতিৰ আশাসুধীয়া চেষ্টা তথা বৃহত্তৰ ৰুক্মিণী নগৰ-ৰুক্মিণী গাঁৱৰ ৰাইজৰ সহায়-সহযোগ ও আশীৰ্বাদত এই বাটকুৰি বাবলৈ সক্ষম হৈছে।

১৯৮৪ চনতেই আত্মপ্ৰকাশ কৰা 'সাহোন' ধাৰাবাহিকতা মাজে মাজে ভঙ্গ হ'লেও আমাৰ বাবে অতি গৌৰৱৰ কথা যে ২০০৭ চনত 'প্ৰগতি সাহিত্য গোষ্ঠী'য়ে বিহু স্মৃতিগ্ৰন্থৰ ওপৰত সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ, ২০০৮ চনত নিচুকনি পুৰস্কাৰ আৰু ২০০৯ চনত দ্বিতীয় পুৰস্কাৰ পাবলৈ সক্ষম হয়।

ৰাইজৰ আশীৰ্বাদ সাৰোগত কৰি বিগত কেইবছৰৰ দৰে এইবাৰো বিহু সন্মিলনখনিৰ দাপোন স্বৰূপ বিহু স্মৰণিকা 'সাহোন' প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছো। 'সাহোন' খনি প্ৰকাশৰ বাবে বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায় ও সাহস প্ৰদান কৰাৰ বাবে বিহুৰ সাধাৰণ সম্পাদক আৰু সভাপতি প্ৰমুখ্যে স্মৰণিকা বিভাগৰ সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। 'সাহোন'ক শুভেচ্ছাবাণীৰে ধন্য কৰি আমাক উৎসাহিত কৰাৰ বাবে সেইসকল পৰম শ্ৰদ্ধেয় ব্যক্তিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। স্মৰণিকাখনি সফলভাৱে প্ৰকাশ কৰি উলিওৱাত যিসকল ব্যক্তি তথা ব্যক্তিগত বাণিজ্যিক প্ৰতিষ্ঠানসমূহে উদাৰতাৰে আৰ্থিক বৰঙণি আগবঢ়ালে সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জনালো।

নিচেই কম সময়ত স্মৰণিকা 'সাহোন'খনি বাস্তৱিক ৰূপত প্ৰকাশ কৰি উলিওৱাৰ বাবে প্ৰকাশন গোষ্ঠী 'পেচিফিক্ লেজাৰ প্ৰিণ্টচ্'লৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলো।

সীমিত সময়ৰ ভিতৰত প্ৰকাশ কৰি উলিওৱাৰ বাবে স্মৰণিকাখনিত অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ৰাইজৰ ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰলো। শেষত সমূহ ৰাইজলৈ ৰঙালী বিহুৰ আন্তৰিক ওলগ জনালো। ◉

নৱবৰ্ষৰ শুভকামনাৰে

পলাশ বৰুৱা

(পলাশ বৰুৱা)



প্ৰবন্ধ

স্বকীয় বৈশিষ্টৰে জনগোষ্ঠীয় বিহু সংস্কৃতি

✍ ড° ধৰ্মেশ্বৰ সোনোৱাল

বিহু উদ্‌যাপনত অসমৰ প্ৰতিটো জনগোষ্ঠীৰে এক স্বকীয় বৈশিষ্ট্য আমি দেখিবলৈ পাও। পৃথিৱীৰ বিভিন্ন জাতি জনজাতিৰ লোক-সংস্কৃতিৰ পথাৰখনলৈ লক্ষ্য কৰিলে আমি দেখা পাও যে তেওঁলোকৰ কৃষিভিত্তিকলোক উৎসৱসমূহত আদিম যুগৰে পৰা থলুৱা দেৱ-দেৱীৰ নামত পূজা-অৰ্চনা আৰু নৃত্য-গীত পৰিবেশন কৰাত প্ৰচলিত ৰীতি আছিল। সেয়েহে তেওঁলোকে কৃষি কৰ্ম আৰম্ভ কৰাৰ আগতে যুগ যুগ ধৰি চলি অহা ৰীতিকে বৰ্তমানেও চিৰা-চৰিত পৰম্পৰাৰে সম্পাদিত কৰে।

গতিকে আমি দেখা পাও যে সামগ্ৰিকভাৱে অসমৰ লোকসমাজত প্ৰচলিত বিহুৰ ৰীতিত গীত মাতসমূহত সহজ-সৰল গ্ৰাম্য সমাজখনৰ চিত্ৰ অবিকলভাৱেই প্ৰতিফলিত হৈ আহিছে। বিহুগীতবোৰত তেওঁলোকৰ ধৰ্ম, কৰ্ম, চিন্তা আৰু বুদ্ধি, আৱেগ অনুভূতিবোৰ প্ৰতিফলিত হোৱা আমি দেখা পাও। সেয়ে অসমত আহোমসকলৰো মাজত প্ৰচলিত কিছুমান স্বকীয় ভাষাৰ শব্দৰ সৈতে বিহু উৎসৱবোৰৰ অতি নিকট সমন্ধ আছে। যেনে-বড়োসকলৰ 'বৈছাগু' ডিমাচাৰ 'বুচু' দেউৰীসকলৰ 'বিচু' কাৰ্বিসকলৰ 'চজুন' মিছিংসকলৰ 'পৰাগ' আৰু 'আলিয়াই লিগাং' তিৱাসকলৰ 'পিচু বা চপ্ৰামিচাবা' সোনোৱালৰ 'বিহু' ৰাভাসকলৰ 'বায়খো' আৰু হাজংসকলে 'বিযুৱা বা সঙৰাণী' বুলি ব'হাগ বিহু উদ্‌যাপন কৰে।

সেয়ে ব'হাগ বিহু পালনৰ ক্ষেত্ৰত বড়োসকলৰ মাজত আমি তেওঁলোকৰ স্বকীয় বৈশিষ্টৰে 'বৈছাগু' পালন কৰা দেখা পাও। কৃষিজীৱী গাঁৱলীয়া আৰু প্ৰকৃতিৰ মাজত নিৰিবিলিভাৱে বসবাস কৰা সহজ-সৰল বড়োৰ বসন্ত উৎসৱ 'বৈছাগু'। তেওঁলোকে গৰুবিহুৰ দিনটোক 'মাঁসৌসান' নামেৰে অভিহিত কৰে আৰু গোহালিৰ গৰু-ম'হ জান-জুৰিলৈ নি উৰুকাৰ দিনা গৰু গাধোৱাৰ পিছত দীঘলতী মাখিয়তী লতাৰে কোবাই লাওঁ, বেঙেনা, থেকেৰা, হালধি আদিৰে গৰুবোৰৰ গালৈ দলিয়াই বছৰটোৰ বাবে মঙ্গল কামনা কৰে।

গৰু বিহুৰ পিছতে মানুহ বিহু আৰম্ভ হয়। সেইদিনা পুৱাতে সকলোৱে গা-ধুই সৰুৱে ডাঙৰক ভক্তি জনাই নতুন সাজ-পাৰ পিন্ধে, সন্ধ্যালৈ বিহুৰ আনন্দত স্বকীয় গীত মাতেৰে বিহু নৃত্য ঘৰে ঘৰে আৰম্ভ কৰে ঘৰুৱা মদৰ (জুমাই) ব্যৱহাৰ আৰু মাছ-মঙহেৰে বিহুৱা ৰাইজক আপ্যায়িত কৰে।

বিহু উৎসৱৰ উপৰি বড়োসকলে অন্যান্য পৰম্পৰাগত উৎসৱবোৰত সুন্দৰ গীত-মাত, নৃত্য আদি স্বকীয় বৈশিষ্টৰে ৰক্ষা কৰি আহিছে। চিফুং, গগনা, চেৰেঙা, খাম আদি আদিম বাদ্য-যন্ত্ৰ তেওঁলোকৰ মাজত আজিও প্ৰচলিত। তেওঁলোকৰ বাগৰুম্বা, খেৰাই আৰু গাৰজা আদি নৃত্যই সৰ্বভাৰতীয় সংগীত-নাটক একাডেমী, ললিত কলা একাডেমীৰ স্বীকৃতি পাবলৈ সক্ষম হৈছে। বড়োসকলৰ বাদ্যযন্ত্ৰ নৃত্য গীতৰ সুদুৰ প্ৰবাসী স্থিতি পৃথিৱীৰ অন্যমূলুকত পোৱাটো বিৰল। অসমৰ অন্যান্য জনগোষ্ঠীসমূহৰ দৰে ডিমাছাসকলে 'বিছু' উদ্‌যাপনৰ ক্ষেত্ৰত এক সুকীয়া বৈশিষ্ট আছে। তেওঁলোকে নদ্ৰাংৰ সন্মুখত প্ৰথমে ব'হাগ বিহু পাতে। বিহুৰ উৰুকাৰ দিনা নিজা পৰম্পৰাৰে পূজা-পাতল কৰাৰ পাছত মানুহ বিহুৰ দিনা খ্ৰামবোল আৰু মুৰীৰে ধ্বনিত বিহু নাচে। ডিমাছাসকলৰ মুখ্য তিনিটি নৃত্য আৰু বাদ্য দেখিবলৈ পোৱা যায়। সেয়া হৈছে মুৰী, ওৱাথিচা আৰু চুপহীন। তেওঁলোকৰ ব'হাগ বিহুৰ বাদে 'ৰাজিনী গাৰবা' আৰু 'হাৰণী গৰবা' উৎসৱ প্ৰধান। অন্য জনগোষ্ঠীৰ দৰে তেওঁলোকে বৰ্ষাকালৰ খেতি সামৰাৰ পাছতেই ব'হাগ বিহুক তিনি আৰু পাঁচদিনীয়া কাৰ্যসূচীৰে দুটা ভাগত ভাগ কৰি বিহু উদ্‌যাপন কৰে আৰু তাক তেওঁলোকে 'চুৰেম' বোলে আৰু যদিহে সাতদিনীয়াকৈ পাতে তেন্তে তাক 'হামচেমানাওবা' বুলি কয়। তেওঁলোকৰ এটি প্ৰধান বৈশিষ্ট হ'ল বছৰৰ বিহু প্ৰথমতে এগৰাকী তিৰোতাৰ ঘৰতহে আৰম্ভ কৰে আৰু কোনগৰাকী তিৰোতাৰ ঘৰত প্ৰথমে অনুষ্ঠিত কৰিব তাক একমাহৰ পূৰ্বেই

থিৰাং কৰি ৰাখে আৰু সেই তিৰোতাগৰাকীক তেওঁলোকে 'গাজাইবাও' বুলি কয়। ডিমাছাসকলে প্ৰথম দিনাৰ বিহুক 'চাটাইৰা' দ্বিতীয় দিনাৰ বিহুক 'বিচুমা' আৰু শেষৰ দিনাৰ বিহুক 'গাববা' বুলি অভিহিত কৰে।

দেউৰীসকলে ব'হাগ বিহুক 'বিচু' বুলি কয়। এই বিচু দেউৰীসকলে ব'হাগ মাহৰ প্ৰথম বুধবাৰ আৰু বৃহস্পতিবাৰে আৰম্ভ কৰে। বুধবাৰ দিনটি দেউৰীসকলৰ কাৰণে অতি পবিত্ৰ দিন আৰু তেওঁলোকৰ মতে বিশ্বসৃষ্টিৰ প্ৰথম দিনটি আছিল বুধবাৰ আৰু সেই বিশ্বাসেৰে তেওঁলোকে 'দেওশাল' বা মন্দিৰত বুধবাৰে পূজা দিয়ে আৰু বিহু পালন কৰে। এই বিচু দেওশালৰ দেওধানীৰ অনুমতিৰ সাপেক্ষেহে গাঁৱত হুঁচৰি গায়। দেউৰীসকলে প্ৰত্যেক বছৰত হুঁচৰি নাগায় গাঁৱৰ অভাৱ অনাটন মাৰি-মৰক আদি দিশবোৰ চাইহে বিহু পালন কৰে আৰু ই অতি উল্লেখনীয় পৰম্পৰা। তেওঁলোকে বৰদেউৰী, সৰু দেউৰী, বৰভৰালী, বৰা, বাৰিক আদি ভাগত ভাগ হৈ বিহু হুঁচৰি মাৰে। বিচুৰ অন্যতম আকৰ্ষণীয় অনুষ্ঠানবোৰৰ ভিতৰত দুজা চজুবা, দুচুজুবা আৰু মচি চুজুবাই প্ৰধান। ডেকা-গাভৰুহঁতে ফাগুন মাহৰ শেষৰ দিনৰ পৰাই ৰাতিবিহু আৰম্ভ কৰে। এই বিহু পতাৰ আগতে ভকতসেৱা নামৰ এটি ৰাজহুৱা পূজা সমাপন কৰাৰ পাছতহে বিহু আৰম্ভ কৰে। এই বিহুক সাধাৰণতে বিচুডুলা বুলিও অভিহিত কৰে। তেওঁলোকে বিচুক যেনেদৰে বিশেষ বিচু পূজাৰে বিহু আৰম্ভ কৰে ঠিক তেনেকৈ দেওঁশালত বিশেষ পূজা আগবঢ়াইহে বিহু সামৰা দেখা যায়।

অসমৰ প্ৰাচীন অধিবাসী কাৰ্বিসকলো গীত-মাতে, নাছে-সাজে সমৃদ্ধ। ব'হাগ মাহৰ প্ৰথম দুটা দিনতে কাৰ্বিসকলে 'জহং' পূজাৰে বিহুক আদৰে। এই পূজাত তেওঁলোকে হুঁচৰি গোৱাৰ দৰে গীতে মাতে ঘৰে ঘৰে নৃত্য কৰে। তেওঁলোকে এই উৎসৱত চেংমুৰীপ, ঢাল তৰোৱাল লৈ নৃত্য কৰে। প্ৰথমে এই উৎসৱ গাঁওৰ মুৰব্বী 'বাথেং' ঘৰত উদ্‌যাপন কৰে। বলি-বিধান আদি পৰম্পৰাগত প্ৰথা এই উৎসৱৰ প্ৰদান ৰীতি। এই উৎসৱক যুদ্ধযাত্ৰাৰ উৎসৱ বুলিও কোৱা হয়। গতিকে কাৰ্বিসকলৰ সমূহীয়া বিহু নাই, কিন্তু অসমীয়াৰ বিহুগীত প্ৰেমৰ গীত, সাজ পাৰৰ গীতৰ বিৰৰণ থকাৰ দৰে তেওঁলোকৰ মুখে মুখে চলি অহা গীতমাতবোৰত নিহিত হৈ আছে। জাতিটোৰ ৰীতি-নীতি আৰু অতীত পৰম্পৰা। কাৰ্বিসকলে ব'হাগ বিহুক সাধাৰণতে 'চজুন' বুলি কয়।

অসমৰ অন্য এক প্ৰতিস্থিত জনগোষ্ঠী হ'ল মিচিংসকল। মিচিংসকলৰ জাতীয় উৎসৱৰ ভিতৰত 'আলি আয়ে লিগাং' আৰু 'পঃৰাগ' উৎসৱেই প্ৰধান। বছৰৰ আৰম্ভতে প্ৰথম ধানৰ বীজ সিঁচিবৰ সময়ত 'আলি আয়ে লিগাং' আৰু খেতি চপোৱাৰ শেষত পঃৰাগ উৎসৱ পালন কৰে। এই দুয়োটা উৎসৱেই তেওঁলোকৰ সংস্কৃতিৰ প্ৰধান অংগ। তেওঁলোকৰ গুমৰাগ নৃত্য ঐনিতম্ বনগীত, প্ৰধান গীত-মাত। এই উৎসৱবোৰত তেওঁলোকে পঃৰ আপং, (ছাইমদ) পুৰাং, নগীন, চাউলমদ আদি থলুৱা মদ ব্যৱহাৰ কৰে। বাদ্য যন্ত্ৰবোৰৰ ভিতৰত পেঁপা, ঢোল, বাঁহী, তাপুং দেনদুন, দুম্পাগ, য়কচা, ৰাইকেৰেগ আদি বজোৱা পদ্ধতিত নিজস্ব স্বকীয় বৈশিষ্ট আছে। মিচিংসকলে গুমৰাগ নৃত্যৰ দ্বাৰা পৃথিৱীৰ বুকুত কম্পন তোলে বুলি সৰ্বজন বিদিত। এইবোৰৰ উপৰি মিচিংসকলৰ প্ৰেম-প্ৰণয়, ভালপোৱা, আনন্দ, মৰম-চেনেহ আকুলতা, মিনতি, আবেদন, ধেমেলীয়া গীত, নিচুকণি গীত আদি পৰম্পৰাগত গীত-মাতবোৰত বিশেষ তাৎপৰ্য নিহিত হৈ আছে। মিচিংসকলৰ মূৰ্চনা তেখেতসকলৰ এক অতুলনীয় স্বকীয় সংস্কৃতিৰ নিদৰ্শন।

অসমত অতীজৰে পৰা বসবাস কৰি অহা তিৱাসকলে ব'হাগ বিহুক 'চগ্ৰামিচাবা' বুলি কয়। এই উৎসৱ কৃষিৰ লগত জড়িত বসন্ত উৎসৱ। মিচিংসকলৰ দৰে তেওঁলোকেও এই উৎসৱ আঘোণ মাহৰ বুধবাৰ এটিত প্ৰথমতে উদ্‌যাপন কৰে। 'চগ্ৰামিচাবা' অৰ্থাৎ 'চগ্ৰা-নাচোন' আৰু 'মিচাবা' নাছ্ৰা। এই উৎসৱৰ প্ৰধান বৈশিষ্ট হ'ল গাঁৱৰ সকলো ডেকা-বুঢ়াই তিনিদিন তিনিৰাতি এই উৎসৱ পালন কৰিলেও কোনো গাভৰু বা মহিলাই অংশগ্ৰহন কৰিব নোৱাৰে। অৱশ্যে মহিলাসকলে শুকান মাছ আৰু মদ যোগান ধৰিবলগীয়া হয়। তাৰ পিছতে পুৰুষসকলে পবংচি, খ্ৰাম, তোৰাং ইত্যাদিৰ সহায়ত ঐতিহ্যপূৰ্ণ

সাজ-পাৰেৰে নাচিবলৈ আৰম্ভ কৰে। এই নাছোনৰ বাবে তিৱাসকলৰ সমাজ ব্যৱস্থাৰে লৰ, হাবাৰী, পাটৰ, গাঁওবুঢ়া চাংদলৈ চাংমাজি আদি গাঁওৰ মুখিয়াল লোকসকলক দায়িত্ব অৰ্পন কৰে। এই চগ্ৰা উৎসৱ কৃষিজীৱী তিৱালোকৰ বসন্ত উৎসৱ বা ব'হাগী উৎসৱ।

অসমৰ অন্যান্য জনগোষ্ঠীবোৰৰ ভিতৰত সোনোৱাল কছাৰীসকলো এক অন্যতম বৃহত জনগোষ্ঠী তেওঁলোকে যদিও নিজৰ ভাষা কালক্ৰমত হেৰুৱালে তথাপি নিজা পৰম্পৰা, সংস্কৃতিবোৰ স্বকীয় বৈশিষ্টৰে আজিও পুৰা মাত্ৰাই পালন কৰি আছে। অতীতৰ শদিয়াৰ হালালী ৰাজ্যত ৰাজপাট খোৱা সোনোৱাল কছাৰীসকলে ব'হাগ বিহুক 'বলিৰজা'ৰ বিহু বুলি গণ্য কৰে। তেওঁলোকে গৰু বিহু, মানুহ বিহুৰ সহিতে ব'হাগ মাহৰ সাতদিনলৈ এই উৎসৱ পালন কৰে। গৰুবিহুৰ দিনা চাকমাৰি সজাই লাৰণীৰে গৰুক গা ধুৱাই বেঙেনা, থেকেৰা, হালধি ইত্যাদি আশীৰ্বাদ লয়। সোনোৱালসকলে চাকমাৰি ডালক শিৱৰ ত্ৰিশূল প্ৰতীক জ্ঞান কৰে। সন্ধ্যালৈ গৰুক নতুন বস্ত্ৰসদৃশ তৰা গছৰ পঘাৰে গৰু বান্ধে আৰু চেৰেপা মহ-মাখি আদি সেইদিনাই জন্ম হয় বুলি তুঁহ জুইত জেতুলি পকাৰ পাত দি গোহালিত জাক দিয়া প্ৰথা আৰম্ভ কৰে।

মানুহ বিহুৰ দিনা হিন্দুৰীয়াসকলে সন্ধ্যা মৰা-মৃতকৰ মাহ প্ৰসাদ আৰু বেহাৰী সোনোৱালসকলে মৰা-মৃতকক মদ-মাংস আদিৰে পূজা দিয়ে আৰু পিছলৈ সমজুৱা হুঁচৰি মাৰিবলৈ ওলায়। ব'হাগ বিহুত হুঁচৰি গোৱা ৰীতি-নীতিত সোনোৱালসকলৰ এক স্বকীয় বৈশিষ্ট আছে। তেওঁলোকে হুঁচৰি মাৰোতে ব্যৱহাৰ কৰা টকা-মাৰিডালক সতীদেৱীৰ ৰাজহাড় বুলি জ্ঞান কৰে আৰু টকাডাল ৰাখিবৰ বাবে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ প্ৰতীকৰূপী তিনিডাল খুটি ব্যৱহাৰ কৰে আৰু এই টকামাৰিত ১৩ গাঁঠি ১২ টা পাৱ থাকে। এই বাৰটা গাঁঠিৰ অৰ্থ হ'ল বাৰ মাহ আৰু ১৩ টা গাঁঠিৰ অৰ্থ হৈছে ১৩ টা পৰ্ব। তেওঁলোকৰ হুঁচৰিত পোহাৰীগীত, থিয়গীত, হয়দাং গীত ইত্যাদি পৰিবেশন কৰি গৃহস্থৰ সৰ্বমঙ্গল কামনা কৰি দেৱতাৰ নামত সেৱা জনাই গৃহস্থক আশীৰ্বাদ দি হুঁচৰি সামৰে। হুঁচৰিৰ শেষত বিহু উৰুৱা অনুষ্ঠানেৰে বহুৱা নৃত্যৰে বিহু সামৰে সোনোৱালসকলৰ হাইদাংগীত আৰু বহুৱা নৃত্য পৃথিৱীৰ কোনো জনগোষ্ঠীৰ মাজত দেখা নাযায়।

বিহু উৎসৱৰ উপৰি সোনোৱালসকলৰ সবাহ-সকাম, পূজা হয়দাংগীত, ফুলকোঁৱৰ, মণিকোঁৱৰ গীত, জনাদৈ গাভৰুৰ গীত, বিহুগীত, নিচুকণী গীত, আইনাম, গোঁহাই নাম, অপেশ্বৰা নাম ইত্যাদি স্বকীয় বৈশিষ্টৰে পালন কৰা দেখা যায় আৰু এনেধৰণৰ কৃষ্টি সোনোৱালসকলৰ মাজতহে মাথোন দেখা পোৱা যায়।

ৰাভাসকলৰ মতে বছৰৰ কোনোটো মাহেই বিনা উৎসৱেই অতিক্ৰম নহয়। উদাহৰণ স্বৰূপে ব'হাগ মাহত বায়খো, জেঠমাহত হাসং, আহাৰ মাহত মাকাং মাথাং, শাওঁন মাহত খোকছি, ভাদমাহত নাঙলপূজা, আহিন মাহত ধানপূজা, কাতিমাহত বস্তীপূজা, আঘোণ মাহত লক্ষ্মীপূজা, মাঘ মাহত দোমাহীপূজা, ফাগুন মাহত দদানপূজা আৰু চ'ত মাহত হাজাৰ পূজা পালন কৰে।

ৰাভাসকলৰ বায়খো উৎসৱ অতি তাৎপৰ্যপূৰ্ণ। শত্ৰুৰ বৰবৰ আক্ৰমণৰ পৰা পৰিত্ৰান পাবলৈ দিশ-বিদিশ ঘুৰি ফুৰা ৰাভাসকলে শেষত দেওশীলানদীৰ পাৰত আঠিয়াবাৰীত পুণৰ মিলিত হৈছিল আৰু তাতেই তেওঁলোকে 'বায়খো' আয়োজন কৰিছিল। এই উৎসৱ সাতদিন সাতৰাতিলৈ উদ্‌যাপন কৰে। এই উৎসৱৰ প্ৰধান বৈশিষ্ট হ'ল অগ্নিপূজা। ৰাভাসকলৰ বিখ্যাত কাৰকান্তিনৃত্য হামজাৰ নৃত্য দেশে বিদেশে সমাদৃত। অন্যান্য গীতমাতৰ ভিতৰত ৰাভা সমাজৰ মায়তা কবায় হুঁচৰি জাতীয় ধৰ্মীয়গীত। ৰংদা বাৰায় ৰাভা তিৰোতাসকলৰ সোনোৱাল কছাৰীসকলৰ জেং বিহুৰ দৰে এই গীত হাবিত খৰি লুৰোতে গোৱা গীত আৰু নৃত্য। ৰাভাসকলৰ দাহৰি জুইৰ ওপৰত কৰা এক নৃত্য, টোটলা ব'হাগ বিহুৰ নৈবেদ্য আগবঢ়াই কৰা আশু-শালী নৃত্য গীত ইত্যাদি। অতি দুখৰ বিষয় এয়ে যে বৰ্তমানে অসমৰ সোনোৱাল কছাৰীসকলৰ দৰে ৰাভাসকলেও কম বেছি পৰিমানে ইতিমধ্যে তেওঁলোকৰ নিজা ভাষা হেৰুৱাই পেলাইছে। কিন্তু স্বকীয় বৈশিষ্টৰে পৰিপুৰ্ণ সংস্কৃতিবোৰ আজিও একেদৰেই বিদ্যমান।

হাজং সকলো অসমৰ অন্য এক জনগোষ্ঠী হাজংসকলে ব'হাগ বিহুক 'বিষুবা' বা 'সঙৰাণী' উৎসৱ বুলি কয়। চ'ত মাহৰ শেষৰ দিনা কাপোৰ-কানি, দা-কুঠাৰ, বিচনী, কুলা, চালনী আদি ধুই পৰিস্কাৰ কৰে। এইদিনটিত বিভিন্নধৰণৰ পিঠা-পনা তৈয়াৰ কৰে আৰু গ্ৰহণ কৰে আৰু বিহুৰ দিনা নিমপাতেৰে গাধোৱে। জাতীয় পৰম্পৰাৰে মদ, মাংস, ৰিসি ভাত, বুকনি আদি খাদ্য হিচাপে গ্ৰহণ কৰে আৰু সমজুৱাভাৱে ৰং-ধেমালীৰ লগতে ঘৰে ঘৰে বিষুৱা পালন কৰা দেখা যায়। গীত-মাতৰ ভিতৰত 'ৰসীগাহেণ' গীত কৃষ্টিৰ অন্যতম গীত। এই গীত কৃষিৰ কৰ্মৰ লগত জড়িত। বোকাখেলৰ গীত ভূই ৰোঁওতে গায় মাছমৰাগীত, গোপনি গাহেন গীত. খুৰমাগৰ গীত, কঠিয়াতোলোতে গায়। গীততু গাহেন গীত বিয়াৰ সময়ত গোৱা গীত।

হাজং সমাজত আৰু অলেখ লৌকিক গীত মাত আছে যি অসমীয়া সংস্কৃতিৰ জগতখনক কম বেছি পৰিমানে সমৃদ্ধিশালী কৰি ৰাখিছে। এইসকল জনগোষ্ঠীৰ উপৰি অসমত অন্য বহু জনগোষ্ঠী বিৰাজমান। যেনে-গৰু, ঠেঙাল কছাৰী, টাইফাকে, চুতীয়া, লালুং কছাৰী, মেচকছাৰী, মিকিৰ ইত্যাদি। যিসকলে নেকি আমাৰ সমাজ জীৱনৰ বিবিধ গণ্ডীত জনজাতিসকলৰ সংস্কৃতি স্বকীয় ৰূপত গঢ়ি তুলিছে আৰু অসমভূমিত বিচিত্ৰতাৰ প্ৰকাশ কৰিছে।

সঁচাকৈয়ে এনেবোৰ জনগোষ্ঠীৰ সংস্কৃতিৰ স্বকীয় বৈচিত্ৰৰ বৰ্ণাধ্যতাই আমাৰ সমাজখনক বিস্মিত বিমুগ্ধ কৰি ৰখা নাই জানো? আৰু এইবোৰ সম্ভাৰে অসমীয়া সংস্কৃতিক বৈভৱ প্ৰদান কৰিছে। উল্লেখনীয় যে এই ভূমিপুত্ৰসকলে তেওঁলোকৰ আদিম বাসভূমি উত্তৰ পশ্চিম চীনৰ হোৱাংহু আৰু ইয়াং চিকিয়াং নদীৰ বৃহৎ উপত্যকাৰ পৰা তেওঁলোকৰ সমাজ জীৱনৰ বিবিধ ধৰণৰ ঐশ্বৰ্যৰাশি, ঐতিহ্যমণ্ডিত সংস্কৃতিবোৰ কঢ়িয়াই আনি এই দেশত নিজা ধৰণে এক সহজ-সৰল সমাজ জীৱন আৰম্ভ কৰি সমাজৰ বিভিন্ন ধাৰাক সমৃদ্ধ কৰি তুলিছিল। তেওঁলোকৰ স্বকীয় সংস্কৃতিবোৰ উদ্ভাসিত হৈ আছিল তেওঁলোকৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সংস্কাৰ-অভিসাৰ, প্ৰবৃত্তি-পদ্ধতি, কলা-সংস্কৃতি, পৰম্পৰা আদি অনেক বিষয়ত। একোখন সমাজ একোখন দেশৰ প্ৰতিফলন ঘটে সেইদেশৰ সমাজ জীৱন আৰু কলা-সংস্কৃতিৰ ওপৰত। স্বকীয়তাপূৰ্ণ, সমৃদ্ধিশালী কলা সংস্কৃতিয়েহে সেই জাতিৰ উজ্জ্বল ভৱিষ্যত নিৰূপন কৰে। গতিকে আমি যথাৰ্থতে দেখা পাও যে এই খিলঞ্জীয়া লোকসকলৰ সমাজ জীৱনৰ ঐতিহ্যমণ্ডিত কলা-সংস্কৃতিবোৰেও বৃহৎ অসমৰ বৈচিত্ৰতাৰ, সভ্যতাৰ বিকাশৰ মাপকাঠি নিশ্চয় নিৰূপন কৰিছে। ☯

বিহুৰ বতৰত—মনৰ কথা

✍ ড° মামনি বৰুৱা

ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনৰ বিহুতলীখনে বহু শিল্পীক উৎসাহ উদ্দীপনা যোগোৱাৰ লগতে অসমৰ লোক কলা-সংস্কৃতিৰ প্ৰতিও বিশেষ অৱদান আগবঢ়াই আহিছে। বাপতি-সাহোন বিহুটিক আদৰিবলৈ এই বিহু সন্মিলনৰ 'সাহোন'খনে সোণত সুৰগা চৰাই বিহু উপলক্ষে প্ৰকাশিত স্মৰণিকাসমূহৰ মাজত এক সুকীয়া আসন গ্ৰহণ কৰিছে বুলি ক'লে বঢ়াই কোৱা নহয়। এইখন 'সাহোন'ত আমাৰ মনৰ কথা ছপা আখৰেৰে লিপিবদ্ধ কৰি থোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰা বিহু সন্মিলনৰ বিষয়ববীয়াৰ ওচৰত আমি নথৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে বিহুৰ ওলগ যাচিছো।

আমাৰ শৈশৱ, কৈশোৰ আৰু যৌৱন জোৱাৰত নাও মেলাৰ সময়ছোৱা আমি অতিবাহিত কৰিছিলো মায়াময় শ্বিলঙ চহৰত। শীতৰ শেষত বসন্ত ঋতু আগমণত সুঞ্জৰিত হৈ থকা সেউজী শ্বিলঙ চহৰখনৰ অঙ্গৰাগে থৌকিবাথৌ কৰা আমাৰ মনবোৰ তেতিয়া উত্ৰাৱল হৈছিল 'হাইডুৰি পাৰ্ক'ৰ মঞ্চ বিহুৰ সাংস্কৃতিক সন্ধিয়াৰ সুন্দৰ অনুষ্ঠানবোৰ উপভোগ কৰিবলৈ। শাৰী শাৰী সৰল গছৰ সো সো শব্দৰ শিহৰণত 'ভেদাভেদ পৰিহৰি কত জাতি-উপজাতিয়ে মহাপীঠ নিৰ্মাণেৰে, উলাহ-অধীৰ ছন্দেৰে মিলনৰ গান গাই' অসমীয়াৰ জাতীয়ত্ব আৰু জাতীয় ঐতিহ্যৰ বাহক বিহু উৎসৱ পালন কৰাৰ সেই দিনবোৰৰ স্মৃতিয়ে আমাক বাৰুকৈয়ে আমনি কৰে। তাৰপিছত আমি দিশপুৰৰ বাসিন্দা হিচাবে বিগত সাতত্ৰিশটা বছৰত ভৈয়ামৰ ৰুচিসম্পন্ন মঞ্চবিহুৰ অনুষ্ঠান উপভোগ কৰাৰ অভিজ্ঞতাৰে পুষ্ট হৈছো। দিশপুৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ দ্বাৰা আয়োজিত বিহুমঞ্চৰ সাংস্কৃতিক সন্ধিয়াবোৰত ঘোষিকাৰ দায়িত্বত থাকোতে গ্ৰীনৰুমৰ ভিতৰ চ'ৰাৰ বহু ঘটনা-পৰিঘটনাৰ স্মৃতি, অভিজ্ঞতাৰে ভৰি আছে আমাৰ উৰণীয়া মনবোৰ। মনকৰিবলগীয়া এইয়ে যে সংস্কৃতিৰ বাহক বিহু উৎসৱৰ লগত সঙ্গতি ৰাখি মঞ্চবিহুৰ উদ্যোক্তসকলে ক্ৰমে ক্ৰমে স্মৰণিকা প্ৰকাশৰ প্ৰতিও যথেষ্ট আগ্ৰহী হৈ আহিছে আৰু কাৰ্যতঃ ইয়াৰ প্ৰতিফলন ঘটিছে 'সাহোন', 'ৰঙালী', 'গামখাৰু', 'সাতসৰী', 'বিহমনা' ইত্যাদিৰ জৰিয়তে।

সঁচা কথা যে নতুন নতুন সৃষ্টিৰ ক্ষমতাৰে, প্ৰতিভাশালী বহু লেখক-লেখিকাই এনে একোখন স্মৰণিকাৰ জৰিয়তে

স্বকীয় ভঙ্গী আৰু সৌন্দৰ্যৰে মহৎ সাহিত্য সৃষ্টিৰ কাথামো ৰচনা কৰিবলৈ সক্ষম হয়। প্ৰতিভাৰ বিকাশ সাধনৰ বাবে অনুশীলনৰ যে প্ৰয়োজন, সেইকথা দোহৰাৰ আৱশ্যক নাই। বিহুতলীৰ উদ্যোক্তাসকলৰ ঐকান্তিক প্ৰচেষ্টাত প্ৰকাশ হোৱা স্মৃতিগ্ৰন্থই সাহিত্য চৰ্চ্চাৰ অনুশীলনৰ দুৱাৰ মুকলি কৰে বহু সুপ্ত প্ৰতিভাৰ বিকাশৰ বাটত। পৰিকল্পিত অধ্যয়ন আৰু জীৱনৰ অভিজ্ঞতা মূল্যায়নৰ চেষ্টাৰে লেখক-লেখিকাই সাহিত্য-কৰ্মক আগবঢ়াই নিবলৈ স্মৰণিকা একোখনৰ দৰে মাধ্যমৰ সৎ ব্যৱহাৰ কৰিব পৰাতেই আচলতে উদ্যোক্তাসকলৰ সাৰ্থকতা।

এইখিনিতে আৰু এটা মনকৰিবলগীয়া কথা হ'ল যে উন্নত সাহিত্য সৃষ্টিৰ বাতাবৰণ গঢ়ি তোলাত অৱশ্যেই ৰুচিসম্পন্ন পাঠকৰ সুচিন্তিত মতামত প্ৰকাশে বিশেষ অৰিহণা যোগায়। পাঠকৰ ৰুচি উন্নত স্তৰৰ হ'লে লেখকৰ কল্পনাও গভীৰ হ'বলৈ বাধ্য আৰু গভীৰ উপলব্ধিৰে লিখা লিখনীয়ে স্মৰণিকা একোখনিৰ মানদণ্ডও উন্নত পৰ্যায়লৈ লৈ যায়। লগতে সৃষ্টিকামী লেখকসকলক নতুনৰ সন্ধানত ব্ৰতী হ'বলৈ বিশেষ প্ৰেৰণা যোগায়। 'সাহোন'খনে পৰিমাৰ্জিত ৰুচিৰে স্ৰষ্টা আৰু পাঠকৰ মাজত যোগসূত্ৰ বজাই ৰাখিবলৈ সক্ষম হৈছেবুলি আমি অনুভৱ কৰো। অসমৰ জনজীৱনৰ গতিশীল তথা স্ৰোতস্বিনী ধাৰাক ব্যাহত হ'বলৈ নিদিয়াকৈ ৰখাত 'বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন'ৰ কৰ্মকৰ্ত্তাসকলৰ সাংস্কৃতিক সচেতনতা নৱপ্ৰজন্মৰ প্ৰেৰণাৰ উৎস হওঁক—ব'হাগৰ বিহুটিত তাৰেই শুভকামনা যাচিছো।

Wish you Rongali Bihu.....

PHONE : 98640-72492

MR. GYANDEEP GOGOI

GOVT. REGISTERED CONTRACTOR (APWD)

RUKMINI NAGAR, HOUSING COLONY
RANGAMANCHA PATH
GUWAHATI - 781006

বিহুনামত জাতি-জনজাতি-উপাধি-বৃত্তি উল্লেখন

✍ বসন্ত কুঞ্জল গগৈ

অসমীয়া লোকসাহিত্যত বিশিষ্ট স্থান দখল কৰি থকা বিহুনামবোৰৰ ৰচনাৰ পটভূমি আছিল অসম দেশ, অসমৰ বিনন্দীয়া প্ৰকৃতি, অসমীয়া সমাজ আৰু অসমীয়া মানুহ। এইবোৰৰ ৰচক আছিল চহা অনাসৰী কবিসকল। এইসকল কবিৰ ভাৱানুভূতি, কল্পনা আৰু বুদ্ধি-বৃত্তি অসমীয়া সমাজ জীৱনৰ আৰু নৈসৰ্গিক শোভা সৌন্দৰ্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু সেয়েহে তেওঁলোকৰ ৰচনাত অসমীয়া সমাজ জীৱনৰ প্ৰতিটো বিষয়ৰ চিত্ৰ সুন্দৰ ভাৱে প্ৰকাশ পোৱা দেখা যায়।

অসমীয়া জাতীয় জীৱনৰ দাপোন স্বৰূপ বিহুনামসমূহে অসমৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্য, অসমৰ নদ-নদী, চৰ-চাপৰি, পথাৰ, উৎসৱ-পাৰ্বন, লোকবিশ্বাস আৰু পৰম্পৰা, অসমীয়াৰ খাদ্যাভাস, সাজপাৰ, আ-অলংকাৰ, ৰন্ধনশাল, তাঁতশাল, ঢেঁকীশাল, নৃত্য-গীত-বাদ্য, অসমীয়া নাৰীৰ সৌন্দৰ্য আদি বিভিন্ন বিষয়ৰ চিত্ৰসমূহক সুন্দৰভাৱে সামৰি লৈছে। কেৱল এয়াই নহয় অসমত অতীজৰে পৰা বসবাস কৰি অহা বিভিন্ন জাতি-জনজাতি, তেওঁলোকৰ গোত্ৰ-সম্প্ৰদায়-উপাধি আৰু বিভিন্ন কৰ্মক্ষেত্ৰৰ কথাও বিহুনামত প্ৰকাশ পাইছে। আমাৰ চমু আলোচনাত সকলোবোৰ প্ৰকাশ কৰা সম্ভৱ নহয়। সেয়েহে প্ৰবন্ধৰ শিৰোনামত উল্লেখ থকাৰ ধৰণে বিহুনামে সামৰি লোৱা এনেধৰণৰ কেইফাঁকিমান বিহুনাম উল্লেখ কৰা হ'ল—

উজাই আহিলে ভাটিৰে নেপালি
মইনামতী গাঁৱলৈ চাই;
মইনামতী গাঁৱৰে সেন্দুৰী পমিলী
নদীত গা ধুবলৈ যায়।

****

হোৰাকৈ গছৰে মূঢ়া ঐ
হোৰাকৈ গছৰে মূঢ়া;
হালকান চাহাবক আবৰে কাটিলে
বিচাৰি নাপালে মুৰা।

****

সোণাৰী শালতে কিহে চিকেমিকাই
কটাৰি জিলিকে ভাৰত;
মোৰে ঐ লাহৰী দূৰৈতে জিলিকে
ধাননিৰ পথাৰৰ মাজত।

****

ধোৱাই ধোৱা কাপোৰখন বগলিৰ পাখি যেন
তিতা ধানখেৰৰ ছাই;
দেখিলো এ বুলি পামে কেনে কৰি
মোৰ জান কপালত নাই।

****

উজাই নাৱৰীয়াই বালিত ভাত খালে
গছকি পুতিলে টৌ;
আই নেকান্দিবা বোপাই নেকান্দিবা
আমি জিৰণীয়া মৌ।

****

তোমালৈ চাওঁতে জপনা দিওঁতে
বিন্ধিলে অঘয়া হুলে
তোমাৰ মন গ'লে আমাৰ মন গ'লে
কি কৰিব কলিতা কুলে।

****

ভলুকা বাঁহৰে কটৰা কাটিবা
শিলিখাৰ নলগাবা ঠোৰা

বামুনক চোৰালো গণকক চোৰালোঁ
বিধাতাই নলগাই জোৰা।

****

নগাৰ চাঙতে পেঁপাটি বজালে
ডফলাই ধৰিলে টকা;
ল'ৰা বুঢ়া জীয়ৰী ৰঙতে বলীয়া
ব'হাগৰ বিহুৱা ডেকা।

****

আগলৈ নেচাই গুৰিটি কাটিলোঁ
চিলা পৰেবতৰ বাঁহ;
মিৰি মিচিমিৰ দোৱানো বুজিলোঁ
নেপালোঁ চেনাইৰে আঁহ।

****

মিকিৰ বৰচাঙত বজায় বৰকাঁহী
ভৈয়ামত বজালে ঢোল;
চেঙেলীয়া মনক বান্ধিব নোৱাৰো
ছিঙে মৰাপাটৰ ডোল।

****

ই বোলে বৰুৱা সি বোলে বৰুৱা
বৰুৱা ক'লৈনো গ'ল;
তেলৰ চাকি হাতত লৈ বৰুৱানীক আগত লৈ
ৰাতিবিহু চাবলৈ গ'ল।

****

চৰাই ধানে খাব চিটিকি পৰিব
উফৰি পৰিব কণ;
কিনো চাই আছ গগৈ ৰাজখোৱা
মান তৰাই জিকিলে ৰণ।

****

জোনৰে সাৰথি তৰা সমনীয়া
জোনৰে সাৰথি তৰা,
স্বৰ্গদেউৰ সাৰথি গন্ধীয়া ফুকন
মাতে তাও কাকৰ পৰা।

****

স্বৰ্গদেৱে আনিলে চুতীয়া কাঁড়ী ঐ
বুকু বহল বহল চাই;
এঙেঠা ভিৰায়ে মাৰে শৰ-ধনু
হেদামত সৰকি যায়।

****

ধনশিৰী ভেটিলে জেঙে ঐ জাৱৰে
সোৱণশিৰী ভেটিলে কিহে;
ভঙা খোলা কটি কমাৰে গঢ়িলে
যৌৱন গঢ়ি দিলে যিহে।

****

কোন কুমাৰৰ চৰু সমনীয়া
কোন কুমাৰৰ চৰু;
শৰাইৰে লগতে হাঁচতি নিদিলা
ৰাইজক দেখিলা সৰু।

****

ঢোলৰ নাম উৰুলি ঢোলৰ নাম কুৰুলি
ঢোলতো বিন্ধিলে ঘুণে
মৰাণৰ মুচিয়াৰ ঘৰত নাইকীয়া
ঢোল চাই দিব কোনে।

ওপৰত উল্লিখিত চমু আলোচনাৰ পৰা আমি স্পষ্টভাৱে ক'ব পাৰো যে বিহুনামে অসমীয়া সমাজ জীৱনৰ প্ৰতিটো বিষয়কে সামৰি লোৱাৰ দৰে অসমীয়া সমাজত বসবাস কৰা বিভিন্ন জাতি-জনজাতি, গোত্ৰ-উপাধি আৰু তেওঁলোকৰ বৃত্তিকো সুন্দৰভাৱে সামৰি লৈছে। সেই সময়ত অসমত বসবাস কৰা বিভিন্ন জাতি-জনজাতি, তেওঁলোকৰ উপাধি আৰু বৃত্তি সম্পৰ্কে চহা কবি-গীতিকাৰসকলে ৰচনা কৰি থৈ যোৱা বিহুনামসমূহৰ পৰা আভাস পাব পাৰি। ৩

"বিহু"—ইয়াৰ বৈশিষ্ট্য

✍ পদ্ম গগৈ

বিহু অসমীয়া জাতিৰ বাপতি সাহোন। অসমীয়া জাতিৰ প্ৰধানকৈ বিহু তিনিটি। এই তিনিটি বিহু হ'ল— কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহু। এই তিনিটি বিহুক মানুহে এনেধৰণেও কয়—কাতি বিহুক কঙালী বিহু অৰ্থাৎ বছৰৰ কাতি মাহটোত মানুহৰ বৰ অভাব অনাতন হয়। গাঁৱৰ কিছু কিছু মানুহৰ দুবেলা দুমুঠি খাবলৈও ধান-চাউল নাথাকে। ভঁৰাল উদং হয়, গতিকে ইয়াক কঙালী বিহুৰ আখ্যা দিয়ে। দ্বিতীয়তে হ'ল—মাঘ বিহু, পুহৰ শেষত মাঘ বিহু পাতে। আঘোণৰ পথাৰৰ পকাধানখিনি দাই-চপাই কৃষকে ঘৰৰ ভঁৰাললৈ গোটাই আনে বছৰতোৰ বাবে। সেইসময়ত গাঁৱৰ মানুহৰ খোৱা-বোৱাৰ অভাৱ অনাটন নহয়, মানুহে ভাতমুঠিৰ পৰা আৰম্ভ কৰি চিৰা-পিঠা, সান্দহ, আদিলৈকে সকলো বস্তু খাবলৈ পায়। সেইকাৰণে এই বিহুক মানুহে ভোগালী বিহু বুলিও কয়।

ইয়াৰ পাছতে আহি ব'হাগ বিহু বা ৰঙালী বিহু। এই বিহুত মানুহে ৰং-তামাছা কৰে। সেই গতিকে ব'হাগ বিহুক মানুহে ৰঙালী বিহু বুলিও কয়।

এইয়াই হ'ল অসমীয়া জাতিৰ তিনিটি বিহু। মানুহে বিহু নামত গায়—

'বিহু বিহু বিহুটি বিহু আমাৰ তিনিটি
কাতি বিহু কঙালী মাঘৰ বিহু ভোগালী
ব'হাগতে ধেমালি কৰো ঐ
গোবিন্দই ৰাম।'

বিহু হ'ল অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎসৱ। প্ৰত্যেক জাতিৰে নিজস্ব উৎসৱ আছে। এটা জাতি বুলি ক'বলৈ গ'লে সেই জাতিটোৰ নিজস্ব ভাষা, উৎসৱ আৰু সংস্কৃতিৰ প্ৰতীক থাকিব লাগিব। তেতিয়াহে জাতিটো জীয়াই থাকিব। গতিকে বিহু হ'ল অসমীয়া জাতিৰ প্ৰতীক, সংস্কৃতিৰ উৎস।

এতিয়া আহো আমাৰ জাতীয় উৎসৱ ব'হাগ বিহুটিলৈ—প্ৰাকৃতিক জগতখন প্ৰকৃতিৰে ভৰপুৰ। প্ৰত্যেক ঋতুতে ইয়াৰ ৰূপ সলনিঁহে থাকে—গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত। পৃথিৱীলৈ গৰম আহে, বাৰিষা আহে, বৰষুণ হয়, কৃষকে পথাৰত হাল বাই, খেতি-বাতি কৰে। তাৰ পিছতেই আহে শীত, শীত কালত গছ-গছনিবিলাকৰ ডাল-পাতবিলাক শুকাই যায়, গছবিলাক লঠঙা হয়। অৰ্থাৎ পুৰণি পাতবিলাক সৰি নাইকিয়া হয় আৰু লাহে লাহে নতুন কুঁহিপাত ওলাবলৈ আৰম্ভ কৰে। তেতিয়াৰ পৰাই বসন্ত কাল আৰম্ভ হয়। গছ-গছনিবিলাকে নতুন সাজোন-কাছোন হৈ ফুল ফুলিবলৈ আৰম্ভ কৰে। গছত কপৌ, ভাটৌ, নাহৰ, তগৰ, মালতী, খৰিকাজাই, কেতেকী আদি নানাধৰণৰ ফুলফুলিবলৈ আৰম্ভ কৰে পিছত গছবিলাকে কলিয়াবলৈ আৰম্ভ কৰে। বসন্তৰ বা লাগি মানুহৰ মনবিলাকো পৰিবৰ্তন হয়। চ'ত মাহ সোমোৱাৰ লগে লগেই ক'ৰবাৰ পৰা আহি 'কুলি' চৰাইজনীয়েও বাৰীৰ আম গছজোপাৰ

ডালত পৰি দোকমোকালিতে কু-উ, কু-উ বুলি চিঞৰি আমাক ব'হাগ বিহু অহাৰ কথা মনত সোঁৱৰাই দিয়ে—যে বিহু পালেহি, বিহুলৈ সাজু হ'বৰ হ'ল। বিহু নামত গোৱা হয়—

'চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।

ব'হাগ বিহু হ'ল চ'তৰ সংক্ৰান্তিৰ দিনাৰ পৰা ব'হাগৰ সাতদিনলৈকে পতা বিহুক সাত বিহু বোলে। চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু। তাৰ পিছৰ দিনাৰ পৰা অৰ্থাৎ ব'হাগৰ প্ৰথম দিনাৰ পৰাই আৰম্ভ হয় মানুহৰ বিহু, হাত বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু, ছেৰা বিহু ব'হাগ বিহুৰ প্ৰধান উল্লেখনীয় বিষয় হ'ল—বিহুৰ জা-জলপান খোৱা, মান-সৎকাৰ কৰা, বিহুৱান দিয়া আদি নীতি নিয়ম সংস্কাৰৰ উপৰি আটাইতকৈ আকৰ্ষণীয় আৰু উল্লেখযোগ্য অনুষ্ঠান হ'ল হুঁচৰি গোৱা। আগেয়ে মানুহে গছৰ তলত বিহু মাৰিছিল, তাৰ পিছত সেই গছৰ তলৰ বিহু আহি ক্ৰমান্বয়ে মানুহৰ ঘৰৰ চোতালত ভৰি দিলে। ব্ৰহ্মদেশত (এতিয়া ম্যানমাৰ) আজি কালিও ব'হাগ বিহুৰ সময়ত ৰাজ আলিয়েদি হুঁচৰি গাই গৈ থাকে। ঘৰৰ গৃহস্থই সপৰিয়ালে ওলাই গৈ মাননি শৰাই দি আশীৰ্বাদ লয়। সামন্ত বা মধ্য যুগত ৰজা, ডা-ডাঙৰীয়াই তেওঁলোকৰ চোতালত হুঁচৰি গোৱাই আশীৰ্বাদ লোৱাৰ নিয়ম আছিল। অসমৰ জাতীয় জীৱনত আহোম ৰাজত্বৰ প্ৰভাৱ বৰ্ণনাতীত। আহোম ৰাজ সিংহাসনৰ অধিকাৰী স্বৰ্গদেওসকল। সেয়ে—বিহুনামত স্বৰ্গদেৱৰ কথা এনেদৰে গোৱা হৈছে—

'স্বৰ্গদেও ওলালে বাটচৰাৰ মুখলে
দুলীয়াই পাতিলে দোলা
কাণত জিলিকিলে নৰা জাংফাই
গাত গোমচেঙৰ চোলা।'

বিহুহুঁচৰি গছ তলৰ পৰা আহি ৰজা ঘৰত ঠাই পালে আৰু ৰাইজৰ চোতাল গৰকি ক্ৰমান্বয়ে সময়ৰ সোঁতত উটি-ভাহি মঞ্চত উঠিলেহি আৰু বৰ্তমান বিহু, মঞ্চ বিহু হিচাবে পৰিলক্ষিত হৈছে। অসমৰ চহৰবোৰত হুঁচৰি গোৱাটো প্ৰায়ে দেখা পোৱা নাযায় মঞ্চ সাজি ৰভা পাৰলি দি আটকধনীয়াকৈ মঞ্চ সজাই, বিজুলী চাকিৰ পোহৰৰ তিৰ বিৰণিত বিহুহুঁচৰি গায়। আগৰ তুলনাত এতিয়া গাঁৱত হুঁচৰি গোৱাটো প্ৰায়ে কমি যোৱা দেখা যায়। সময়, দিন, বছৰ বাগৰি যোৱাৰ লগে লগে বিহুৰ গতিও সলনি হৈ গৈ আছে।

গাঁৱত ৰাইজৰ চোতালত থিয়হৈ হুঁচৰি গোৱা বিহুনামত অশালীণতা বা যৌন ক্ষুধা থাকিব নোৱাৰে আৰু নাছিলও। প্ৰকৃত বিহু নামবোৰত বিহুৰ প্ৰতি মৰম আৰু হেঁপাহ, আনন্দ প্ৰকাশৰ উদগ্ৰীৱতা আৰু গৃহস্থক কৰ্তব্যৰ সকিয়নি দিয়াৰ ভাৱহে প্ৰকাশিত হয়। কোনোবা এঘৰ মানুহৰ চোতালত থিয়হৈ হুঁচৰি দলে হৈ ধ্বনিদি বা গৃহস্থৰ কুশলৰ অৰ্থে বুলি এষাৰি আশীৰ্বাদ কৰি ঢোলত চাপৰ মাৰে আৰু তাৰ পাছতে হুঁচৰিৰ ঘোষা লগাই হুঁচৰি আৰম্ভ কৰে। হুঁচৰি গীত-পদ হিচাবে পগলা পাৰ্বতীৰ গীত, ফুল কোঁৱৰৰ গীত, মণি কোঁৱৰৰ গীত আদিকৰি মালিতা ব্যৱহাৰ হোৱা দেখা যায়। হুঁচৰি গাঁওতে কিছু কিছু ঠাইত ঘুৰণীয়াকৈ মেৰ পাতি কঁকালত ধৰা ধৰিকৈ গায়—তাকে লহৰী খেলা বোলে। লহৰী খেলত ঢোল, তালৰ লয়ৰ লগত হাতৰ চাপৰি আৰু ভৰিৰ খোজত ছন্দ মিলি যোৱাটো প্ৰধান বৈশিষ্ট। হুঁচৰি বা লহৰী খেলা শেষ হোৱাৰ পিছত গৃহস্থক এজাউৰি আশীৰ্বাদ দিয়াৰ নিয়ম আছে। হুঁচৰিত ল'ৰা-ডেকা, বুঢ়া সন্মিলিতহৈ গায়। কিন্তু তাত গাভৰুৰ স্থান নাই।

হুঁচৰি জোৰা নিজে আহিলেতো কথাই নাই, গৃহস্থই মাতি আনিও হুঁচৰি গোৱায়। হুঁচৰিৰ অন্তত এখন শৰাই বা বঁটা

এখনত এযোৰা তামোল-পান, দুটিমান পইছা, এখনি হাঁচটি(গামোছা)ৰে হুঁচৰি জোৰাক মাননি দিয়াৰ নিয়ম আছে। শ্ৰদ্ধা আৰু ভকতিৰে দিয়া শৰাইখন হুঁচৰিজোৰাই গৃহস্থক কুশল কামনাৰ আশীৰ্বাদ দিয়ে।

বিহুগীতৰ লগত দীঘলীয়া জাতৰ নাচনী ছেৱৰ গীতো আছে। এই নাম-জাতবোৰ ঠাই বিশেষে দীঘল দুটি বা লেহেতীয়া হয় আৰু ঠাই বিশেষে বিহু গীতৰ সুৰৰ পাৰ্থক্যও দেখা যায়। প্ৰায় কেইবছৰমানৰ পৰা বিহুনামৰ সুৰ আৰু নাচ ইমান সলনি হৈছে যে আচলতে হুঁচৰি কি আছিল তাক ধৰাই টান হৈ পৰিছে আৰু বিহু নামবিলাক বিহু কেছেটেত শুনি শুনি আয়ত্ব কৰি তাকেই বিহুহুঁচৰি গাথলে ধৰিছে। যেন 'ই হ'ল কেছেট বিহু।' সংস্কৃতি বা লোক-সাহিত্য মৰাসুঁতি নহয়, ই হ'ল বোৱতী নৈ, গতিকে নতুন নতুন সমল অহাটো স্বাভাৱিক কিন্তু সি যদি মূলকে বিকৃত ৰূপ দিয়ে বা দিবলৈ চেষ্টা কৰে তেতিয়া বিহু হয় বিজতৰিয়া বিহু। নতুন যুগৰ বিহুৱাসকলে পুৰণি বিহুগীতবোৰলৈ পিঠি নিদি পুনৰ সেইবিলাক গোটাই চপাই চৰ্চ্চা কৰাটোহে সমোচিত হ'ব। পুৰণি গীতবোৰত আন্তৰিকতা আছে আৰু আছে যুগৰ প্ৰতিচ্ছবি বিহুগীতত গোৱা হয়—

'চ'তে গৈয়ে গৈয়ে বʼহাগে পালেহি
ফুলিলে ভেবেলি লতা
কৈনো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।'

*****

'অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকোঁ,
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।

বিহুৰ প্ৰতি অসমীয়া মানুহৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা আৰু জাতীয় জীৱনৰ লগত থকা অবিচ্ছেদ্য সম্পৰ্কৰ কথা ফুটি ওলাইছে। যেতিয়া বিহু গাবলে যোৱা যায় ঘৰলৈ উলটি আহিবলৈকো মন নাযায়। গোটেই ৰাতি বিহু মাৰি থাকিবলৈ মন যায়, সেয়েহে—

'এপৰ দুপৰ কৰি ৰাতি পাৰ হ'ব
আমাৰ বিহুত আমনি নাই,
ৰাতি পৰে পৰে ফেঁচাই কুৰুলিয়াই
আমাৰ বিহু ভাঙোতা নাই।'

প্ৰকৃতিৰ বুকুতেই এদিন মানুহে সঙ্গীতৰ সন্ধান বিচাৰি পাইছিল। বতাহত কঁপি উঠা গছ পাত খিলাই নাচোনৰ ভঙ্গী, বাঁহে বাঁহে ঘহঁনা খাই ওলোৱা মাতটো বাদ্যৰ সন্ধান পাইছিল। এদিন মানুহে ইয়াৰ চানেকী লৈ থলুৱা পৰিবেশৰ নতুন নতুন বাদ্য সৃষ্টি কৰিলে। তাৰেই চিন হিচাবে বাঁহী, টকা, গগণা, পেঁপা আদি। গগণাৰ মন উৰুৱাই নিয়া মাত, পেঁপাতোৰ সুৰে বিহুত অমৃত বাকি দিয়ে। সঁচাকৈ তেতিয়া ঘৰতো নবহে মন, পথাৰতো নবহে মন, কমোৱা তুলাবোৰ যেনেকৈ উৰে তেনেকৈ উৰিবৰ মন।

গগণাৰ অমাতৰ মাত বুকুয়েদি সৰকি যায়—

'ততে শুনিলো সুৰতে বুজিলো
মোৰ ধনে গগণা বায়,
কিনো অমাতৰ মাতে মোৰ চেনাই ঐ
বুকেদি সৰকি যায়।'

দুটি পাতল ওঁঠৰ পৰশ লৈ সজীৱ হোৱা গগণাখনে মনৰ কথা প্ৰকাশ কৰে—

'আগলি বাঁহৰে লাহৰি গগণা
বহি তাঁতৰ পাটত বাওঁ
আহে কি নাহেঐ মোৰ ধন লাহৰী

ঘিলা চকলিয়া মুঠি
সকলোকে দেখো লাহৰীক নেদেখো
ঢাপৰে ওপৰত উঠি
আকৌ গাইছিল—
"মতামহৰ বেজাৰত মাইকী মহ বেছিলো
কড়িয়া তুলিলো চাঙত
তোমাৰে বেজাৰত ঘৰবাৰী এৰিলো
সোমালো চিপাহীৰ কামত।"
আকৌ আশীৰ্বাদ দিছিল এইদৰে—
"এটা বাতিত নহৰু এটা বাতিত পনৰু
এটা বাটিত খুতুৰা শাক
মুৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছো
চেনাই তই কুশলে থাক।"

স্বতঃস্ফূৰ্তভাৱে ওলোৱা এই বিহুনামবোৰ সঁচাই সহজ-সৰল ভাবপুষ্ট আৰু আমাৰ সাহিত্যৰ সমল।

এই ঢোলৰ চাপৰবোৰ, এই ৰগৰবোৰ প্ৰকৃতিৰ অনুকৰণ। ঠিক যেন গাজনি-ঢেৰেকণিৰে অনা বৰষুণ জাকহে। ধুমুহা বতাহত গাভৰু নাচনীজনী যেন বিৰিণাৰ দৰে হালে জালে, ককাল ভাঙে। হাত মেলি মেলি, ককাল ভাঙি-ভাঙি তাই বাউলী হৈ নাচে, গগণাৰ চাতত, পেঁপাৰ লহৰত, ঢোলৰ চাপৰত। এইয়াই বিহু, এই বিহু জীৱনৰ, দেহাৰ, প্ৰাণৰ, সঁচাই এই বিহুটি অসমীয়াৰ বাপতি সাহোন, জপাৰ ধন, সংস্কৃতিৰ পৰম্পৰা আৰু এক আত্ম পৰিচয়।

আহোম ৰজাসকলৰ ৰাজত্ব কালতে বিহু ৰাজকীয় উৎসৱত পৰিণত হোৱা আৰু বিহুৰ আনন্দ উপভোগৰ সামন্তযুগীয়া সাধাৰণ লক্ষণটো তেতিয়াৰ পৰা এতিয়ালৈ (ঠাই বিশেষে) প্ৰকট হৈ থকা দেখা যায়। বিহুনামবোৰে নিসন্দেহে সময়ৰ স্বাক্ষৰ বহন কৰি আহিছে। লগতে অসমীয়াসকলৰ পৰম্পৰাৰে সমৃদ্ধ বিহু সংস্কৃতিবোৰো। কিন্তু দুখৰ বিষয় বৰ্তমান তিনিওটা বিহুতে পালন কৰিব লগা পৰম্পৰাক আওকান কৰি কৃত্ৰিমতাৰ মাজেৰেহে আগবাঢ়িছে অসমীয়া সমাজ।

তথাপি এই কৃত্ৰিমতাক আওকাণ কৰি ব'হাগ আকৌ আহিল ক'ব নোৱাৰাকৈয়ে। সৌ সিদিনাহে যেন বিহু পাতিছিলো যোৱা বছৰ। অসমী আইৰ বুকু শুৱাই বাৰে ৰহণীয়া কৃষ্টি-সংস্কৃতিৰে সাজি-পাৰি সম্প্ৰীতি আৰু সমন্বয়ৰ দোলেৰে বান্ধ খাই, অনৈক্যৰ মাজত ঐক্যৰ ঢোল-পেঁপা, গগণা বজাই আকৌ আহিল ৰচকী ব'হাগ।

এৰা, ব'হাগ যে এনেকুৱাই। প্ৰতিজন অসমীয়াৰে ব'হাগ হৈছে হৃদয়ৰ স্পন্দন। প্ৰত্যেক অসমীয়া মতলীয়া হৈ পৰে বিহুৰ ৰাগীত। বিহুগীতে পাহৰাই পেলায় বয়সৰ সীমা। ঢোল-পেঁপা, গগণাৰ সুৰে মোহাৰি পেলাই বুকুৰ বেদনা আৰু ভোকৰ যন্ত্ৰনা। বিহুতেই সমাহিত হৈ আছে অসমীয়া জাতিটোৰ আয়ুস। সেয়েহে ড° ভূপেন হাজৰিকাদেৱে কৈছে—

ব'হাগ মাথো এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা....।

এনেকৈয়ে অসমীয়া অতি আদৰৰ ব'হাগ যেন আহিল সংগোপনে, ক'ব নোৱাৰাকৈয়ে, আকৌ ই যাবগৈ আমাৰ আনন্দৰ সঁফুৰাৰ হাঁচতিত এবুকু আদৰৰ স্মৃতি এৰি থৈ।

বিহুৰ ওলগ জনালো।●

ঢোলত চাপৰ মাৰি

✍ লিলি বৰুৱা পাটোৱাৰী

ঢোল অসমীয়া সমাজৰ এটি আপুৰুগীয়া সংস্কৃতিৰ সম্পদ। ঢোল নহ'লে বিহু বিহু যেন নালাগে। ঢোলৰ মাত শুনিলে বিহুৱাৰ গা সাতখন-আঠখন লাগে, লগতে বিহুৱতীৰ কথা ক'বৰেই নালাগে। বিহুনামত গায়—

ফুল পানী ছিগাতে ঢোলৰ মাত শুনি
উজুতিত ভাঙিলো যঁতৰ।

ব'হাগৰ বিহুত যেতিয়া ঢোলৰ মাত শুনে তেতিয়া ঢোলৰ চাপৰত গা উঠিলে ন-বোৱাৰীয়েও হেনো পানী ঘাটত পানী আনিবলৈ গৈ পানীঘাটত লুকাই লুকাই এপাক নাচিলেহে বছৰটোলৈ মূৰ ফুৰণি ভাগে বুলি বিশ্বাস। সেয়ে অসমীয়া সমাজত অসমীয়া সংস্কৃতিৰ কঠিয়াতলীতে লগ লাগিছিল যদিও কুৰি শতিকাতো লগ এৰিব পৰা নাই।

ঢোল কেইবাবিধ ও দেখা পাও, ঠাই বিশেষে বেলেগ বেলেগ। ঢোল বিহুত বজোৱা উপৰিও বিয়াতো বজায়। আহোমসকলৰ ৰাজত্বকালতে ৰজাৰ লগত বিষয়ববীয়া বাহিৰলৈ যাব লগা হ'লে ঢোল কোবাই জাননী দিছিল। আজিকালি সভা-সমিতি আকৌ বিশিষ্ট অতিথিক আগবঢ়াই নিওতে ঢোল বজায়। আহোম ৰজাৰ দিনত ৰজাঘৰীয়া ঢুলীয়াৰ খেল আছিল। ঢুলীয়াসকলে এতিয়াও বিয়াৰ ঢুলীয়া হৈ যাবলৈ বেয়া নাপায়। ঢুলীয়াসকলক যথোচিত মাননী দিছিল। তাহানি চ'তৰ মাহ সোমোৱাৰ লগে লগে ডেকাসকলে ঢোল বজাই ৰাতিবিহু পাতিছিল। আহাৰ, শাওন, ভাদ মাহত আকৌ ঢোল নবজায়। কাৰণ সেই সময়ত খেতি পথাৰত ৰোৱা পোকে খায় বুলি লোকৰ বিশ্বাস আছিল।

অসমত ঘাইকৈ দুবিধ ঢোলহে বেছিকৈ প্ৰচলিত হোৱা দেখা যায়। এবিধ উজনিত প্ৰচলিত ঢোল আৰু আনবিধ হৈছে বড়োসকলে বজোৱা ঢোল বৰ দীঘল। উজনিত প্ৰচলিত ঢোলবোৰ এহাত এমুঠি দীঘল। সোঁফালে ঠেক কাৰণে হাতেৰে সেইফালে ঢোলৰ মাৰিৰে বজায় বাওফালে বহল কাৰণে হাতেৰে তাল মিলায়। জয়ঢোল বিধ সাধাৰণতে বিয়াতহে বজায়। আম, জাম আৰু কঁঠাল গছৰ মাজ অংশহে খুলি ঢোল তৈয়াৰী কৰে। যিমান খোলাটো পাতল হয় সিমানে ঢোলৰ মাত ভাল হয়। চেউৰী গৰুৰ ছালেৰে ঢোল ছালে ভাল হয়। ঢোলৰ উৎপত্তিমূলক লোকৰ কাহিনী কিছুমান জুনাও শুনিবলৈ পোৱা যায়। এইজুনাবোৰক ঢোলৰ মালিতা বোলে। কৃষকসকলে গীত গাই আহুখেতি শস্যৰ উৎপাদনৰ কামনা কৰিছিল। আহুখেতিৰ টঙিঘৰত ঢোল বজাই চৰাই চিৰিকটি খেদাটো এতিয়াও চলি আছে।



এইদৰে সময়ৰ সোঁতত সংস্কৃতিৰ সংমিশ্ৰণ হৈ ঢোল অসমীয়া সংস্কৃতিৰ এপদ সম্পদ হৈ পৰিছে। অসমীয়া সমাজৰ মাজত ঢোল বজাই বিহু পতা, হুঁচৰি বিহুৰ প্ৰাচুৰ্যও অধিক। এসময়ত যৌনগন্ধী গীত গাই ঢোল বজাই নচা কাৰ্যক আচহুৱা অনুভৱ কৰিছিল আৰু কিছুমান বিহু উৎসৱক নিন্দা কৰিছিল। এতিয়া অসমীয়া জাতিৰ মাজত বিহু উৎসৱ আনকি ৰাতিবিহুও চলি আছে। ঢোলৰ লগত মৰাণসকলৰ গভীৰ সম্পৰ্ক। সেয়েহে বিহুনামত গায়—

মৰাণৰ মুচিয়াৰ ঘৰত নাইকিয়া,
ঢোল চাই দিব কোনে?
কথাষাৰেই তাৰ প্ৰমাণ।

বিহুনামত ঢোলৰ বিশেষত্ব জিলিকি পৰিছে। ঢোল-পেঁপাৰ মাত শুনিলেই গাত বিহু বিহু লাগে। ঢুলীয়াই কান্ধত ঢোলটো লৈ অহা দেখিলে বিহুনাম এফাঁকি গাবলৈ মন যায়—

ঢোলেটি বাবৰে তিনিটি আঙুলি
মাজৰাটি আঙুলি লৰে।
পুৰুষৰ আঙুলি যতেকে লৰিব
ততেকে জেউতি চৰে। ●

মহৎ লোকৰ বাণী

➢ *শিক্ষক হৈছে এডাল মমবাতিৰ নিচিনা, যি আনক পোহৰ দিয়ে।*

— সুভাষ চন্দ্ৰ বসু

➢ *একাগ্ৰতা থাকিলে অন্তৰৰ পবিত্ৰ বাসনা সদায় সফল হয়।*

—মহাত্মা গান্ধী

➢ *সুস্থ দেহত মনৰ বিকাশ কৰাটোৱেই হৈছে শিক্ষাৰ মূল উদ্দেশ্য।*

— এৰিষ্টটল

জাতীয় উৎসৱ বিহু আৰু কিছু চিন্তা

✍ পাৰুল বৰুৱা

বিহু অসমীয়াৰ বাপটি সাহোন। অসমীয়াৰ হাড়ে-হিমজুৰে বিহুটি গঠা হৈ আছে। বিহু অসমীয়াৰ জাতীয় উৎসৱ। বিহু তিনিটা হ'লেও জাতীয় উৎসৱৰ প্ৰসঙ্গত ৰঙালী বিহুটোৱেই অগ্ৰাসন দখল কৰি গুৰুত্বপূৰ্ণ বিবেচিত হৈ আহিছে। বিহুৰ জন্ম কেতিয়া হৈছিল সঠিককৈ ক'ব নোৱাৰিলেও বিহুৰ জন্ম কৃষি ক্ষেত্ৰতে বুলি বিজ্ঞ সমাজে মত পোষণ কৰে। মানুহ সমাজপ্ৰিয়। আদিতে মানুহে মানুহে সমাজ পাতি বাস কৰি পেটৰ তাড়নাত কৃষি কৰ্ম কৰিবলৈ ল'লে আৰু শস্য ৰোপণ, শস্য চপোৱা আদি সময়বোৰত বিভিন্ন উৎসৱ পাতিবলৈ ল'লে। এনেদৰেই হয়তো বিহুৰ জন্ম হ'ল। কুলি-কেতেকীৰ সুৰীয়া মাত অনুকৰণ কৰিয়ে হয়তো উৎপত্তি হ'ল বিহুনামৰ সুৰ। সেয়ে আদিতে বিহু উৎসৱ কৃষিভিত্তিক উৎসৱ বুলিয়ে পালন কৰা হৈছিল যিয়ে সময়ৰ সোঁতত প্ৰকৃতিক উৎসৱ হৈ পৰিছিল। এই প্ৰাকৃতিক উৎসৱ বিহু কোন সময়ত আহি অসমৰ জাতীয় উৎসৱ হ'লহি সেই কথা কোনো বিজ্ঞলোকৰ লিখনীত পোৱা নাযায়। আহোম ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহই বিহুক ৰজাঘৰীয়া মৰ্যদা প্ৰদান কৰে বুলি বুৰঞ্জীয়ে কয়। ইয়াৰ আগলৈকে বিহু আছিল পথাৰত, যুৱীয়া আঁহতৰ তলত কিম্বা নৈৰ পাৰৰ কঁহুৱানিৰ মাজত। স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰংঘৰ নিৰ্মাণ কৰি হাবিৰ বিহু ৰংঘৰৰ বাকৰিলৈ আনে আৰু তেতিয়াৰ পৰাই বিহুৰ মৰ্যদা বাঢ়ে। বিহুনামত আছে—

স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলে'
দোলীয়াই পাতিলে দোলা
কাণত জিলিকিলে নৰা জাংফাই
গাতে গোমচেঙৰ চোলা।

আগেয়ে হুচৰি ৰজাঘৰত গাই তাৰপিছত ডা-ডাঙৰীয়াৰ ঘৰত গাইছিল আৰু তাৰ পিছতহে বুঢ়া-মেথা সকলৰ ঘৰত মাৰিছিল। ডা-ডাঙৰীয়াৰ ঘৰত গোৱা বিহুনাম, যেনে—

দেউতাৰ বৰেঘৰ দেখোতে ভয়ঙ্কৰ
শৰণ খেৰে মেলি চায়,
নশ গাঁথনি মুগাৰে মহুৰা
সৰিয়হ পিছলি যায়।

দেউতাৰ বৰেঘৰ দেখোতে ভয়ঙ্কৰ
কৰতে কাটিলে ৰুৱা...।

সেইদৰে—

প্ৰথমে প্ৰণামো আই সৰস্বতী
দ্বিতীয়তে প্ৰণামো হৰি
তৃতিয়তে প্ৰণামো গাঁৱৰ বুঢ়া মেথা
ধৰি যাওঁ নামৰে গুৰি।

পৃথিৱী পৰিৱৰ্তনশীল আৰু পৰিৱৰ্তনেই প্ৰকৃতিৰ নিয়ম। সংস্কৃতি বোৰতী নৈ। সময়ৰ গতিৰ সতে সংস্কৃতিৰো ৰূপান্তৰ হয় আৰু হৈয়ো থাকিব। এসময়ত কৃষি ক্ষেত্ৰত, হাবিৰ মাজত, গছৰ তলত আত্মপ্ৰকাশ কৰি আমাৰ জাতীয় উৎসৱ বিহুটিয়েও আহোম ৰজাৰ দিনত ৰাজকীয় মৰ্যদা লাভ কৰি দেউতাৰ পদূলি পাৰ হৈ চোতাল গৰকি আহি সময়ৰ বিৱৰ্তনত চহৰৰ মঞ্চ গৰকিলেহি আৰু বৰ্তমান এই বিহুৱে টেলিভিচনৰ পৰ্দা শুৱনি কৰি শ্ৰব্য কেচেট, ভি-চি-ডি ডি-ভি-ডি আদি বাণিজ্যিক ৰূপত আত্মপ্ৰকাশ কৰিছেহি। তাহানিৰ খাটি খোৱা চহা জীৱনৰ বিহুনামবোৰত সেই সময়ৰ সমাজখনৰ এক সুন্দৰ চিত্ৰ ফুটি উঠিছিল। চহা জীৱনৰ পোৱা নোপোৱা, ডেকা-গাভৰুৰ প্ৰেম, সুখ-দুখ, বিৰহ-বেদনা আদি জনজীৱনৰ সকলো দিশকে ই সামৰি লৈছিল। কিন্তু বৰ্তমান বাণিজ্যিক গোষ্ঠীৰ কবলত পৰি বিহুৱে পূৰ্বৰ মৰ্যদা হেৰুৱাইছে। দুই-একক বাদ দি প্ৰায়বোৰ বিহুনামেই এতিয়া যৌনগন্ধী সৰ্বস্ব হৈ পৰিছে। ইয়াৰ ফলত আমাৰ উঠি অহা প্ৰজন্মই বিহু বুলিলে কেৱল ডেকা-গাভৰুৰ প্ৰেম-পীৰিতি বুলিহে ভাবিবলৈ লৈছে। মাটিৰ গোন্ধ থকা, প্ৰকৃতিৰ লগত সম্বন্ধ থকা বিহু এতিয়া বজৰুৱা হৈছে বুলি ভবাৰ থল আছে। এই ক্ষেত্ৰত এচাম ব্যৱসায়ী শিল্পীয়ে অগ্ৰণী ভূমিকা লৈছে। ঋতু অনুযায়ী পালন কৰা তিনিটা বিহুত আগেয়ে চ'ত আৰু ব'হাগতহে বিহনাম শুনিবলৈ পোৱা গৈছিল। কিন্তু এতিয়া বছৰটোৰ ছয়টা ঋতুতেই য'তে-ত'তে শুনিবলৈ পোৱা যায় যৌনগন্ধী বিহুৰ শ্ৰব্য কেছেট। ইয়াৰ ফলত বিহুৰ আকৰ্ষণীয়তা কমি যোৱাৰ লগতে সৰু-ডাঙৰৰ মাজৰ বয়স অনুযায়ী থাকিব লগা শ্ৰদ্ধাও কমি গৈছে।

আজিৰ পৰা প্ৰায় এক শতিকাৰ আগলৈকে সমাজৰ সম্ভ্ৰান্ত লোকে বিহুক ইতৰলোকৰ অশ্লীল গীত-মাত তথা অঙ্গী-ভঙ্গী বুলি ইতিকিং কৰিছিল। সেয়ে ডেকা-গাভৰুৱে সকলোৰে অলক্ষিতে লুকাই চুৰকৈ বিহু মাৰিব লাগিছিল। কিন্তু সময়ৰ পৰিক্ৰমাত বিহুৰ সম্পৰ্কত থকা এই মতান্ধতা দূৰ হ'ল আৰু সকলো শ্ৰেণীৰ লোকে ইয়াক মনে-প্ৰাণে গ্ৰহণ কৰিলে। আৰু বিহু অসমৰ জাতীয় উৎসৱ বুলি আকোঁৱালি ল'লে। কিন্তু ইতিকিং সহ্য কৰিও যিসকলে বিহুৰ লগতে বিহুনামবোৰো জীয়াই ৰাখিলে, সেই চহাসকলৰ বিহু আজি ব্যৱসায়িক গোষ্ঠীৰ কবলত যেন বন্দী হৈছেগৈ। বিহুনামত আজি মাটিৰ মাদকতা ভৰা গোন্ধ নাই, ইয়াৰ বিপৰীতে বিহুত আৰ্থিক লাভালাভৰ দিশেটোহে মূখ্য হৈ ৰৈছে। বিহুনামবোৰো বিহুগীত বা ক'ব পাৰি বিহুসুৰীয়া গীতলৈ ৰূপান্তৰ হৈছে। 'ক'ৰ চুক কেইটা আছে চিনি নোপোৱা কোনোবা অনামী শিল্পীয়ে স্বভাৱসুলভভাৱে গোৱা বিহুনামৰ মাজেৰে গ্ৰাম্য কৃষি জীৱনৰ মধুৰ চিত্ৰ অংকণ কৰি বিহুনামকো জীয়াই ৰাখিলে। প্ৰকৃতিৰ ৰং-ৰূপ আৰু মাটিৰ মাদকতা ভৰা গ্ৰাম্যজীৱনৰ পটভূমিতে সোমাই আছে বিহুৰ প্ৰকৃত চিত্ৰ। ডেকা-গাভৰুৰ বিহু নামত আছিল—

কিনো চ'ত মহীয়া ৰ'দে চৌ চৌ
পেটতো লাগিছে ভোক,
তিয়ঁহো ন'হলি চিৰালো ন'হলি
কেঁচাই খালোহেঁতেন তোক।।

তোমাৰ ছখনি আমাৰ ছখনি
ছখনি কাপাৰৰ জাপ
তোমাৰ ছখনি লোৱা বাচি বাচি

কুকুৰাই দিলেহি ডাক।।

আজি ৰাতি পলাই যাম
তোমাৰ লগত থাকি যাম
বহলকৈ পাৰিবা পাটি

আজি গধূলী নাহিবি চেনাই ঐ
পদুলিত নেপাব মোক
কালিলৈ ৰাতিকে আহিবি চেনাই ঐ
ফালি থম বেৰৰে চুক।।

এনেবোৰ ডেকা-গাভৰুৰ নামত প্ৰেম-পীৰিতি আৰু যৌনতাৰ ইঙ্গিত থাকিলেও বিহুনামবোৰৰ শব্দ এটাও অশ্লীল নহয় আৰু ভাষাৰ লালিত্যও মন কৰিবলগীয়া।

বিহু বুলিলে কেৱল বিহুনামেই নহয়। বিহুৰ স'তে অনেক লোকাচাৰো জড়িত হৈ আছে যিবোৰ জীৱন আৰু জীৱিকাৰ দ্ৰুত পৰিৱৰ্তনত বিলুপ্ত প্ৰায় হৈ আহিছে। সংস্কৃতি ৰূপান্তৰশীল। বিহু আজি মঞ্চত উঠিছেহি। ই এক শুভ লক্ষণ বুলি সমাজে গ্ৰহণ কৰিছে। মঞ্চ বিহুৰ বাবে বিহুৱে বিদেশতো সমাদৰ লাভ কৰিছে আৰু জগত সভাত এক সুকীয়া আসন লাভ কৰিছে। বিহুৰ ডি-ভি-ডি হওক, ভি-চি-ডি হওক বা শ্ৰব্য কেছেট হওক, আমি সকলোৰে গ্ৰহণ কৰিছো। কিন্তু এই ৰূপান্তৰে হেৰুৱাব নেলাগে স্বকীয়তা, হেৰুৱাব নেলাগে আত্মমৰ্যদা। বিহু এক স্বকীয় বৈশিষ্ট্যৰে মহীয়ান। শিল্পীসকলেও এই মৰ্যদা ৰক্ষা কৰিবলৈ চেষ্টা কৰিব লাগিব আৰু এইক্ষেত্ৰত আমাৰ বিহু সন্মিলনী বিলাকৰো যথেষ্ট দায়িত্ব আছে। বিহুৰ নামত চলি অহা অপসংস্কৃতি নোহোৱা কৰিবৰ বাবে সচেতন সকলো লোক ওলাই আহিব লাগিব। বিহুক আমি তেতিয়াহে অসমৰ জাতীয় উৎসৱ বুলি গৌৰৱ কৰিব পাৰিম।●

কৌতুক

১। বুঢ়া ঃ ডাক্তৰ, মোৰ ল'ৰাটোৱে অনবৰত দাঁত কামুৰি থাকে। আপুনি এটা উপায় দিয়ক।

ডাক্তৰ ঃ হ'ব, মই তাৰ দাঁতবোৰ উঘালি পেলাম।

২। যদুৱে পৰীক্ষা দি উভতি অহাৰ লগে লগে মাকে সুধিলে— যদু পৰীক্ষা কেনে হ'ল?

যদু ঃ বেয়া হৈছে মা।

মাক ঃ কিয় বেয়া হ'ল।

যদু ঃ নক'বা মা! মোৰ আগত বহা ল'ৰাজনৰ হাতৰ আখৰ একেবাৰে সৰু; কি যে লিখে ধৰিবই নোৱাৰি।

৩। মাক (দুখত) ঃ ৰাজু আমাৰ ভাগ্য খালত পৰিলে?

ৰাজু ঃ কোনটো খালত মা। দেখুৱাই দিয়ানা। বৰশী বাই তুলি আনো।

বিহু আৰু পৰিৱেশ সংৰক্ষণ

✍ ভাৰতী ভট্টাচাৰ্য

বছৰৰ বিভিন্ন ঋতুত পালন কৰা ভাৰতবৰ্ষৰ উৎসৱসমূহ প্ৰকৃতি আৰু পৰিৱেশৰ লগত ওতঃপ্ৰোতভাৱে জৰিত। আমাৰ অসমৰ পালন কৰা তিনিওটা বিহুৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। বিহু আৰু ইয়াৰ লগত জৰিত থকা বিভিন্ন নীতি-নিয়মসমূহ, নানা ধৰণৰ গছ-লতাৰ ব্যৱহাৰ আদি কৃষিজীৱী সহজ-সৰল মানুহৰ প্ৰকৃতিৰ প্ৰতি থকা কৃতজ্ঞতাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ।

প্ৰতিটো বিহুত ব্যৱহাৰ হোৱা বিভিন্ন গছ-লতা, বনৌষধ আদি কৃষিজীৱী মানুহে প্ৰকৃতিৰ বুকুৰ পৰাই আহৰণ কৰি আহিছে যুগ যুগান্তৰ ধৰি, ইয়াৰ মাজেদি গঢ় লৈ উঠিছে অসমীয়া মানুহৰ চহকী পৰম্পৰা আৰু জাতীয় চৰিত্ৰ, বিহুতেই নিহিত হৈ আছে পৰিৱেশ সংৰক্ষণৰ মূল কথা। সেয়েহে বিহুক কবিয়ে অসমীয়াৰ আয়ুস ৰেখা বুলিছে।

বিহুৱে মানুহক শিকাইছে গছ বিৰিখৰ পৰা লাভ কৰা বিভিন্ন উপকাৰ আৰু এইবোৰৰ মহৌষধি গুণ। মাঘৰ বিহুত কৰা অগ্নি পূজা, লাগনি গছত বান্ধ দিয়াৰ নিয়ম, ব'হাগৰ বিহুত দীঘলতি, মাখিয়তী, হালধি, নাহৰপাত, নিমপাত, কঠালমুচি আদিৰ ব্যৱহাৰে এই কথাকেই সূচায়। খেতিৰ নতুন শইচ, বতৰৰ বিভিন্ন শাক-পাচলিৰে সকলোৱে একেলগে মাঘৰ বিহুত উৰুকাৰ দিনা ভোজভাত খোৱা, কাতি বিহুত নদন-বদন শইচৰ কামনা কৰি উকা পথাৰত বন্তি জ্বলাই প্ৰকৃতিক আহ্বান কৰা, ব'হাগৰ বিহুত বসন্তৰ আগমনে নকৈ সজোৱা প্ৰকৃতিৰ মনোমোহা ৰূপত মুগ্ধ হৈ অসমীয়া ডেকা-গাভৰুৰ কণ্ঠৰ পৰা সাৱলীলভাৱে ওলোৱা বিহুগীতে প্ৰকৃতিৰ নিয়ম নভঙাকৈ প্ৰতিটো দিন অতিবাহিত কৰা সহজ-সৰল অসমীয়া মানুহৰ ছবি এখন দাঙি ধৰে।

ব'হাগৰ বিহুত ব্যৱহাৰ হোৱা এশ এটা শাক আমি সৰুবোৰে একেলগে গোটাওতে ল'ৰা-ছোৱালীবোৰৰ মাজত প্ৰতিযোগিতা হৈছিল কোনে কিমান বেছি সংখ্যক শাক বুটলিব পাৰে। ইয়াৰ মাজেদি আমি শিশু সুলভ আনন্দ পাইছিলো আৰু বিভিন্ন শাক-পাত আৰু ইয়াৰ গুণাগুণবোৰ জনাৰ সুবিধা পাই ছিলো। এই শাকপাতবোৰৰ গুণাগুণ আৰু উপকাৰবোৰ জনাৰ কাৰণে এতিয়াও নিজৰ অকণমান বাৰীখনতে শাকপাতৰ যত্ন লোৱাৰ লগতে বিভিন্ন ধৰণে এই সম্পদবোৰ ব্যৱহাৰ কৰাৰ প্ৰেৰণা পাও।

কালৰ বক্ৰগতিত সহজ-সৰল গাঁৱৰ ব'হাগ বিহু আহি চহৰৰ মঞ্চ পালেহি। বজাৰ সংস্কৃতি

আৰু শেহতীয়াকৈ হোৱা বিশ্বায়নৰ ঢৌৰ গৰাহত বিহুৱে হেৰুৱালে নিজস্ব বৈশিষ্ট্য। ভোগবাদী হৈ পৰা মানুহে বনাঞ্চল ধ্বংস কৰাৰ ফলত আপুৰুগীয়া গছ-লতাবোৰ সমুলঞ্চে বিলুপ্ত হ'বলৈ ধৰিছে। সেয়েহে বিহুৱেও বাৰেবৰণীয়া স্বৰূপ এৰি যেন হৈ পৰিছে ৰংচঙীয়া কাগজৰ ফুল। হাবিৰ কপৌফুলৰ ঠাইত অসমীয়া নাচনীৰ খোপত শোভা পাইছে প্লাষ্টিকৰ ফুল। সাধাৰণ ৰিহা-মেখেলা পিন্ধি আঁহতৰ তলত বিহু মৰা নাচনীৰ গাত এতিয়া হাজাৰ টকীয়া মুগাৰ সাজ; হাতত বহুজাতীয় কোম্পানীৰ দামী উপহাৰ, দুপৰ ৰাতিলৈকে বিহুৰ অনুষ্ঠান চোৱা মানুহবোৰৰ ঘৰৰ পৰা লাহে লাহে নোহোৱা হৈছে বিহুৰ নীতি-নিয়মবোৰ। ইয়াৰ ফলত উঠি অহা ল'ৰা-ছোৱালীবোৰে নজনা হৈছে বিভিন্ন প্ৰাকৃতিক বস্তুৰ ব্যৱহাৰ, নোহোৱা হৈছে প্ৰকৃতি আৰু পৰিৱেশলৈ মৰম আৰু এইবিলাক সংৰক্ষণৰ মনোভাৱ।

শেহতীয়াকৈ কিছুসংখ্যক ব্যক্তি আৰু অনুষ্ঠানে পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগ হোৱা দেখা গৈছে, ই এক শুভ লক্ষণ। অসমৰ হাবি-বননিত পোৱা বিভিন্ন উদ্ভিদ আৰু আমাৰ উৎসৱসমূহত এইবিলাকৰ ব্যৱহাৰ, এই বনজ সম্পদসমূহৰ গুণাগুণ সম্পৰ্কে আমাৰ উঠি অহা প্ৰজন্মক সজাগ কৰিব পাৰিলেহে আমি জাতি হিচাপে নিজৰ বিশিষ্টতা প্ৰতিপন্ন কৰিব পাৰিম, জীয়াই থাকিব আমাৰ বিহুকেইটি। পৰিৱেশ সংৰক্ষণৰ প্ৰতি বলিষ্ঠ আৰু অৰ্থবহ পদক্ষেপ ল'ব পাৰিলেহে আমি থাকিম আৰু আমি থাকিলেহে থাকিব আমাৰ বাপতিসাহোন বিহুকেইটা। ●

মহৎ লোকৰ বাণী

জীৱনৰ সময় বৰ কম, পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা।

— কৃষ্ণকান্ত সন্দিকৈ

নজনাটো সিমান লাজৰ কথা নহয়। শিকিবলৈ ইচ্ছা নকৰাটোহে লাজৰ কথা।

— ফ্ৰেংকলিন

বিহু আৰু পৰিৱেশ সংৰক্ষণ

✍ ভাৰতী ভট্টাচাৰ্য

বছৰৰ বিভিন্ন ঋতুত পালন কৰা ভাৰতবৰ্ষৰ উৎসৱসমূহ প্ৰকৃতি আৰু পৰিৱেশৰ লগত ওতঃপ্ৰোতভাৱে জৰিত। আমাৰ অসমৰ পালন কৰা তিনিওটা বিহুৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। বিহু আৰু ইয়াৰ লগত জৰিত থকা বিভিন্ন নীতি-নিয়মসমূহ, নানা ধৰণৰ গছ-লতাৰ ব্যৱহাৰ আদি কৃষিজীৱী সহজ-সৰল মানুহৰ প্ৰকৃতিৰ প্ৰতি থকা কৃতজ্ঞতাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ।

প্ৰতিটো বিহুত ব্যৱহাৰ হোৱা বিভিন্ন গছ-লতা, বনৌষধ আদি কৃষিজীৱী মানুহে প্ৰকৃতিৰ বুকুৰ পৰাই আহৰণ কৰি আহিছে যুগ যুগান্তৰ ধৰি, ইয়াৰ মাজেদি গঢ় লৈ উঠিছে অসমীয়া মানুহৰ চহকী পৰম্পৰা আৰু জাতীয় চৰিত্ৰ, বিহুতেই নিহিত হৈ আছে পৰিৱেশ সংৰক্ষণৰ মূল কথা। সেয়েহে বিহুক কবিয়ে অসমীয়াৰ আয়ুস ৰেখা বুলিছে।

বিহুৱে মানুহক শিকাইছে গছ বিৰিখৰ পৰা লাভ কৰা বিভিন্ন উপকাৰ আৰু এইবোৰৰ মহৌষধি গুণ। মাঘৰ বিহুত কৰা অগ্নি পূজা, লাগনি গছত বান্ধ দিয়াৰ নিয়ম, ব'হাগৰ বিহুত দীঘলতি, মাখিয়তী, হালধি, নাহৰপাত, নিমপাত, কঠালমুচি আদিৰ ব্যৱহাৰে এই কথাকেই সূচায়। খেতিৰ নতুন শইচ, বতৰৰ বিভিন্ন শাক-পাচলিৰে সকলোৱে একেলগে মাঘৰ বিহুত উৰুকাৰ দিনা ভোজভাত খোৱা, কাতি বিহুত নদন-বদন শইচৰ কামনা কৰি উকা পথাৰত বন্তি জ্বলাই প্ৰকৃতিক আহ্বান কৰা, ব'হাগৰ বিহুত বসন্তৰ আগমনে নকৈ সজোৱা প্ৰকৃতিৰ মনোমোহা ৰূপত মুগ্ধ হৈ অসমীয়া ডেকা-গাভৰুৰ কণ্ঠৰ পৰা সাৱলীলভাৱে ওলোৱা বিহুগীতে প্ৰকৃতিৰ নিয়ম নভঙাকৈ প্ৰতিটো দিন অতিবাহিত কৰা সহজ-সৰল অসমীয়া মানুহৰ ছবি এখন দাঙি ধৰে।

ব'হাগৰ বিহুত ব্যৱহাৰ হোৱা এশ এটা শাক আমি সৰুবোৰে একেলগে গোটাওতে ল'ৰা-ছোৱালীবোৰৰ মাজত প্ৰতিযোগিতা হৈছিল কোনে কিমান বেছি সংখ্যক শাক বুটলিব পাৰে। ইয়াৰ মাজেদি আমি শিশু সুলভ আনন্দ পাইছিলো আৰু বিভিন্ন শাক-পাত আৰু ইয়াৰ গুণাগুণবোৰ জনাৰ সুবিধা পাই ছিলো। এই শাকপাতবোৰৰ গুণাগুণ আৰু উপকাৰবোৰ জনাৰ কাৰণে এতিয়াও নিজৰ অকণমান বাৰীখনতে শাকপাতৰ যত্ন লোৱাৰ লগতে বিভিন্ন ধৰণে এই সম্পদবোৰ ব্যৱহাৰ কৰাৰ প্ৰেৰণা পাও।

কালৰ বক্ৰগতিত সহজ-সৰল গাঁৱৰ ব'হাগ বিহু আহি চহৰৰ মঞ্চ পালেহি। বজাৰ সংস্কৃতি

আৰু শেহতীয়াকৈ হোৱা বিশ্বায়নৰ ঢৌৰ গৰাহত বিহুৱে হেৰুৱালে নিজস্ব বৈশিষ্ট্য। ভোগবাদী হৈ পৰা মানুহে বনাঞ্চল ধ্বংস কৰাৰ ফলত আপুৰুগীয়া গছ-লতাবোৰ সমুলঞ্চে বিলুপ্ত হ'বলৈ ধৰিছে। সেয়েহে বিহুৱেও বাৰেবৰণীয়া স্বৰূপ এৰি যেন হৈ পৰিছে ৰংচঙীয়া কাগজৰ ফুল। হাবিৰ কপৌফুলৰ ঠাইত অসমীয়া নাচনীৰ খোপত শোভা পাইছে প্লাষ্টিকৰ ফুল। সাধাৰণ ৰিহা-মেখেলা পিন্ধি আঁহতৰ তলত বিহু মৰা নাচনীৰ গাত এতিয়া হাজাৰ টকীয়া মুগাৰ সাজ; হাতত বহুজাতীয় কোম্পানীৰ দামী উপহাৰ, দুপৰ ৰাতিলৈকে বিহুৰ অনুষ্ঠান চোৱা মানুহবোৰৰ ঘৰৰ পৰা লাহে লাহে নোহোৱা হৈছে বিহুৰ নীতি-নিয়মবোৰ। ইয়াৰ ফলত উঠি অহা ল'ৰা-ছোৱালীবোৰে নজনা হৈছে বিভিন্ন প্ৰাকৃতিক বস্তুৰ ব্যৱহাৰ, নোহোৱা হৈছে প্ৰকৃতি আৰু পৰিৱেশলৈ মৰম আৰু এইবিলাক সংৰক্ষণৰ মনোভাৱ।

শেহতীয়াকৈ কিছুসংখ্যক ব্যক্তি আৰু অনুষ্ঠানে পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগ হোৱা দেখা গৈছে, ই এক শুভ লক্ষণ। অসমৰ হাবি-বননিত পোৱা বিভিন্ন উদ্ভিদ আৰু আমাৰ উৎসৱসমূহত এইবিলাকৰ ব্যৱহাৰ, এই বনজ সম্পদসমূহৰ গুণাগুণ সম্পৰ্কে আমাৰ উঠি অহা প্ৰজন্মক সজাগ কৰিব পাৰিলেহে আমি জাতি হিচাপে নিজৰ বিশিষ্টতা প্ৰতিপন্ন কৰিব পাৰিম, জীয়াই থাকিব আমাৰ বিহুকেইটি। পৰিৱেশ সংৰক্ষণৰ প্ৰতি বলিষ্ঠ আৰু অৰ্থবহ পদক্ষেপ ল'ব পাৰিলেহে আমি থাকিম আৰু আমি থাকিলেহে থাকিব আমাৰ বাপতিসাহোন বিহুকেইটা। ●

মহৎ লোকৰ বাণী

জীৱনৰ সময় বৰ কম, পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা।

— কৃষ্ণকান্ত সন্দিকৈ

নজনাটো সিমান লাজৰ কথা নহয়। শিকিবলৈ ইচ্ছা নকৰাটোহে লাজৰ কথা।

— ফ্ৰেংকলিন

ভাৰতৰ অৰ্থনৈতিক উন্নয়নত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা

✍ ৰুনুমী মহন্ত বৰা

অতীত কালৰে পৰাই ভাৰতৰ অৰ্থনৈতিক ক্ষেত্ৰত কুটীৰ শিল্প আৰু ক্ষুদ্ৰ উদ্যোগসমূহে গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰি আহিছে। কুটীৰ আৰু ক্ষুদ্ৰ শিল্প শিল্পীসকলে বিভিন্ন ধৰণৰ আপুৰুগীয়া বস্তু উৎপাদন কৰি তাৰ ভিতৰত কপাহী, পচমী আৰু ৰেচমী কাপোৰ, পিতল আৰু কাঁহৰ বাচন, কাগজ আৰু কাঁচৰ বস্তু আদিয়ে আন্তৰ্জাতিক খ্যাতি লাভ কৰিছিল। সেয়ে কাশ্মিৰী শ্বাল, ৰেচম শিল্প, বেনাৰসৰ কাৰ্পেট আজিও পৃথিৱীবিখ্যাত। পৃথিৱীৰ বিভিন্ন দেশত ভাৰতৰ এই শিল্পজাত বস্তুবোৰ বৰ সমাদৰ লাভ কৰিছিল আৰু ইয়াৰ কলা-কৌশল, কাৰুকাৰ্য দেখি সকলোৰে আচৰিত হৈছিল। কিন্তু অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা, ভাৰতৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পবোৰ ধ্বংস হ'বলৈ ধৰিছে যদিও একেবাৰে বিলোপ কৰিব পৰা নাই।

কুটীৰ উদ্যোগ বুলিলে আমি সাধাৰণতে বুজিব পাৰো যে যিবোৰ শিল্পৰ দ্বাৰা আংশিক বা সম্পূৰ্ণ জীৱিকাৰ উপায় হিচাপে মানুহে কোনো যন্ত্ৰৰ সহায় নোলোৱাকৈ আৰু কম সংখ্যক শ্ৰমিকৰ দ্বাৰা পৰিচালনা কৰা হয় তাকেই কুটীৰ শিল্প বুলি কোৱা হয়। সেইদৰে যিবোৰ শিল্পৰ উৎপাদন কাৰ্য ভাড়া কৰি অনা শ্ৰমিকৰ দ্বাৰা পৰিচালিত কৰা হয় সেইবোৰকে ক্ষুদ্ৰ শিল্প বুলি আখ্যা দিয়া হয়।

কুটীৰ উদ্যোগসমূহৰ ক্ষেত্ৰত হস্তচালিত উৎপাদন কৌশলৰ প্ৰাধান্য বেছি। কুটীৰ উদ্যোগসমূহে ভাৰতৰ পৰম্পৰাগতভাৱে অতীজৰে পৰা নানা ধৰণৰ সামগ্ৰী প্ৰস্তুত কৰি আহিছে। ভাৰতৰ ৰাজহ সম্পৰ্কীয় আয়োগে কুটীৰ উদ্যোগসমূহক তিনিভাগত ভাগ কৰিছে— (ক) গ্ৰাম্যাঞ্চলৰ হ্ৰস্বকালীন কুটীৰ উদ্যোগ, (খ) গ্ৰাম্যাঞ্চলৰ দীৰ্ঘকালীন কুটীৰ উদ্যোগ আৰু (গ) পৌৰ এলেকাৰ কুটীৰ উদ্যোগ।

প্ৰথমবিধৰ কুটীৰ উদ্যোগসমূহ সাধাৰণতে গাঁৱলীয়া খেতিয়কসকলে কৰা ওপৰঞ্চি ব্যৱসায়। বিশেষকৈ ভাৰতৰ খেতিয়কসকলে বছৰৰ বেছিভাগ সময় কাম-বন নোহোৱাকৈ থাকিব লাগে। সেয়ে কুটীৰ শিল্পই খেতিয়কসকলক আংশিক বৃত্তিৰ যোগান ধৰি আৰ্থিক অৱস্থাৰ উন্নতি কৰাৰ সুবিধা কৰি দিয়ে। খেতি বাতি কৰাৰ উপৰি গাঁৱলীয়া খেতিয়কে সাধাৰণতে তাঁত বোৱা, সূতা কটা, ৰেচম শিল্প, বাঁহ-বেত আৰু কাঠৰ কাম আদি নানা ধৰণৰ খেতিৰ সঁজুলি প্ৰস্তুত কৰে।

দ্বিতীয়বিধৰ কুটীৰ উদ্যোগসমূহ গাঁৱলীয়া শিল্পী-কাৰিকৰী লোকৰ বৃত্তিস্বৰূপ। এই উদ্যোগৰ ভিতৰত কাঁহ-পিতল, মাটিৰ সামগ্ৰী, লোৰ সামগ্ৰী, তেল পেৰা, তাঁত উদ্যোগ আদিয়েই প্ৰধান।

তৃতীয়বিধ কুটীৰ উদ্যোগ নগৰত বাস কৰা শিল্পী-কাৰিকৰী লোকৰ প্ৰধান ব্যৱসায়। ইয়াৰ ভিতৰত সোণ-ৰূপৰ কাম, পুতলা তৈয়াৰ কৰা, পাটৰ কাপোৰ বোৱা, হাতী দাঁত,

কাঁহ-পিতলৰ কাম ইত্যাদি।

ভাৰতবৰ্ষ এসময়ত কুটীৰ শিল্পত বিখ্যাত আছিল। ঢাকাৰ মুচলীন কাপোৰৰ ৰপ্তানীৰ পৰিমাণেই ভাৰতীয় কুটীৰ শিল্পৰ শ্ৰেষ্ঠতা ঘোষণা কৰিছিল। ভাৰত এখন জনবহুল দেশ। গতিকে এনে ধৰণৰ দেশৰ কাৰণে অধিক শ্ৰমিক নিয়োগ কৰিব পৰা শিল্প প্ৰতিষ্ঠানৰ বিশেষ প্ৰয়োজন। কুটীৰ শিল্পই ভাৰতৰ বহু সংখ্যক লোকক কামত নিয়োগ কৰে। কুটীৰ শিল্পই ভাৰতৰ শিল্পোন্নয়ন তথা অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত বৰঙণি যোগাইছে। স্বাধীনোত্তৰ কালছোৱাত পৰিকল্পিত অৰ্থনৈতিক উন্নয়ন কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত এই কুটীৰ উদ্যোগসমূহৰ গুৰুত্ব অধিক পৰিমাণে বৃদ্ধি পাইছে।

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ ফলস্বৰূপে ভাৰতৰ লোকে বিদেশী বস্ত্ৰ বৰ্জন কৰিলে। ইয়াৰ ফলত কুটীৰ উদ্যোগ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে প্ৰস্তুত কৰা দেশীয় সামগ্ৰীসমূহৰ সমাদৰ বৃদ্ধি পালে। স্বদেশী আন্দোলনৰ সহযোগত দেশত অসংখ্য কুটীৰ উদ্যোগ আৰু ক্ষুদ্ৰ উদ্যোগৰ কেন্দ্ৰ গঢ়ি উঠিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত প্ৰাধান্য বিস্তাৰ কৰাৰ লগে লগে কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ অন্ধকাৰ যুগৰ সূচনা হয়। ইংৰাজে ভাৰতলৈ যন্ত্ৰৰ আমদানি কৰাৰ লগে লগে আমাৰ দেশত যন্ত্ৰচালিত বৃহৎ উদ্যোগসমূহ স্থাপন হ'বলৈ ধৰে। তদুপৰি বিদেশৰ পৰা আমদানি কৰা সামগ্ৰীৰে দেশ ছাটি পেলোৱাৰ ফলত কুটীৰ উদ্যোগ আৰু ক্ষুদ্ৰ উদ্যোগ নিশ্চিহ্ন হোৱাৰ উপক্ৰম হয়। তথাপি বিদেশী সামগ্ৰীৰ সৈতে ফেৰ মাৰি বৃটিছ আমোলৰ বিৰূপ ব্যৱহাৰ সহ্য কৰিও গ্ৰাম্য অঞ্চলত এই দুয়োটা উদ্যোগৰ একেবাৰে বিলোপ কৰিব পৰা নাই।

দ্বিতীয় মহাযুদ্ধই ভাৰতৰ অৰ্থনৈতিক জীৱনলৈ পৰিবৰ্তন আনিলে। বিদেশৰ পৰা ৰপ্তানিৰ পৰিমাণ কমি অহাৰ লগে লগে দেশীয় সামগ্ৰীসমূহৰ চাহিদা বৃদ্ধি পালে। ফলস্বৰূপে, কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে পৰম্পৰাগত সামগ্ৰীসমূহ প্ৰস্তুত কৰাৰ উপৰি নতুন ধৰণৰ বৈদ্যুতিক সামগ্ৰী, ৰাসায়ণিক সমাগ্ৰী আৰু ঔষধপাতি আদি প্ৰস্তুত কৰিবলৈ ধৰিলে। দ্বিতীয় মহাযুদ্ধ শেষ হোৱাৰ লগে লগে কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে প্ৰস্তুত কৰা সামগ্ৰীসমূহৰো চাহিদা কমি আহিল।

১৯৪৭ চনত ভাৰত স্বাধীন হ'ল যদিও অৰ্থনৈতিক ক্ষেত্ৰত বহুতো সংকটে দেখা দিলে। গতিকে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত বিভিন্ন উন্নয়নমূলক আঁচনিৰ ভিতৰত ভাৰতৰ জাতীয় অৰ্থনীতিৰ অবিচ্ছেদ্য কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ উন্নয়ন সাধন কৰাৰ আঁচনি হাতত লোৱা হয়। এই উদ্দেশ্যে দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত চৰকাৰে ১৯৫৫ চনত ক্ষুদ্ৰ আৰু গ্ৰামোদ্যগ সমিতি গঠন কৰি দিয়ে। এই সমিতি কাৰ্ভে কমিটি বুলি জনা যায়। কাৰ্ভে কমিটিৰ নিৰ্দেশ অনুযায়ী পৰিকল্পনাৰ আমোলত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ শিতানত খৰচ ধাৰ্য কৰে মুঠ দুশ কোটি টকা। ইয়াৰ ভিতৰত তাঁত উদ্যোগ আৰু খাদী উদ্যোগতে প্ৰায় ৬১ কোটি টকা। এই শিতানত মুঠ ২০০ কোটি টকাৰ ২৫ কোটি টকা খৰছ কৰে কেন্দ্ৰীয় চৰকাৰে আৰু ১৭৫ কোটি টকা খৰছ কৰে ৰাজ্য চৰকাৰে। এই পৰিকল্পনাৰ কালছোৱাত মুঠ খৰছ হয় ১৮৬৮ কোটি টকা।

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যবোৰৰ তুলনাত অৰ্থনৈতিক দিশত অসম বহু পিচপৰা। অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ এটা প্ৰধান কাৰণ হ'ল উদ্যোগ বিকাশৰ অভাৱ। অসমৰ নিবনুৱা সমস্যা, দাৰিদ্ৰতা আদি সমস্যাবোৰ অসমৰ উদ্যোগীকৰণৰ অভাৱৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ আছে।

অসম দেশ প্ৰাকৃতিক সম্পদত চহকী হোৱা স্বত্বেও শিল্প উদ্যোগ বিকাশৰ ক্ষেত্ৰত বহু পিচ পৰি আছে। খনিজ, বনজ, কৃষিজ সম্পদ আদি নানা প্ৰাকৃতিক সম্পদ গোটেই

অসম ভৰি আছে। এই সম্পদবোৰ বহু শিল্পত কেঁচামাল হিচাপে নিয়োজিত কৰিব পাৰি কিন্তু চাহ, পেট্ৰ'লিয়াম আৰু কিছুমান বনজ সম্পদৰ ভিত্তিত স্থাপিত হোৱা শিল্পৰ বাহিৰে আন কাৰিকৰী শিল্পৰ ক্ষেত্ৰত অসম এতিয়াও বহু পিচ পৰি আছে।

১৯৫১ চনৰ এপ্ৰিল মাহত পোন প্ৰথমবাৰৰ কাৰণে ভাৰতত পৰিকল্পিত অৰ্থনৈতিক উন্নয়ন আঁচনি কাৰ্যকৰী কৰিবলৈ আৰম্ভ কৰা হয়। পাঁচবছৰীয়া পৰিকল্পনাত অসমৰ উদ্যোগ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে প্ৰথম পাঁচবছৰীয়া পৰিকল্পনাত মাত্ৰ ১১.০৯ লাখ টকা উদ্যোগ আৰু খনিৰ শিতানত ধাৰ্য কৰা হৈছিল আৰু প্ৰকৃত ব্যয় হৈছিল মাত্ৰ ৯.৬৪ লাখ টকা।

দ্বিতীয় পৰিকল্পনাত ধাৰ্য কৰা ব্যয়ৰ পৰিমাণ আছিল ৫.১৩ লাখ। ইয়াৰ ফলস্বৰূপে অসমত উদ্যোগৰ প্ৰয়োজনীয় কেঁচা সামগ্ৰী অপৰ্যাপ্ত হৈ থকা স্বত্বেও আন অঞ্চলতকৈ বহু পিচ পৰি থাকিল।

তৃতীয় পৰিকল্পনাৰ সময়ত উদ্যোগ বিকাশৰ প্ৰতি গুৰুত্ব দিয়া হৈছিল। তৃতীয় পৰিকল্পনাৰ পিছৰ তিনিটা বছৰ প্ৰকৃত পক্ষে ভাৰতত পৰিকল্পনাবিহীন বুলিয়েই ক'ব পাৰি যদিও বছৰেকীয়া পৰিকল্পনাৰ নামত কিছুমান শিতানত কিছু অৰ্থ ব্যয় কৰা হৈছিল।

চতুৰ্থ পৰিকল্পনাত কেবাটাও উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনতো কেবাটাও উদ্যোগ স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে। গতিকে প্ৰকৃত পক্ষে চতুৰ্থ পৰিকল্পনাৰ পৰাহে অসমত বিভিন্ন উদ্যোগ স্থাপনৰ প্ৰতি মনোনিৱেশ কৰা হৈছে। অৱশ্যে আজিকালি বিজ্ঞানৰ জৰিয়তে বিভিন্ন সা-সঁজুলি যোগান ধৰাৰ ফলত বৰ্তমানৰ খেতিয়কসকলেও বাৰমহীয়া খেতি বাতি কৰিবলৈ সুবিধা পাই অৰ্থনৈতিক ক্ষেত্ৰত লাভবান হোৱা পৰিলক্ষিত হৈছে। ●

মহৎ লোকৰ বাণী

- মই ভাবোতে চাৰিটা কথাই জীৱনটো যোগ্য কৰি তুলিব পাৰে। সেয়া হ'ল— ভাল পাওঁক, আশা ৰাখক, সহায় কৰক আৰু হাঁহক।
  — চাৰ ৱাল্টাৰ স্কট।
- যেতিয়া সকলোৱে একেদৰেই ভাবিবলৈ লয় তেতিয়াই বুজিব লাগিব যে কোনো এজনেই বৰ বেছি একো ভবা নাই।
  — ৱাল্টাৰ লিপমেন

কবিতাৰ শিতান

জ্যোতিস্নাতা

✍ কাকলি বৰদলৈ পাঠক

আন্ধাৰৰ সতে এয়া
শেষ সংগ্ৰাম!
আগুৱাই গৈ ভৰি দিম
জোনাকী বাটত
মোক আদৰিব
আলোকময়ী গানে
ৰন্ধ্ৰে ৰন্ধ্ৰে জাগিব মোৰ
বিজয়ী শিহৰণ, আৰু
তেতিয়া হয়তো তুমিও গাবা
মোৰ জয়ৰ গুণ-গান।
আন্ধাৰৰ সতে এয়া
শেষ সংগ্ৰাম।
নাই পৰা ভাগৰি
গ'লেও কাষৰ পৰা
সকলো আঁতৰি
শক্তি ৰূপিনী মনে মোক
আছে যে ধৰি,
আন্ধাৰৰ কাল যৱনিকা পৰিব
সকলোৱে এদিন
মোক জ্যোতিস্নাতা বুলিব। ❍

ৰঙালিৰ পান

✍ মঞ্জুলা কাকতি

বৰ ঘৰৰ মজিয়াত কি গোজ পুতিলা
গোটেই গজালি হ'ল।
নপতা ফুকন ফুকন হ'ল যেতিয়া
দেশ ৰসাতলে গ'ল।
অচিনা কাঠৰে থোৰা নলগাবা
মজিয়াত নিদিবা ঠাই
ৰঘুমলাহে আগুৰি ধৰিব
সমাজৰ গাতে বগাই।
ৰাইজৰ পুখুৰিত শিলটো উপঙিব
লাওটো তললৈ যাব
কেনেকুৱা দিনবোৰ কি হৈ আহিল
দেশ ৰসাতলে গ'ল।
পশ্চিমীয়া সংস্কৃতিৰে পেৰাটো ভৰালো
নিজৰবোৰ পাহৰি গ'লো।
বিহুৰে বতৰত গামোছা কান্ধতলৈ
গপতে গঙ্গাটোপ হ'লো।
মিঠা মাত মাতি বুকুত সোমাই
ভিতৰি শালিব শেল
এডেও দুডেও কৰি সকলো লুটিব
পাছতহে বুজিবা খেল।
কেকুৰা খোলাদি খুলি খুলি যাব
তেজপিয়া জোকৰ দল
ৰঙালি বিহুৰ ৰঙৰে মাজতে
কথাটো ভাবিবৰ হ'ল। ❍

ব'হাগ

✍ পাৰুল বৰুৱা

ফাগুণৰ সৰাপাতত
ঠিকনা বিচাৰি
বাটকুৰি বালো,
বগৰী ফুল গোন্ধোৱা ৰাতিটোৱে
বাঁহীটোত ফু দি থাকিল!
কাণি দুৱৰী হৈ
বিহুগীত এটাই
ভাকুট কুটালেহি,
নাহৰৰ সাজ পিন্ধা বতাহৰ
আঁচলত ধৰি
কেতিয়ানো আহিলো ওলাই!
সেউজীয়া নদীখন
সোমাই আহিল
মোৰ ভিতৰলৈ
আই মোৰ ডিঙি কুটেকুটায়.... ।। ◉

যন্ত্ৰণা

✍ ৰাজীৱ হাজৰিকা

মেলিদিলো মোৰ পালতৰা নাও
নদীৰ বুকুত উজনি মুৱাকৈ,
মতলীয়া বতাহে ক'পালে চৈ
চৈৰ তলত বহি
ভাবিলো কত শত স্মৃতি বুকুত লৈ
কত জাতি-উপজাতিৰ সৃষ্টি আৰু কৃষ্টিৰ সংস্কৃষ্টি
নদীওযে আছে পশ্চিমলৈ বৈ।
আকাশ আছিল ফৰকাল
হঠাৎ দেখো পশ্চিম আকাশত
কলীয়া ডাৱৰৰ চকামকা
কোবাল গতিত বয় পুৱৰ ফালে
লাগিল ভয়, তেতিয়াও যে মোৰ পালতৰা নাও
নদীৰ বিশাল বুকুত!
ধুমুহাৰ কোব লাগিল পালতৰা নাৱত
অস্থিৰ গতি, সলাই সঘনে তাৰ দিশ
আৰ্তনাদত ছটফটায় গুৰিয়াল,
বতাহৰ কোবে দিলে হেৰুৱাই তাৰ পশ্চাদগমন
নাই তাৰ বিন্দু পাৰিবনে স্পৰ্শ কৰিব সিন্ধু?
কোবাল ধুমুহাই দিলে বুকু বিদাৰি মোৰ পাল
পালেও নাজানে যে ধুমুহাৰ গতি
জানে মাথো তাৰ ৰছিয়েহে সাক্ষী
ৰক্ষা কৰা দয়াময় কৰুণা নিধি
তুমিয়েই হেনো কৰিছিলা সৃষ্টি
মানৱ দানৱৰ বিধি
জয় মানৱ জাতি
সৃষ্টিত অধোগতি
স্বাৰ্থ আগত
জাতিৰ চিন্তা পিছত। ◉

বিষাদ

✍ পলাশ বৰুৱা

হিয়াৰ মাজতে সাঁচিছিলো যতনে,
ক'তনো হেৰালি তই!
মৰমৰ বান্ধোন ছিঙি,
উকা মন, উকা বুকু কৰি
কোননো পাকত হ'লি এৰা এৰি;
সুখ-দুখৰ ভটিয়াই বৰনৈ....!
এন্ধাৰ নিশাৰ কত কথা;
ৰেলিঙৰ কাষতে পৰি ৰ'ল।
আধাখোৱা গিলাচত
ক'তযে বেদনা আধাই গিলা হ'ল।
সোঁৰে বাওঁৰে, আগে-পিছে
ক'তনো আছ তই নীৰৱে,
আহ! অলপ ধোঁৱা খাও ব'ল।
পদূলিৰ মুখৰ খৰিকাজাঁই
তই আহিবি আবেলিৰ মলয়াত
শৈশৱৰ সুবাস নিতে জুৰাই,
পুঁৱতিৰ চাঁৱনিৰে ভুমুকি মাৰি,
মেঘ হৈ সৰিবিচোন প্ৰথম বাৰিষাত.....
চিপ চিপ বৰষুণ, সৰল-উদাৰ চিত্ তোৰ,
কৃত্ৰিমতাৰে মলিয়ন, নিবি মোক ধুৱাই। ●

ছবি

✍ বনজিৎ দাস

তিনিমহলীয়া ফ্লেটৰ পৰা
ছিৰিৰে নামি আহিছিলো
উলাহে আকুল কৰা এটি নিপোটল মন
ফ্লেটৰ নাতিদূৰৰ পৰা ভাহি অহা
পেঁপাৰ মাত বিহুগীত...
তাহানিৰ জোনাক জোনাক লগা
বাসন্তী যৌৱনৰ গোন্ধেৰে মেদুৰ
ব্যোৎস্নাজনী
নৈৰ পাৰৰ আঁহতজোপা
কঁকাল ভাঙি ভাঙি নাচো আহা
হঠাতে বুকুৰ মাজত
এইবোৰ ব্যঞ্জনাই আঁকি যায়
সাতামপুৰুষীয়া শিল্প-সংস্কৃতিৰ হাতীপটি
অথচ যেন সন্মুখতে নিয়ন লাইটৰ পোহৰত উদ্ভাসিত
কৃত্ৰিম নৈ আঁহত গছ
আৰু মঞ্চত লাৱনি হাতৰ নৃত্যৰতা বিহুৱতীজাক
ৰাতি ভালেখিনি হ'ল
এতিয়া যাও ব'লা
নীপাৰ মাক
কেনে লাগিল
ওৰে ৰাতি
দুখন ছবি মোৰ বুকুৰ মাজত
প্ৰাচীন আৰু অৰ্বাচীন
পৰম্পৰা সুষম সন্তুলিত পৰিবৰ্তনৰ!
হে উত্তৰ পুৰুষ সকল
এই ছবি দুখন
তোমালোকৰ হাতেতেই
তোমালোকৰ। ●

ব'হাগ তোমাক নিমন্ত্ৰণ

✍ বিজয়া বৰা

কজলা মেঘ ভাঙি
গুণ গুণ গান হৈ
নামি আহিল প্ৰেমৰ বন্যা
পৰশ পাই বনে ফুলে ৰূপে ৰসে
ভৰুণ হৈ উঠিল হৃদয়ৰ তাপিত বসুন্ধৰা
সেয়ে নিমন্ত্ৰণ তোমাক।
দুখৰ চোতাল গচকি
এবাৰ আহানা
ব'হাগৰ সেউজীয়াৰে সজোৱা
বুকুৰ ভিতৰৰ হেঁপাহৰ পজাঁলৈ
তুমি আহিলে
জেতুকাবুলীয়া আবেগৰ
বৰহমঠুৰিৰে ৰাঙলী হোৱা
অনুভূতিৰ দলিচাত
সিঁচি দিম সুগন্ধি সপোন
শীতল সুবাসে
কলিজাৰ কোঁহে কোঁহে
সানি দিব গুটিমালি খৰিকাজাইৰ
নান্দনিক প্ৰেম
তুমি আহিবাই।
নাহৰৰ গোন্ধে আমোল মোল
বাখৰুৱা মোৰ পদূলিত
জাক জাক জোনাকী পৰুৱাৰ
মিছিল ফালি
সুন্দৰৰ সন্ধানত বাট বুলিম
আৰু
এই বসন্ত কোমল ক্ষণতে
জীৱনৰ মাধুৰী বিচাৰি
মানবীয় অনুকম্পাৰে
আনৰ দুখত দুখী, সুখত সুখী হোৱাৰ
সংকল্প লম। ◉

বেদনা

✍ মনিষা বনিক্য

মনতে ভাবি থৈছিলো সপোন
উলাহৰ মাজেৰে কৰিছিলো আপোন।
নিয়ৰ পৰা দুৱৰি বন
সাঁচতীয়া ফুলৰ গামোচা।
বাগিছাৰ ফুলৰ থোপা
তুমি দিয়া মৰম
সকলো ৰাখিছিলো সাঁচি।
সাগৰৰ ঢৌৰ সোঁতে
বৰদৈচিলাৰ মেঘালী চুলিয়ে
বতাহ-ধুমুহাৰ জিলিকনিয়ে
নিয়ে মোৰ হৃদয়ৰ পৰা আঁতৰাই
সুমুৱাই বেদনা হৈ।
নিৰ্জন ঠাইৰ জাক জাক
কিন কিনিয়া বৰষুণৰ টোপাল
প্ৰকৃতিৰ লীলা ভূমি।
বেদনাৰ মাজেৰে দিলে উটুৱাই
মোৰ মনৰ মাজত
ভগ্ন হৃদয়ৰ বেদনা ৰূপে। ◉

উতলা হিয়া

✍ মামনি দাস

চ'তৰ শেষত ব'হাগ আহিল
তুলাৰ দৰে মন মোৰ উৰিল
বৰদৈচিলা হৈ, মন মোৰ উতলা হৈ
চেনাইকে কাষতে পাবলৈ মন
কোননো সেয়া চেনাইধন একোকে নুবুজে
মানসীৰ হাঁহি ভৰা মন
মুগা-ৰিহা মেখেলাখনি গাতে মেৰিয়াই
ধুনীয়া ৰূপহীজনী হৈ
মানসীক চোন লগ কৰিবলৈ
বিৰহৰ বেদনা কোনেনে বুজিব
যিজনে মৰমেৰে আকোৱালী ল'ব
সেইজনে মৰম বুজিব
নদীৰ ঘাটত চেনাই আছে বৈ। ☯

তোমাৰ মৰমিয়াল হাঁহি

✍ নয়ন

তুলনা নাই তোমাৰ দুচকুৰ চাঁৱনিৰ
মিঠা তোমাৰ হাঁহিত মন মোহে মোৰ......
এনে লাগে মোৰ মৰুভূমিত বৰষাৰ বৃষ্টি যেন
ৰঙা গোলাপৰ পাঁহিৰ দৰে ওঁঠ দুটি তোমাৰ
প্ৰেমৰ সাগৰত ডুবাই মোক নিয়ে বাৰে বাৰে
ৰওঁ মই ৰাতি উজাগৰে তোমাৰ কথা সুঁৱৰি
নাজানো কি যাদু কৰিলা, 'মোৰ প্ৰতি।' ☯

স্তব্ধ

✍ দ্বীজেন গগৈ

চৌপাশে নীৰৱ নিস্তব্ধ
যেন আকাশৰ দানৱসদৃশ
ক'লা ডাৱৰ, একেচাতে আজি পৃথিৱীৰ বুকুত
চাৰিওফালে মাথো মাথো ক'লা ডাৱৰ
ক'লা বাৰুদৰ ধোঁৱাই যেন
ব্যস্ত চহৰৰ ধুলিক খেদি ফুৰিছে।
খন্তেক নীৰৱতা ভাঙি
ক'ৰবাত যেন আৰ্তনাদ শুনা গ'ল
লগে লগে শুনা গ'ল
সমবেত আৰ্তনাদ মাথো আৰ্তনাদ
চাৰিওফালে মাথো কান্দোন আৰু কান্দোন
ক'ৰবাত শিশুৰ কান্দোন
মাকৰ বুকুৰ তেজত লুতুৰি পুতুৰি
কাৰো চোৱাৰ নাই সময়
নাই থল খোজ দিয়াৰ
পদে পদে তেজ, আৰু কেঁছা মঙহ
হয়তো কাৰোবাৰ হাত কাৰোবাৰ ভৰি
আৰু হয়তো কাৰোবাৰ পেটৰ নাড়িভুৰি
বাৰে বাৰে উজুতি খাও
মোৰ চিন্ন নিঠৰ শৰীৰৰ ওপৰত
কি যে বৰ্বৰ প্ৰতিচ্ছবি এইয়া
সন্ত্ৰাসক দিয়ে খেলা
নিৰিহ লোকৰ তেজৰ ফাকু
আজি পুৰাপুৰি দুবছৰ পাৰ হ'ল
এতিয়াও যেন শুনা যায় আৰ্তনাদ
সেই গণেশগুৰি ফ্লাইঅভাৰৰ তলত
এই অৰ্তনাদ নুশুনিবৰ বাবে কাণত
কোনে আঙুলি দিব
হাত দুখন মোৰ জানো আছে
হাত যে মোৰ সেই ক'লা দানৱে
নিমিখতে লৈ গ'ল। ☯

মানৱ সেৱা

✍ কামেশ্বৰ হাজৰিকা

জীৱন যুদ্ধত যদি হয় পৰাজয়
কিদাচিতো নকৰিবা মনত সংশয়;
সকলোবোৰ ভগবানতে হয় লয়
নিশ্চয় জানিবা ইটি কথা, হে মহাশয়।
কৰ্মতেহে আছে অধিকাৰ তোমাৰ
গৌৰৱৰ থল নাই কোনো অহংকাৰ;
সৎকৰ্মই সৌন্দৰ্য বঢ়ায় মানৱ জীৱনৰ
প্ৰকৃত মানৱ সেৱাত সৃষ্টি হয় গুণৰ আঁকৰ।
তাতেহে মানৱত্বৰ স্বৰূপ প্ৰকাশ পায়
আনন্দৰ শিহৰণ উঠে অন্তৰত সদায়।
স্বৰ্গৰ নন্দন কাননত স্থিতি ল'বগৈ পৰাণ
জীৱন ধৰাৰ সাৰ্থকতা অমৃত সমান।
মানৱ সেৱা কৰিলে হয় নৈতিক সৱল
কৰ্মকেন্দ্ৰীক ইন্দ্ৰিয় কেতিয়াও নহয় দুৰ্বল।
মানৱ সেৱাই গঢ়ি তোলে স্বৰ্গৰ ইন্দ্ৰৰ ফুলনি
মানৱ সেৱাই আনি দিয়ে মনৰ শান্তিৰ জুৰণি।
মানৱৰ প্ৰতি সদায় কৰিবা শ্ৰদ্ধা
সংসাৰৰ পৰা তুমি চিৰমুক্তি লভিবা। ❁

ব'হাগ এক আকুলতা

✍ হিৰণ্য কুমাৰ ভট্টাচাৰ্য



প্ৰগলভা পৃথিৱীত ব'হাগৰ বৰষুণ
খিৰিকী মুখত কেতেকীৰ হাঁহি
মনলৈ আহিল সংগোপনে
অব্যক্ত অভিসাৰ।
সৃষ্টিৰ বাসনাই দি যায়
কলিটি ফুলাই তোলাৰ আকুলতা
ঢৌ খেলা চঞ্চল যৌৱনে
জীৱন্ত নদীৰ প্ৰাঞ্জল গতি।
সিঁচি যাব বুটলিব
অফুৰন্ত আদৰ
বিমুৰ্ত নিশাৰ পলে পলে। ❁

গল্প

বন্ধন

✍ চন্দ্ৰধৰ কলিতা

পুৱা শুই উঠিয়ে হৰিমতীয়ে ৰঘু মাষ্টৰৰ লগুৱা ল'ৰাটোক লৈ পো নাতি হালক ছৈদিয়া গৰুৰ গাড়ীত একেবাৰে ফেৰী ঘাটত থৈ আহিলগৈ। নদীৰ সিপাৰৰ পৰাই বেচৰকাৰী বাছত যাবগৈ। হওঁতে বেছি দূৰ বাট নহয়; বেলি পাতত বহে মানে নগৰ পাবগৈ। তথাপি তাইৰ এটা চিন্তা দিন-কাল বেয়া, ক'বতো নোৱাৰি কেতিয়া কি ঘটে? অৱশ্যে সিহঁতহাল যাবকে খোজা নাছিল। তাই জোৰ কৰিয়ে পঠালে। হাজাৰ হওক বছৰেকৰ বিহুটি আহিছে। তাই আইতাকটো হৈ থাকিব পৰা নাই, তাতে মাক-বাপেকহাল কেনেকৈ থাকিব? মানুহে কি ভাবিব? কথাবোৰ ভাবি ভাবি ওৰে বাটটো হৰিমতীয়ে চকুৰ পানীৰে বাট নেদেখা হৈ আহিছিল। কিবা এক অদ্ভুত স্নেহ বান্ধোনে তাইক যেন খুলি খুলি খাইছে। সদা অভ্যস্ত গৰু হালে কোনো নিৰ্দেশনা নোহোৱাকৈ নিজ বাটে আগ বাঢ়িছিল। ৰঘু মাষ্টৰৰ লগুৱা আৰু হৰিমতীৰ দুয়োৰে মাজত কোনো কথা-বতৰা নাই, পাতলীয়াভাৱে মানুহ অহা-যোৱা কৰি থকা কেঁচা ৰাস্তাটোৰে কোন ক'ত আহিছে, কোন ক'ত গৈছে সেয়া হৰিমতীয়ে মন দিয়া নাই। মাথো ফেৰীঘাটলৈ চাইছে চকুৰে মনিব পৰালৈকে। চৌপাশৰ পৃথিৱীখনৰ কোনো শব্দই, কোনো দৃশ্যই তাইক স্পৰ্শ কৰিব পৰা নাই। সাত নাই পাঁচ নাই একেটি পোৰ একেজনী বোৱাৰী; তাকো হৰিমতী থাকে গাঁৱত, পো-বোৱাৰী থাকে নগৰত। কথাষাৰ ভাবিলেই হৰিমতীৰ গাটো কিবা বিচাই ডকাদি ডাকে।

..... অকালতে বিধৱা সাজ পিন্ধা হৰিমতীয়ে বাপেকৰ অবৰ্তমান জীৱনৰ প্ৰায় পঞ্চাশ বছৰে একমাত্ৰ ল'ৰা মদনৰ সুখ-দুখ, চিন্তা-ভাবনাৰ লগতে নিজকে বিলীন কৰি দিছিল। তাৰ কল্যাণৰ অৰ্থে উচৰ্গা কৰিছিল জীৱনৰ প্ৰতিটো পল। বিনিময়ত তাই কি পালে? সকলো শূন্য। হৰিমতীক এৰি গুচি গ'ল। কাকো তাই বাধা নিদিলে, কাৰো প্ৰতি খং-অভিযোগ নানিলে। ইমানেই অকপট, নিঃস্বাৰ্থ তাইৰ পুত্ৰ প্ৰেম। অথচ এইজনী হৰিমতীৰ বিয়াৰ দহ বছৰ পিছতো সন্তানহীনা হৈ থকাৰ বাবে আত্মীয়-কুটুম্ব সকলোৱে গিৰিয়েকক দ্বিতীয় বিবাহৰ বাবে উঠিপৰি লাগিছিল। ওচৰ-চুবুৰীয়া ছোৱালী-তিৰোতাবোৰে এক কৌতূহলী দৃষ্টিৰে হৰিমতীক চাবলৈ আৰম্ভ কৰিছিল। সিহঁতৰ আজৰি পৰৰ মেলৰ বিষয় আছিল হৰিমতী। গিৰিয়েকতকৈ তাৰ আত্মীয়-স্বজনে এই লৈ বেছি ব্যগ্ৰ আছিল। বাটে-ঘাটে, হাতে-বজাৰে, দিনে-ৰাতিয়ে গিৰিয়েকক মন্ত্ৰণা দিছিল- "কাঠবাজী তিৰোতাজনীৰ লগত ঘৰ কৰি কি হ'ব? মৰাৰ সময়ত মুখত পানী এটোপা দিবলৈ সন্তান এটা লাগে, গতিকে বয়স বৈ নাথাকে। সোনকালে নতুনকৈ এজনী চপাই ল।" এইবোৰ শুনি শুনি নীৰৱে চকু পানী মচিছিল তাই। প্ৰতিবাদ কৰি কিবা কোৱাৰ সাহসো নাছিল তাইৰ। মাথোঁ মঠ-মন্দিৰৰ, সত্ৰ-নামঘৰৰ দুৱাৰে দুৱাৰে মূৰ দোঁৱাই নানা ব্ৰত পালনেৰে দেহাটোক কষ্ট দিছিল।

এদিন ঈশ্বৰে যেন হৰিমতীৰ কাতৰ বিননি শুনিলে। তাইৰ প্ৰতি কৰা অৱজ্ঞা দূৰ কৰাৰ সময় আহিছিল। দীৰ্ঘ দহ বছৰৰ পিছত হৰিমতীৰ শৰীৰ সৃষ্টিৰ সম্ভাৱনাৰে ভৰি পৰিছিল। এনেকৈয়ে এদিন মদনৰ জন্ম হ'ল। সিদিনা আনন্দৰ

সীমা নাছিল। মাতৃত্বৰ গৰ্ব্বেৰে গোটেইজনী ফুলি উঠিছিল। কিন্তু ঈশ্বৰে সহ্য নকৰিলে, এটা দি আনটো কাঢ়ি নিলে। মদনৰ জন্মৰ ছমাহ পিছতে গিৰিয়েক কিবা অচিন বেমাৰত চকু মুদিলে। সিদিনা তাই কান্দিছিল পৃথিৱী কঁপাই। তেতিয়াও বহুতে বহু কথাই কৈছিল- "কিনো ল'ৰা আহিল এইটো; জন্মিয়েই বাপেকৰ মূৰটো খালে।"

সময় আগবাঢ়িল নিজস্ব গতিত। এদিন মদন ডাঙৰ হ'ল। মেট্ৰিক পৰীক্ষা পাছ কৰি নগৰত পঢ়িবলৈ গ'ল। বি. এ. পাছ কৰি উঠিয়েই চাকৰিটো পালে ক'তো কোনো ভেটি নিদিয়াকৈ। বন্ধ পালেই ঘৰলৈ আহে, দৰমহাৰ টকাৰে দুবছৰতে ঘৰৰ চৌহদ সলনি কৰি পেলালে। বাপেকে সজা ঘৰটো হৰিমতীয়ে ভাঙিব নিদিলে। গিৰিয়েকৰ স্মৃতিতে ৰাখিলে। ..... আৰু বহুত কিবাকিবি। হঠাৎ এদিন দুপৰ নিশা হৰিমতীক জগাই মদনে কথা এটা ক'লে- "মা আমাৰ এতিয়া কৰিবলগীয়া একো নাই; সকলোখিনি হৈয়ে গ'ল। সেয়ে ভাবিছো এইবাৰ বিয়াখনকে পাতো নেকি?" তাই আনন্দত নাচি উঠিল- "বৰ ভাল কথা, ময়ো তোৰ স'তে এইটো কথাকে পাতিম বুলি ভাবি আছো, ভালেই হ'ব, মই কালিয়েই ছোৱালী চাবলৈ ওলাম।" তেতিয়া মদনে সেমেনা-সেমেনিকৈ ক'লে- "মা ছোৱালী চাব নালাগে, নগৰত চাই থোৱাই আছে, মোক যে চাকৰিটো দিছিল তেওঁৰে ছোৱালী। দেখাই-শুনাই ভাল, মাথোঁ পঢ়া-শুনা বেছি নকৰিলে।" মদনৰ কথাত হৰিমতীয়ে কি ক'ব নক'বকৈ ক'লে- "শুনিছো, চহৰৰ ছোৱালীবোৰে গুৰু-গোসাঁই একো নামানে; আমি গাঁৱৰ মানুহ গাঁৱৰে এজনী চপাই ল'লেই ভাল আছিল নেকি? বাওনা হৈ চন্দ্ৰলৈ হাত মেলি বিপদত পৰা যদি!" মদনে মাকৰ মুখৰ কথাষাৰ কাঢ়ি ক'লে- "চহৰৰ ছোৱালী সকলো বেয়া নহয় মা। এইটো আমাৰ ভুল ধাৰণা আৰু তাতোকৈ ডাঙৰ কথা বাপেকৰ লগতে ছোৱালীকো কথা দিছো বিয়া পাতিলে তাইকে পাতিম বুলি।" তেতিয়া হৰিমতীৰ ক'বলগীয়া একোৱেই নাছিল। বাপেকটো সি চিনি নোপোৱাতে মৰিল, তাই মাকজনী থাকোঁতে এবাৰলৈ নুসুধিলে। সি নিজেই সকলো ঠিক কৰিলে। সেই দিনা নিশা হৰিমতী শুব নোৱাৰিলে; হতাশাত গোটেই নিশাটো ছটফটাই থাকিলে। পিছদিনা পুৱা তাই নিজেই মদনক ক'লে- "তোৰ ভালেই মোৰো ভাল, মোৰ ক'বলগীয়া একো নাই, আজিয়েই ছোৱালীৰ বাপেকক ক'বি ভাল দিন-বাৰ চাই বিয়াখন ঠিক কৰিব লাগে।"

অলপ দিনৰ ভিতৰতে হৰিমতীয়ে নমিতাৰ লগত মদনৰ বিয়াখন পাতিলে, তাই নিজেই লগুন গাঁঠি দিলে, দীঘলকৈ ওৰণি টানি ন কইনা আদৰি আনিলে পদূলিৰ পৰা। এখন নতুন সংসাৰ আৰম্ভ হ'ল; ইমান দিনে নিমাও-মাও হৈ থকা ঘৰখন পুনৰ ঠন ধৰি উঠিল। সুখ-দুখৰ কথা পাতিবলৈ বোৱাৰী নমিতাই হৰিমতীৰ লগৰী হ'ল। কিবা এক নতুন আশাৰে হৰিমতী উন্মুখ হৈ ৰ'ল। নমিতা অচিৰেই মাতৃ হ'ব। এই উদং ঘৰখনত কেঁচুৱাৰ হাঁহি-কান্দোনে ৰোল তুলিব। থুনুক্-থানাক্ মাতেৰে তাইক আইতা আইতা বুলি মাতিব।

দিন নাযায়, ৰাতি নুপুৱায়। প্ৰতিদিনেই হৰিমতীয়ে আশা কৰে বোৱাৰীয়েক নমিতা আহিব তাইৰ ওচৰলৈ। লাজ লাজকৈ ক'ব- "মা এইবাৰ দেখোন মোৰ গা ধোৱা নহ'ল, গাটো বেয়া লাগে, কিবা খালেই বমি আহিব খোজে।" হৰিমতীয়ে প্ৰায়ে নমিতালৈ মনোযোগেৰে চায় কিবা পৰিৱৰ্তন আহিছে নেকি? ভাষাময় হৈছে নেকি? বহু অপেক্ষাৰ অন্ত পেলাই নমিতা আহিল তাইৰ ওচৰলৈ। কিন্তু কোনো শুভবাৰ্তা লৈ নহয়, এটা দুসংবাদ লৈ। আহিয়েই কোনো কথাৰ অৱতাৰণা নকৰাকৈ ক'লে- "মা মই আৰু এই গেলা গাঁৱত

বোকা-পানী খচি নাথাকো। শনিবাৰে আপোনাৰ ল'ৰা আহিব, ৰবিবাৰে আমি যামগৈ। আপোনাৰ কিবা ক'বলগীয়া আছে নেকি?" হৰিমতী নিৰ্বাক-নিষ্পন্দ, নিঃসহায় অনুভৱ কৰিলে। শেষত লাহেকৈ ক'লে- "মোৰনো ক'বলৈ কি থাকিব? তুমিতো কোৱাখিনি ক'লাই, যাবলৈহে বাকী"।

নমিতাই কোৱাৰ দৰে মদন সঁচাকৈয়ে শনিবাৰেই আহিল। চাহটোপা খালেনে নাই হাতত চুঙা চাকিতো লৈ বাহিৰ ওলাল। পিছত তাই জানিলে মালপত্ৰবোৰ ফেৰী ঘাটত নিবলৈ গৰু গাড়ী ঠিক কৰি আহিল। ৰাতিতো মদনে মাকৰ লগত একো কথা নাপাতিলে। কিবা একুৰা জুয়ে তাইক গোটেই নিশাতো পুৰি মাৰিলে।

পিছদিনা ৰাতিপুৱা যোৱাৰ সময়ত মদনে নীৰৱে হৰিমতীক সেৱা এটা জনালে। নিমিষতে হৰিমতীৰ ওঁঠ দুটা কঁপি উঠিল। ফুটি নোলাল এটা শব্দও। সিহঁত হাল আগে আগে, তাই পিছে পিছে কাৰো লগত কোনেও কথা পতা নাই। যি বাটেৰে তাই এদিন নমিতাক বোৱাৰী কৰি আনিছিল— সেই যাত্ৰাত আছিল ঢোল, পেঁপাৰ বাজনা, আয়তীৰ বিয়ানাম আৰু জাউৰিয়ে জাউৰিয়ে দিয়া উৰুলি ধ্বনি। কিন্তু আজি নিমাত-নিতাল। হৰিমতীয়ে চাৰিওফালে কিবা ধূসৰ দেখিলে। শূন্য বৃন্দাবনত তাই যেন দিশহাৰা। অকলশৰীয়া ।

সময় আগবাঢ়িল। সিহঁত যাবৰ আজি এবছৰে হ'ল, কোনো খবৰ নাই, মধু ডাকোৱালক সদায়ে সোধে চিঠি আহিছে নেকি? দূৰৈত ডেকা ল'ৰা দেখিলেই তাই ৰ লাগি চায় সেয়া মদন নহয়নে? নিশা পৰে পৰে পাৰই ৰুণ দিলেই সাৰ পায় জানোচা মদন আহিছেই। দিনে দিনে পৰি আহিছে। এবেলা ৰান্ধি দুবেলা খায়। বাৰীৰ ফল-মূল পকী সৰি যায়, খাওঁতা নাই। এনেতে এদিন সাজ লাগি ভাঙিছে, হঠাৎ মধু ডাকোৱালে মাত লগালে- খুৰী, অ' খুৰী তুমি শুলাই নেকি? খোলাচোন খোলা। দুৱাৰখন খোলা, কোনোমতে হৰিমতীয়ে দুৱাৰ খুলি বহিবলৈ দি ক'লে- "তয়ো ভাল মতাটো দে! কিবা ভূতে পোৱা মানুহৰ দৰে চিঞৰ-বাখৰ লগাইছ যে"। মধুৱে ক'লে— "মই চিঞৰ-বাখৰহে কৰিছো তুমি শুনিলে নাচিবা এতিয়া"। মই যোৱা কালিয়ে নগৰলৈ গৈছিলো- তাতে মদনক পালো, বোৱাৰীৰ এহাল ল'ৰা হৈছে, যঁজা ল'ৰা। সাইলাখ ৰাম-লক্ষ্মণ, পূৰ্ণিমাৰ জোনটোৰ দৰে গোল মুখৰ।" হৰিমতীয়ে আনন্দ-বিষাদ একোকে প্ৰকাশ নকৰিলে। মাথোঁ মনতে নিজকে প্ৰশ্ন কৰিলে- কি অপৰাধ কৰিছো মই সিহঁত হালৰ? য'ত নেকি বাপেক হৈও খবৰ এটা নিদিলে। নমিতাৰ কথা বাদ দিলো হাজাৰ হ'লেও তাই পৰৰ জী, কিন্তু সিতো মোৰ পেটৰ পো! শিল হৈ যোৱা চকুপানীবোৰে সিদিনা হঠাৎ গলি গলি দুগাল তিয়াই দিলে তাই ক'ব নোৱাৰাকৈ? লাহে লাহে হৰিমতীৰ কান্দোনৰ ৰোলে নিশাৰ নীৰৱতা ভাঙি আকাশ-বতাহ কঁপাই তুলিলে।যেন শাওণৰ বাধাহীন এজাক বৰষুণ। মধু ডাকোৱালে একো নামাতিলে। মাথোঁ ভাবিলে খুৰীটিয়ে যিমান পাৰে কান্দক, কান্দিলে দীৰ্ঘ দিনৰ পঞ্জীভূত হৈ থকা মনৰ দুখৰ বোজা কিছু হ'লেও পাতলিব। সি লাহেকৈ তাৰ পৰা আঁতৰি গ'ল। সেই দিনা হৰিমতী যেন আৰু কঠোৰ হ'ল। তাই প্ৰতিজ্ঞা কৰিলে, নাতি ল'ৰা হালক মনতে আশীৰ্বাদ দিলে, কিন্তু মদন নহালৈকে তাই সিহঁতক চাব নাযায়।

দিন বাগৰি বছৰ আহিল, তাৰ পিছে পিছে বিপিন-হৰিমতীও গৈ থাকিল। বিপিন কেৰাণীৰ মুখে মদনে প্ৰায়ে শুনিছিল। মাকৰ দেহাৰ অৱস্থাৰ কথা। প্ৰথমতে সিমান গুৰুত্ব দিয়া নাছিল যদিও সি এদিন কি ভাবি দিপুল, বিপুলক

লৈ গাঁও পালে। হৰিমতীয়ে প্ৰথমে ধৰিবই পৰা নাছিল। আনন্দত তাইৰ মুৰ্চ্ছা যোৱা অৱস্থা। আচৰিত পো-বোৱাৰীৰ ওপৰত থকা মান-অভিমান সকলো এৰি নিমিষতে দিপুল-বিপুলক সাবটি ধৰি পাৰ্য্যমানে চুমা খালে। হেঁপাহৰ চুমা, মৰমৰ চুমা নোপোৱাই পোৱাৰ চুমা। মদন সেই দিনাই নগৰলৈ উভতিল। দিপুল, বিপুল আইতাকৰ লগতে থাকিল। সিদিনা পৃথিৱীয়েও হাঁহিছিল। কিবা এক নোপোৱাই পোৱাৰ আনন্দত। ☯

হাঁহে আহ

মালিক : ধনীৰাম, কালিলৈ ৰাতিপুৱা ৪.৩০ বজাত ৰেল ধৰিব লাগিব। তই মোক ৪ বজাত টোপনিৰ পৰা জগাই দিবি।

ধনীৰাম : হ'ব দেউতা। পিছে মইতো ঘড়ী চাব নাজানো। আপুনি মোক কেতিয়া ৪ বাজে কৈ দিব, মই আপোনাক জগাই দিম।

ৰিংকি : তোমাৰ কেতিয়া জন্ম হৈছিল?

পিংকি : সোমবাৰ, ২০ জানুৱাৰী, আৰু তোমাৰ?

ৰিংকি : দেওবাৰ, ২ মাৰ্চ।

পিংকি : তুমি মোক বুৰ্বক বুলি ভাবিছা নেকি? দেওবাৰটো সকলোৰে কাৰণে বন্ধ থাকে।



শুভলক্ষণ

✍ সত্যজিৎ বৰা

সি ভাবি আছিল এইবাৰ ব'হাগ বিহুত গুৱাহাটীত নাথাকে। সি এইবাৰ গৰু বিহু দিনা গধূলীৰ পৰা তাৰ গাঁৱত আৰম্ভ কৰা হুচৰিত অংশগ্ৰহণ কৰিবগৈ আৰু পুৰণা বন্ধু-বান্ধৱৰ লগত বিহু মাৰিব, এপাক নাচিব আৰু গাঁৱৰ প্ৰতিঘৰ মানুহৰ ঘৰে ঘৰে যাব আৰু দদাইদেউ, খুড়ীদেউ, বৰদেউতা, বৰমাহঁতক লগতে বৌৱেকহঁতক এবাৰ মাত দিব যিখিনি পাহৰি যোৱাৰ দৰে হৈছেগৈ। কাৰণ প্ৰায় এঁকৈশ বছৰ ধৰি কৰ্মসূত্ৰে সি গুৱাহাটীত থাকিবলৈ ল'লে। গাঁৱত পোৱা ৰঙা চাহ এবাতি গুড় এচপৰা চিৰাদৈ কোমল চাউল আৰু বিহু মাৰি থাকোতে গাঁৱৰ কোনোৱা এঘৰত বিহুৱাসকলৰ বাবে আয়োজন কৰা ভোজভাতৰ সোৱাদ বহুদিন পোৱাই নাই।

কিন্তু কি হ'ব, হঠাতে সি বৰ্তমানে থকা অঞ্চলৰ ৰাইজে ২৮ বছৰীয়া এজোপা আংশিকভাৱে হ'লেও অসমৰ সংস্কৃতিৰ বাহক বৰগছৰ এবছৰৰ বাবে ৰখীয়াৰ দায়িত্ব জাপি দিলে গতিকে তাৰ মনত পুহিৰখা পৰিকল্পনা কাৰ্য কৰি নহ'ল। দায়িত্বটো পাই প্ৰথমে সি বৰ অপ্ৰস্তুত হ'ল তাৰ সীমিত যোগ্যতাৰ কথা ভাবি। অৱশ্যে কিছু পৰিমাণে মনটো ভালো লাগিল। আপত্তিও দৰ্শালে আৰু এৰাতি ভাবি চাও বুলিও ক'লে, কিন্তু কামত নাহিল।

শেষত মনটো দৃঢ় কৰি বিগত ২৭ বছৰে গছজোপাক অৰ্থাৎ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনখনিক আদৰ যত্নেৰে লালন-পালন কৰি থকা বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ উপদেশ তথা সহায়-সহযোগিতা বিচাৰিলে। সেইদৰে তেওঁ সহকৰ্মীসকলৰ পৰাও সহায়-সহযোগিতা বিচাৰিলে। সকলোৱে সহায়-সহযোগিতা কৰাৰ আশ্বাস দিয়াত তেওঁ মনত কিছু হ'লেও সকাহ পালে।

তেওঁক অতিকৈ উৎসাহিত কৰা বিষয়টো হ'ল উঠি অহা স্থানীয় যুৱকসকলৰ তেওঁৰ প্ৰতি থকা আন্তৰিকতা আৰু যুৱকসকলৰ সন্মিলিত প্ৰচেষ্টা একাগ্ৰতা ইত্যাদি। কিয়নো যিসকল যুৱক বিগত বছৰসমূহত আংশিক সহযোগিতাৰ বাহিৰে আতৰি থকা দেখা গৈছিল সেইসকল যুৱকে এতিয়া ওতঃপ্ৰোতভাৱে জড়িত হৈ ৰখীয়াজনক সকলো দিশৰ পৰা আগুৰি ধৰি অনুপ্ৰেৰণা যোগাইছে। সেইয়া নিশ্চয় বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ শুভ লক্ষণ বুলি ক'ব পাৰি।

তেনেস্থলত সি তাক অৰ্পিত দায়িত্বটো পালন কৰি ২৭ বছৰীয়া গছজোপা তথা বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনখনিৰ অক্ষত অৱস্থাত ৰাখি আৰু সমৃদ্ধি বঢ়োৱাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱাৰ প্ৰয়াস কৰি আগবাঢ়িছে। যুৱ শক্তিৰ জয় হওঁক।

খিৰিকি

✍ দিনবন্ধু বৈশ্য

দেওবাৰে বন্ধত নিজকে চাফ-চিকুনাই সজাই পৰাই পৰি পাতি সাজ পাৰ এজোৰ পিন্ধি সোমবাৰে অফিচ কাছাৰীলৈ যোৱাৰ আমেজটোৱে বেলেগ। নিজকে বৰ সজিব সজিব যেন লাগে সোমবাৰৰ দিনটো। তেনে এটি সোমবাৰতেই অফিচলৈ গৈ নিজৰ চকীখনত বহি কাষৰ খিৰিকিখন খুলি দি মনতো সেমেকী গ'ল। কাৰণ তাই দেখো আজি তাত নাই। নানাভাৱে মনৰ মাজত হাঁহাকাৰ কৰিব ধৰিলে। তাইটো সদায় এই ঠাইখিনিতে বৈ থাকে মই আহি পোৱাৰ বহু আগৰেই পৰা তাই ইয়াত বৈ থকা মই বহুদিনৰ পৰা মন কৰি আছো। আজি তাই অহা নাই মানে তাইৰ কিবা গা-মূৰ বেয়া নেকি? সদায় দেখি দেখি তাইৰ প্ৰতি অলপ দুৰ্বলতা আৰু অলপ মৰমভাৱে বাহ লৈছিল মোৰ অন্তৰত কিন্তু কোনো দিনে তাইৰ ওচৰলৈ যোৱা নাই ক'ব নোৱাৰাকৈ। পুৱা আহি সন্ধিয়া লগাৰ আগে আগে গুছি যায় নিৰলে নিৰৱে কাকো একো আমনি নকৰাকৈ। তাই হয়তো পথভ্ৰষ্ট হৈ এইখিনি পাইছিল নতুবা তাই তাইৰ লগৰী বিচাৰি পোৱাৰ আশাত এই ঠাইখিনিতে বৈ থাকে। হয়তো আজি তাই তাইৰ লগৰী বিচাৰি পালে আৰু তাৰ লগতে গুছি গ'ল। সেয়েহে মনক একো বুজাব পৰা নাই, ভাল লাগে তাইৰ লাহী মিহি বগা শৰীৰটো ভাল লাগে, তাইৰ খোজ-কাটল, অঙ্গী-ভঙ্গীবোৰ ভাল লাগে, তাইৰ দীঘল দীঘলকৈ ৰখা নখবোৰ ভাল লাগে, তাইৰ ওঁঠযুৰি, ভাল লাগে তাইৰ মনি সদৃশ চকুযুৰি। সেয়েহে মনে বুজনি নমনা হৈছে। সময়বোৰ পাৰ হ'ল, কাম হ'লে একো নহ'ল। ভাবিলো এইয়াটো তাই ঘুৰি যোৱাৰ সময় কিজানি ঘুৰি যোৱাৰ সময়ত এবাৰ দেখা পাওঁৱেই। সেয়েহে শেষ বাৰৰ বাবে আকৌ খিৰিকিখনৰ মুখলৈ গ'লো, কিন্তু মনৰ আশা মনতে মাৰ গ'ল। তাইৰ একো উম-ঘাম নাপালো। বিষন্ন মন এটি লৈ টেবুলৰ কাগজ পত্ৰবোৰ সামৰিছো, কাৰণ অফিচ ছুটী হ'বৰ হ'ল। থিক সেই সময়তে আহি চকিদাৰজনে ক'লে, দাদা যোৱা কালি কৰবাৰ দুটা দুষ্ট ল'ৰা আহি আপোনাৰ খিৰিকিখনৰ মুখত ঘুৰি ফুৰি থকা বগলীজনীক বাতুলি গুটি মাৰি মাৰি পেলালে। এটা ডাঙৰ হুমনিয়া কাঢ়ি চকিদাৰ জনক ক'লো আজিৰ পৰা এই খিৰিকিখন নুখুলিবি। ◉

মহৎ লোকৰ বাণী

- 'চৰিত্ৰ জীৱনৰ গৌৰৱ আৰু মুকুট' — বিষ্ণু পুৰাণ।
- 'অতিপাত ভগৱান বিশ্বাসে মানুহক কৰ্ম বিমূখ কৰে' — নেহৰু।
- 'নিজে যিটো কৰিব নোৱাৰা আনকো সেইটো কৰিবলৈ নকবা' — গান্ধী।
- 'এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন মানুহক হত্যা কৰা একেই কথা' — মিল্টন।
- 'ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে, ভদ্ৰলোক বা ভদ্ৰ মহিলা হ'বলৈ নহয়' — পদ্মনাথ গোঁহাই বৰুৱা।
- 'শিক্ষক এডাল মমবাতিৰ দৰে যি নিজেগলি আনক পোহৰ দিয়ে' — জৱাহৰ লাল নেহৰু।

প্ৰত্যাশা

✍ ডিম্বেশ্বৰ শৰ্মা

বিহুলৈ আৰু দুটা দিন আছে। সকলোফালে ব্যস্ততা। ব্যস্ত মহানগৰ। ব্যস্ত ৰাস্তা-পথ। সেই ব্যস্ততা যেন পাণবজাৰৰ কটনৰ 'বয়জ হোষ্টেল'তো বিদ্যমান। সকলোবোৰ ল'ৰা ব্যস্ত হৈ পৰিছে, নিজৰ বস্তু-বাহানি বন্ধাত। পৰিলেও নিজৰ কাপোৰ-কানি বেগত ভৰালে। সকলোকে বিহুৰ আগতীয়া শুভেচ্ছা দি ঘৰলৈ বুলি হোষ্টেলৰ পৰা ওলাল।

পৰিমলৰ ঘৰ শিৱসাগৰ সোণাৰিত। তাৰে এখন স্থানীয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে মেট্ৰিক পাছ কৰি কটন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিলে আৰু এইবাৰ সি হায়াৰ ছেকেণ্ডাৰীৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ।

খানাপাৰা, খানাপাৰা, গণেশগুৰি-খানাপাৰা বুলি চিঞৰি থকা হেণ্ডিমেনটোলৈ চাই সি চিটিবাছখনত উঠিল। ওপৰৰ ৰেগত গেটো ভৰাই খালী হৈ থকা চিট এটাত বহি চাৰিওফালে চালে। তেতিয়াও বাছখনত মহিলাৰ চিটবোৰ খালী আছিল। লাহে লাহে বাছখন যাবলৈ ধৰিলে।

পৰিমলৰ টিকট কটা আছে। বাছ ৮.০০ বজাত আছে। সি ম'বাইলটো উলিয়াই সময়টো চালে, পাঁচ বাজি বত্ৰিছ মিনিট। তাৰ হাতত বহু সময় আছে। সি পকেটৰ পৰা উলিয়াই টিকটটো চালে। চিট নম্বৰ ন। তাৰ মনলৈ আহিল কাষৰ চিটত বহাজন বা কেনে হয়। যোৱাবাৰ ঘৰলৈ যাওতে সি কিযে শান্তিত যাব লগা হৈছিল। কাষত বহা শকত-আৱত মানুহজনৰ লগত প্ৰথম আনুষ্ঠানিকতা হিচাপে চা-চিনাকী, কলৈ যাব, ক'ত নামিব আদি সোধাৰ পিছত যে সি কি পৰিস্থিতিত যাব লগা হৈছিল। জখলাবন্ধাত ভাত খাই লোৱাৰ পিছৰ পৰা মানুহজনৰ নাকৰ ঘুৰ ঘুৰ শব্দত তাৰ কাণ বন্ধৰ উপক্ৰম হৈছিল। আকৌ মাজে মাজে মানুহজনৰ মূৰটো তাৰ বাহুত দিয়েহি। কিযে অশান্তিত ৰাস্তাটোত গৈছিল। কিন্তু ঘৰৰ পৰা আহোতে তাৰ কাষত আহি বহিলহি এগৰাকী দেখনীয়াৰ বোৱাৰী। অৱশ্যে প্ৰথম অৱস্থাত সি ছোৱালী বুলিয়েই ভাবিছিল। পিন্ধনত চুৰিদাৰ-কুৰ্তা, চুলি কান্ধত পৰাকৈ কটা আছিল। কিন্তু সি ভালকৈ লক্ষ্য কৰাতহে চুলিৰ মাজৰ সেওঁতাত তিলমাত্ৰ মাত্ৰা সদৃশ সেন্দূৰ অলপ চকুত পৰাতহে তাৰ ভুল ভাগিল। যাওঁতে যিটো শান্তিত সি যাব লগা হৈছিল আহোতে সেইজনৰ পৰা ৰেহাই দিয়াৰ বাবে ভগৱানক মনতে ধন্যবাদ জনালে।

চিটিবাছখন ক্ৰছ কৰি বাইক এখনে তীব্ৰ শব্দৰে যোৱাত সি চক্ খাই উঠিল। অলপ ভালকৈ বহি গাৰ এলাহ ভাৰ আঁতৰাবলৈ চেষ্টা কৰিলে। পৰিমলৰ মনটো কিবা ফৰকাল ফৰকাল লাগিল। কিমান দিনৰ মূৰত সি যে ঘৰলৈ গৈছে। তাৰ মাকৰ মুখখন মনলৈ ভাহি আহিল। সি যেতিয়া কটনলৈ বুলি প্ৰথম ঘৰৰ পৰা ওলাই আহে মাকৰ মুখলৈ সেইদিনা সি চাব পৰা নাছিল। মাকেও তাৰ পৰা মুখখন পাৰ্যমানে লুকুৱাবলৈ চেষ্টা কৰিছিল। মাকৰ সেই চল চলীয়া চকুযুৰিয়ে তাকো বহুদিনলৈ আমনি কৰিছিল। কিন্তু পিছত সকলো ঠিক হৈ গ'ল। মাকলৈ মনত পৰাৰ লগে লগে তাৰ সেই বোৱাৰীগৰাকীলৈ মনত পৰি গ'ল। সি দুয়োগৰাকীকে ৰিজাবলৈ চেষ্টা কৰিলে। এফালে তাৰ মাক যিগৰাকী অশিক্ষিত, খোজ-কাটল গম্ভীৰ, স্থিৰ, পিন্ধনত মেখেলা-চাদৰ, কপালত ৰঙাকৈ সেন্দূৰৰ গোল ফোঁটটো, সেঁউতাত থকা সেন্দূৰৰ আগ আৰু আনফালে সেইগৰাকী বোৱাৰী। তাৰ মনত এক প্ৰশ্নৰ উদয় হ'ল। কোনগৰাকী মহিলাই বাৰু অসমীয়া জাতিৰ উত্তোৰণত সহায়ক হ'ব।

ভাইটি, ভাইটি, নামা। কাৰোবাৰ মাতত যেন সি সাৰ পালে। গাড়ীখনলৈ চালে কোনো মানুহ নাই। ওচৰত কণ্ডাক্টৰজন ৰৈ তাক কিবা কৈছে। এইবোৰ ভাবি থাকোঁতে কেতিয়ানো তাৰ টোপনি গ'ল সি গমেই নাপালে। লাজতে তাৰ নাক-মুখ কোছ খাই গ'ল। আচলতে যোৱানিশা সকলোবোৰ ল'ৰাই কমখন হুলস্থূল কৰিছিলনে? বহু দেৰিলৈকে সিঁহতে বিহু গাই নাচি আছিল। ৰেগৰ পৰা বেগটো নমাই কণ্ডাক্টৰজনক সৌজন্যতাৰ খাতিৰত ধন্যবাদ জনাই সি নামিল। বহু গাড়ী ৰৈ থকা সি দেখিলে। অসংখ্য লোক খানাপাৰাৰ বাছ ষ্টপেজত। সি তাৰ গাড়ীখন দেখি আগবাঢ়ি গ'ল। দুই এক জুম বান্ধি মানুহকেইজনমানে চিএঞৰি চিএঞৰি কিবা আলোচনা কৰি থকা সি দেখিলে। কিন্তু গুৰুত্ব নিদি সি আগবাঢ়িল। গাড়ীৰ ওচৰ পাই গাড়ীত উঠি সি তাৰ চিটটোলৈ আৰু কাষত কোন আছে চালে। কিন্তু বাছত কোনো নাই। সি ৰেগত বেগটো থবলৈ লওতে এজন আদহীয়া লোক উঠি আহি তাক ক'লে— ভাইটী গাড়ী নাযায়। ২৪ ঘণ্টীয়া মধ্য অসম বন্ধ দিছে কোনোবা সংগঠনে। গতিকে সেইফালে গাড়ী নিব নোৱাৰি।

সি যেন একেবাৰে ভাগি পৰিল। সি মনতে অঁকা ছবিখনত কিবাকিবি আঁক-বাক পৰিল। বন্ধ ঘোষণা কৰা সংগঠনলৈ তাৰ খং উঠিল। দীঘল এক হুমুনিয়াহ কাঢ়ি বাছৰ পৰা নামি হোষ্টেললৈ বুলি আগবাঢ়িল। পকেটৰ পৰা ফোনটো উলিয়াই ডায়েল কৰিলে —নম্বৰ —ঘৰৰ নম্বৰ। ◉

Happy Rangali Bihu

Art life is one of the most rapidly and confidently developing Russian companies! Over 12 years of business Art life Company gained a solid reputation. We offer to people all over the world:

–Quality products for health.
–Worthy business
–Effective training system

Now in your City (Guwahati)
For more information about the companies
Please call: 0361-6013124
Kalyan Konwar

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

শ্ৰদ্ধেয় সভাপতি মহোদয়,

বৃহত্তৰ ৰুক্মিণী নগৰবাসী শ্ৰদ্ধাভাজন বিহুপ্ৰেমী ৰাইজ, মোৰ শ্ৰদ্ধাৰ আই-ভাই আৰু বন্ধু-বান্ধৱসকল আৰম্ভণিতেই মই আজিৰ সভাত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে আমাক উৎসাহিত কৰাৰ কাৰণে আপোনালোক সদৌটিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে সপ্তবিংশতিতম্ ৰঙালী বিহু সন্মিলন সফলতাৰে উদ্‌যাপন কৰিলে। বিহু সন্মিলনৰ বিভিন্ন কাৰ্যসূচীয়ে বিহুপ্ৰেমী ৰাইজক কিমান দূৰ সন্তুষ্ট কৰিব পাৰিলে সেয়া ৰাইজেই বিচাৰ কৰিব।

বিহু সন্মিলনৰ বাবে মুঠ পুঁজি সংগৃহিত হৈছিল ৩,৭৪,৩৭৭.০০ টকা, ইয়াৰে খৰচ হয় মুঠ ৩,৪৮,১৮১.০০ টকা। আয় ব্যয়ৰ বিস্তৃত খতিয়ান বেলেগকৈ দাঙি ধৰা হয়।

সপ্তবিংশতিতম্ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনখন ইং ১৫ আৰু ১৬ এপ্ৰিল, ২০১০ চনত দুদিনিয়াকৈ অনুষ্ঠিত কৰা হৈছিল। কেউটাদিনতেই বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুস্থিত কৰা হৈছিল। সাংস্কৃতিক সক্ৰিয়াত জনগোষ্ঠীয় ও স্থানীয় শিল্পীৰ কৃষ্টি প্ৰদৰ্শনৰ উপৰি অসমৰ প্ৰায় ৫ বৰেণ্য শিল্পী নিমন্ত্ৰণ কৰি আনি ৰাইজক আহ্লাদিত কৰিবলৈ চেষ্টা কৰা হৈছিল।

উল্লেখনীয় যে সন্মিলনখনৰ লগত সঙ্গতি ৰাখি আমি এইবাৰ সমিতিৰ তৰফৰ পৰা এই বিহু সন্মিলন সুকলমে চলাই নিবলৈ সহায় কৰা বৰেণ্য ব্যক্তি শ্ৰীযুত বিজু কুমাৰ জৈন, শ্ৰীযুত বিপ্লৱ দত্ত, শ্ৰীযুত গৌৰৱ গগৈ, শ্ৰীযুত ভূপিন্দৰ সিং (কি. কি.), শ্ৰীযুত দেৱজিৎ দাস আৰু লগতে 'অৰিহাণ্ট ইলেকট্ৰনিক' দিল্লী আৰু নৰ্থ ইষ্ট চিমেণ্ট, গুৱাহাটীক একো একোটা স্মাৰক বঁটাৰে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়।

আমি অতি দুখেৰে ৰাইজক জনাও যে, পুঁজিৰ অভাৱত আমি আমাৰ সন্মিলনখনৰ অবিচ্ছেদ্য অঙ্গ সদৃশ, মুখপত্ৰ 'সাহোন'খন প্ৰকাশ কৰিব নোৱাৰিলো।

বৃহত্তৰ ৰুক্মিণী নগৰৰ হৈ, বিহু সন্মিলনখনৰ মণ্ডপটিৰ দাতা বিশিষ্ট ব্যৱসায়ী শ্ৰীযুত ভূপিন্দৰ সিং ওৰফে কি কিলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমি আপোনালোকক অতি আনন্দৰে জনাব খোজো যে, এলায়েন্স ভিজন প্ৰাইভেট লিমিটেড গোষ্ঠীৰ স্বত্বাধিকাৰী শ্ৰীযুত গৌৰৱ গগৈ আৰু গৌতম গগৈদেৱে যি উল্লেখনীয় বৰঙণি আগবঢ়ালে তাক উল্লেখ নকৰিলে আমাৰ এই প্ৰতিবেদন আধৰুৱা হৈ ৰ'ব। এই সুযোগতে তেখেতসকললৈও আন্তৰিক কৃতজ্ঞতা জনালো।

বিশিষ্ট ব্যৱসায়ী বি কে জৈন আৰু বিপ্লৱ দত্তক তেখেতসকলৰ উল্লেখনীয় বৰঙণি আৰু সহায়-সহযোগিতাৰ বাবে সমিতিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেখেতৰ দিহা-পৰামৰ্শ আৰু সহায়-সহযোগ অবিহনে এনে এটি বৃহৎ অনুষ্ঠান পৰিচালনা কৰাটো সম্ভৱ নহ'লহেঁতেন।

সন্মিলনখন পৰিচালনা কৰোতে অঞ্চলটোৰ ৰাইজ, সমিতিৰ কৰ্মকৰ্তা ও সদস্যসকলৰ পৰা যি সহায়-সহযোগ পালো তাৰ বাবে তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰম। সন্মিলনখনি পৰিচালনা কৰোতে যিখিনি ভুল আৰু দোষ ত্ৰুটি ৰৈ গ'ল তাৰ বাবে মই ব্যক্তিগতভাৱে ৰাইজৰ ওচৰত দায়বদ্ধতা স্বীকাৰ কৰি ক্ষমা বিচাৰিলো। ●

ধন্যবাদেৰে—

শুক্ৰেশ্বৰ বড়ো

সাধাৰণ সম্পাদক

বৃহত্তৰ ৰুক্মিণী নগৰ সপ্তবিংশতিতম্ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং ক'লনি

দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

১ আৰু ২ ব'হাগ, ১৪১৬ ভাস্কৰাব্দ, বৃহস্পতিবাৰ আৰু শুক্ৰবাৰ
১৫ আৰু ১৬ এপ্ৰিল, ২০১০ চন

হিচাপৰ প্ৰতিবেদন

RECEIPT	AMOUNT (Rs.)		EXPENDITURE	AMOUNT (Rs.)	
Cash in Hand		1500.00	Printing & Stationaries		30,077.00
Bank Account		55153.00	Pandal		19,300.00
Previous Balance	*29247.00*		Advertising & Publicity		7,000.00
Interest Accrued	*805.00*		Permanent Stage		9,100.00
Cheque Deposit	*25101.00*		Felicitation		4,300.00
Balance at Bank	*55153.00*		Gamocha & Badges		6,200.00
Collection from Donation Books		193223.00	Reception		11,690.00
company Sponsorship		50,000.00	Telecasting		13,000.00
Receipt from Turst		50,000.00	Sound		10,000.00
Donor's Contribution for Prize Money		21,501.00	Electrical Connection		7,000.00
Refund from ASEB		3000.00	Lighting Arrangement		6,500.00
			Photographer		5,000.00
			Revumeration to Judges		15,100.00
			Conveyance		2,800.00
			Prizes for Sports Competition		3,000.00
			Miscelleneous Expenses		6,901.00
			Labour Charges		10,000.00
			Prize Money for Compitition and Trophy		46,713.00
			Cultural Night Expenditure		1,34,500.00
			1st Night	*42,000.00*	
			2nd Night	*92,500.00*	
			Total Expenditure		3,48,181.00
			Cash at Bank		23,653.00
			Deposite	*55,153.00*	
			Less withdrawn	*31,500.00*	
			Balance at Bank	*23,653.00*	
			Cash in Hand		2,543.00
TOTAL		**RS. 3,74,377.00**			3,74,377.00

স্বাক্ষৰ	স্বাক্ষৰ	স্বাক্ষৰ	স্বাক্ষৰ
সভাপতি	কোষাধ্যক্ষ	হিচাপ পৰীক্ষক	সাধাৰণ সম্পাদক
বৃ.ৰু.ন.ৰ. বিহু সন্মিলন	বৃ.ৰু.ন.ৰ. বিহু সন্মিলন	বৃ.ৰু.ন.ৰ. বিহু সন্মিলন	বৃ.ৰু.ন.ৰ. বিহু সন্মিলন
হাউছিং ক'লনি, দিশপুৰ	হাউছিং ক'লনি, দিশপুৰ	হাউছিং ক'লনি, দিশপুৰ	হাউছিং ক'লনি, দিশপুৰ
গুৱাহাটী-৬	গুৱাহাটী-৬	গুৱাহাটী-৬	গুৱাহাটী-৬

বৃহত্তৰ ৰুক্মিণী নগৰ সপ্তবিংশতিতম্ ৰঙালী বিহু সন্মিলন (২০১০)

ৰঙ্গমঞ্চ পথ, হাউছিং ক'লনি, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

সদৌ অসম ভিত্তিত বিহু হুঁচৰি প্ৰতিযোগিতাৰ ফলাফলসমূহ

১ ম পুৰস্কাৰ : স্বৰ্গীয় লীলাধৰ বৰগোঁহাই সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ১০,০০১/- টকা
দাত্ৰীঃ শ্ৰীমতী অমিয়া বৰগোঁহাই আৰু পৰিয়াল বৰ্গ
বিজেতা ঃ জোনবাই বিহু হুঁচৰি দল।

২ য় পুৰস্কাৰ : স্বৰ্গীয় বিতুল বৰুৱা সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৭,০০১/- টকা
দাত্ৰী ঃ শ্ৰীমতী পাৰুল বৰুৱা আৰু পৰিয়ালবৰ্গ
বিজেতা ঃ চৰাইদেউ বিহুৱা দল।

৩ য় পুৰস্কাৰ : স্বৰ্গীয়া ৰেণুপ্ৰভা ফুকন সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৫,০০১/- টকা
দাতা ঃ শ্ৰীসত্যজিৎ ফুকন (ৰাতুল)
বিজেতা ঃ ৰবৈদেচিলা বিহুৱা দল।

শ্ৰেষ্ঠ বিহুৱা—শ্ৰীজানমণি ফুকন

সদৌ অসম ভিত্তিত বিহুৱতী প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

১ ম পুৰস্কাৰ : স্বৰ্গীয় মহেন্দ্ৰ বুঢ়াগোঁহাই আৰু স্বৰ্গীয়া দেৱলতা বুঢ়াগোঁহাই
সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৫,৫৫৫/- টকা
দাতা ঃ শ্ৰীমৃদুল বুঢ়াগোঁহাই আৰু পৰিয়ালবৰ্গ
লগতে স্বৰ্গীয় গুণজিৎ তালুকদাৰ (ৰাজা) সোঁৱৰণী চলন্ত বঁটা
আৰু স্বৰ্গীয়া মনোৰমা বৰুৱা সোঁৱৰণী চলন্ত বঁটা।
বিজেতা ঃ শ্ৰীমতী মিঠুৰাজ বৰা।

২ য় পুৰস্কাৰ : স্বৰ্গীয়া জিণ্টিমণি শইকীয়া সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৩,৩৩৩/- টকা
দাতা ঃ শ্ৰীচিদানন্দ শইকীয়া
বিজেতা ঃ শ্ৰীমতী সংগীতা গগৈ।

৩ য় পুৰস্কাৰ : স্বৰ্গীয়া ফুলেশ্বৰী সোণোৱাল সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ২,২২২/- টকা
দাতা ঃ শ্ৰীধৰ্মেশ্বৰ সোণোৱাল
বিজেতা ঃ শ্ৰীমতী হেমা সন্দিকৈ।

শ্ৰেষ্ঠ বিহুৱা—স্বৰ্গীয় পূৰ্ণেশ্বৰ বড়া সোঁৱৰণী চলন্ত বঁটা লগতে নগদ ৩,০০১/- টকা।
দাতা ঃ শ্ৰীশিৱপ্ৰতিম বড়া
বিজেতা ঃ শ্ৰীজানমণি ফুকন

সদৌ অসম ভিত্তিত জেংবিহু প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

১ ম পুৰস্কাৰ : স্বৰ্গীয় ইন্দুমতী বৰা সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৩,০০১/- টকা
দাতা ঃ শ্ৰীলক্ষ্মীনাৰায়ণ বৰা আৰু পৰিয়ালবৰ্গ
বিজেতা ঃ 'বৰহমথুৰি বোৱাৰী মঞ্চ', গুৱাহাটী

২ য় পুৰস্কাৰ : 'আনন্দপুৰ বোৱাৰী জেং বিহু দল', গুৱাহাটী।

কাৰ্যক্ৰমণিকা

১ ব'হাগ (ইং ১৫ এপ্রিল, ২০১০) বৃহস্পতিবাৰ

পুৱা ৯.০০ বজাত	ঃ বিহুৰ পতাকা উত্তোলন
উত্তোলক	ঃ শ্ৰীযুত অকন বৰা
পুৱা ৯.৩০ বজাত	ঃ শ্বহীদ তৰ্পণ
পুৱা ১০.০০ বজাত	ঃ খেল-ধেমালি প্ৰতিযোগিতা
সন্ধিয়া ৬.৩০ বজাত	ঃ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন।
উদ্বোধক	ঃ শ্ৰীযুত দেৱজিৎ দাস
সন্ধিয়া ৭.০০ বজাৰ পৰা	ঃ সদৌ অসম ভিত্তিত বিহু-হুঁচৰি আৰু বিহুৱতী প্ৰতিযোগিতা, লগতে অন্যান্য সাংস্কৃতিক অনুষ্ঠান।

২ ব'হাগ (ইং ১৬ এপ্রিল, ২০১০) শুক্ৰবাৰ

বিয়লি ৬.০০ বজাত	ঃ জেং বিহু প্ৰতিযোগিতা।
সন্ধিয়া ৭.০০ বজাৰ পৰা	ঃ সদৌ অসম ভিত্তিত বিহুৱাণী প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান আৰম্ভ।

বিশেষ আকৰ্ষণ

সদৌ অসম ভিত্তিত বিহু হুঁচৰি/বিহুৱতী/বিহুৱাণী প্ৰতিযোগিতা আৰু
অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী—কল্লোল বৰঠাকুৰ, নিৰ্মালী দাস,
পম্পী বৰাৰ গীতৰ শৰাই।
অপূৰ্ব বৰুৱা আৰু সুনিত গগৈৰ শিল্পী দলৰ বিহু নৃত্য প্ৰদৰ্শন
জয়প্ৰিয় পেঁপা বাদক, অসীম চুতীয়াৰ পেঁপা বাদন আৰু
বিহু নৃত্য অনুষ্ঠানৰ লগতে অসমৰ বাচক বনীয়া শিল্পীৰ দ্বাৰা সাংস্কৃতিক
অনুষ্ঠান পৰিবেশন।

সপ্ত বিংশতিতম্

বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউচিং কলনি, দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

কাৰ্যকৰী সমিতি

সভাপতি	ঃ	শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ
কাৰ্যকৰী সভাপতি	ঃ	শ্ৰীযুত চক্ৰধৰ মটক
উপ-সভাপতি	ঃ	শ্ৰীযুত ৰাজশোভন গোস্বামী, শ্ৰীযুত ধৰ্মেশ্বৰ সোনোৱাল
সাধাৰণ সম্পাদক	ঃ	শ্ৰীশুক্লেশ্বৰ বড়ো
যুটীয়া সম্পাদক	ঃ	শ্ৰীপাৰ্থপ্ৰতিম শইকীয়া, শ্ৰীপলাশ বৰুৱা
কোষাধ্যক্ষ	ঃ	শ্ৰীগৌতম ওঝা
কাৰ্যালয় সম্পাদক	ঃ	শ্ৰীৰাণা ৰাভা
হিচাপ পৰীক্ষক	ঃ	শ্ৰীযুত ৰাজীৱ হাজৰিকা

উপসমিতি

বিত্তীয় বিভাগ

সভাপতি	ঃ	শ্ৰীচিদানন্দ শইকীয়া
উপ-সভাপতি	ঃ	শ্ৰীমঞ্জুলা কাকতি, শ্ৰীযুত গোবিন্দ শৰ্মা
সম্পাদক	ঃ	শ্ৰীপৰাগ জ্যোতি গগৈ (ৰাজ)
সহঃ সম্পাদকদ্বয়	ঃ	শ্ৰীঅমল ডেকা, শ্ৰীমহেন্দ্ৰ শৰ্মা
সদস্য	ঃ	সৰ্বশ্ৰী সুৰেশ বৈশ্য, ৰঞ্জন দাস, পঙ্কজ ভূঞা, অনুপ পাঠক, সিদ্ধাৰ্থ শইকীয়া, সিমান্তদত্ত, পাৰ্থৰাজ বৰদলৈ, খনিন চৌধুৰী, মানস কোঁৱৰ, হীৰক শৰ্মা।

সাংস্কৃতিক বিভাগ

সভাপতি	ঃ	শ্ৰীগিৰীশ দত্ত
উপ-সভানেত্ৰী	ঃ	শ্ৰীপাৰুল বৰুৱা, ডাঃ প্ৰণীতা বৰঠাকুৰ
সম্পাদক	ঃ	শ্ৰীগুণিন্দ্ৰ ডেকা
সহঃ সম্পাদকদ্বয়	ঃ	শ্ৰীসিদ্ধাৰ্থ ৰাজ বৰদলৈ, শ্ৰীনীলম বৰুৱা
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী গুণজিৎ তালুকদাৰ, পাঞ্চালী বৰুৱা, জয়শ্ৰী গোস্বামী, ৰূপশ্ৰী গোস্বামী, কুইঞ্জীন।

মঞ্চ আৰু আলোকসজ্জা

সভাপতি	ঃ	শ্ৰীদীপক কোঁৱৰ
উপ-সভাপতি	ঃ	শ্ৰীমৃদুল বুঢ়াগোঁহাই, মঃ মনিৰ আহমেদ
সম্পাদক	ঃ	শ্ৰীভূপেন বড়ো
সহঃ সম্পাদক	ঃ	শ্ৰীশিবেন্দ্ৰ ডেকা
সদস্যবৃন্দ	ঃ	সৰ্বশ্ৰী গোপাল দাস, ৰাজ বৰুৱা, সুভাষ গাৰো, বাবলু থাপা

প্ৰচাৰ বিভাগ

সভাপতি	ঃ	শ্ৰীঅনিল দাস
উপ-সভাপতি	ঃ	শ্ৰীপুলক বৰ্মন
সম্পাদক	ঃ	শ্ৰীসমুদ্ৰ কলিতা
সহঃ সম্পাদক	ঃ	শ্ৰীকুলেশ ডাউকা
সদস্যবৃন্দ	ঃ	সৰ্বশ্ৰী ববলু নাথ, বিভাস সিন্হা, নৱদ্বীপ বড়ো, অসীম বৰ্মন, মিজৰুল লস্কৰ, জগত পাঠক।

অভ্যৰ্থনা বিভাগ

সভানেত্ৰী ঃ শ্ৰীমতী জুনু নেওগ

উপ-সভাপতি ঃ শ্ৰীমুকুল বুঢ়াগোঁহাই, শ্ৰীৰাণু গগৈ

সম্পাদকদ্বয় ঃ শ্ৰীভাইটি দত্ত, শ্ৰীদিনবন্ধু বৈশ্য

সহঃ সম্পাদীকা ঃ শ্ৰীমতী ৰীতা ডেকা, শ্ৰীমতী নমিতা ঠাকুৰীয়া মটক

সদস্য/সদস্যবৃন্দ ঃ সৰ্বশ্ৰী ৰঞ্জু গোস্বামী, নিলীমা ডেকা, উন্মনা মাধুৰী দত্ত, বীণা দত্ত, মিনু বৰুৱা, সূৰ্বর্ণ হাজৰিকা, দ্বিপিকা কলিতা, অভিনন্দন হাজৰিকা, মৃদুল বৈশ্য, মৃদুল তালুকদাৰ

ক্ৰীড় বিভাগ

সভাপতি ঃ শ্ৰীমানস বৰুৱা

উপ-সভাপতি ঃ শ্ৰীজ্যোতি প্ৰসাদ ডাউকা

সম্পাদক ঃ শ্ৰীজীতেন বড়ো

সহঃ সম্পাদক ঃ শ্ৰীসিদ্ধাৰ্থ বৰদলৈ, শ্ৰীঅলকেশ ওঝা

সদস্যবৃন্দ ঃ সৰ্বশ্ৰী জ্ঞানদ্বীপ গগৈ, চন্দন নাথ, ৰাজ বড়ো, ৰাজু বড়ো, পঙ্কজ কাঠকটীয়া, অমৰ নাথ, ডব্লিউ আনন্দ বড়ো, চিণ্টু দত্ত।

স্বাস্থ্যসেৱা বিভাগ

সভাপতি ঃ ডাঃ অনিল কলিতা

উপ-সভাপতি ঃ ডাঃ মাধুৰ্য্য গগৈ

সম্পাদীকা ঃ শ্ৰীমতী প্ৰতিমা বৰা

সহঃ সম্পাদীকা ঃ শ্ৰীমতী প্ৰিয়দা চেলেং

সদস্যবৃন্দ ঃ সৰ্বশ্ৰী বিধান সিন্হা, মুনীন্দ্ৰ হাজৰিকা, জ্যোতিময় বৰুৱা, অমৰেন্দ্ৰ কলিতা।

স্বেচ্ছাসেৱক পৰিচালক

শ্ৰীৰূপম গুৰুং

স্বেচ্ছাসেৱক বাহিনী

সৰ্বশ্ৰী মনোজ বৰ্মন, সমীৰ সুত্ৰধাৰ, বিকি মালাকৰ, সুনীল গাৰো, টিতু সিং

মুখ্য পৃষ্ঠপোষক ঃ শ্ৰীযুত অকন বৰা, শ্ৰীযুত দেৱজিৎ দাস

পৃষ্ঠপোষক মণ্ডলী ঃ শ্ৰীযুত অঞ্জন দত্ত , শ্ৰীযুত নিৰ্মল দত্ত, শ্ৰীযুত বি. কে. জৈন, শ্ৰীযুত ভূপেন্দ্ৰ সিং (কিকি), প্ৰদীপ বৰা, শ্ৰীযুত অজয় গুপ্তা, শ্ৰীযুত গণেশ শৰ্মা, শ্ৰীযুত অপূৰ্ব শৰ্মা, শ্ৰীযুত চাকিল চাদুল্লা, শ্ৰীযুত বিপ্লৱ দত্ত, শ্ৰীযুত প্ৰবোধ কটকী, শ্ৰীযুত গোলাপ বৈশ্য, শ্ৰীযুত ৰোহিণী পাঠক, শ্ৰীযুত গৌতম গগৈ, শ্ৰীযুত গৌৰৱ গগৈ, শ্ৰীযুত বিজয় শইকীয়া, শ্ৰীযুত বিনয় খান্দেলীয়া, শ্ৰীযুত চিন্ময় ফুকন, শ্ৰীযুত জগত ৰঞ্জন গোস্বামী, শ্ৰীযুত আব্দুল কায়েম, শ্ৰীযুত ৰঙ্গনাথ তালুকদাৰ, শ্ৰীযুত বাবুল পাঠক, শ্ৰীযুত অতিন দাস, শ্ৰীযুত নৃপেন দাস, শ্ৰীযুত অঞ্জন বুজৰবৰুৱা, শ্ৰীযুত জে. এম. কাকতি, শ্ৰীযুত প্ৰকাশ ম'ৰ, শ্ৰীযুত হৰেশ দত্ত, দিগন্ত শইকীয়া, শ্ৰীমতী অমিয়া বৰগোঁহাই।

মুখ্য উপদেষ্টা ঃ শ্ৰীযুত সুনীল বৰা, শ্ৰীযুত পৰেশ নেওগ, শ্ৰীযুত ফুলেশ্চ গগৈ

উপদেষ্টা মণ্ডলী ঃ ড° মুহী বৰগোহাঁই, শ্ৰীযুত উমেশ শৰ্মা, শ্ৰীযুত ৰেৱতী মোহন হাজৰিকা, শ্ৰীযুত কমল কাকতি, শ্ৰীযুত বিদ্যা গগৈ, শ্ৰীযুত সোনেশ্বৰ দাস, শ্ৰীযুত গৌতম শৰ্মা, শ্ৰীযুত বৃহস্পতি ডেকা, শ্ৰীযুত টঙ্কেশ্বৰ কাকতি, শ্ৰীযুত ঈশ্বৰ পসন্ন ফুকন, শ্ৰীযুত দিলীপ চক্ৰৱৰ্তী, শ্ৰীযুত চন্দ্ৰ ভট্টাচাৰ্য, ডাঃ দিলীপ ডেকা, শ্ৰীযুত ৰমেন কলিতা, শ্ৰীযুত টঙ্কেশ্বৰ ডেকা, শ্ৰীযুত বসন্ত পোদ্দাৰ, শ্ৰীযুত হেমেন্দ্ৰ হীৰা, শ্ৰীযুত সত্যজিৎ বৰা, শ্ৰীযুত হৰেণ বৰগোঁহাই, শ্ৰীযুত ৰত্নেশ্বৰ বৰুৱা, শ্ৰীযুত দুৰ্গেশ্বৰ শইকীয়া, শ্ৰীযুত বিৰেন্দ্ৰ নাথ বৰা, শ্ৰীযুত কেশৱ ভূএগ, শ্ৰীযুত প্ৰদীপ দত্ত, শ্ৰীযুত টিকেন চৌধুৰী, শ্ৰীযুত অৱনী ভট্টাচাৰ্য, শ্ৰীযুত ধনীৰাম কলিতা, শ্ৰীযুত প্ৰসন্ন কুমাৰ মজুমদাৰ, শ্ৰীযুত অমল শৰ্মা, শ্ৰীযুত চন্দ্ৰ শইকীয়া, শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্মা, শ্ৰীমতী দিব্য কাকতি, শ্ৰীমতী গায়ত্ৰী গগৈ, শ্ৰীমতী অঞ্জলী বৰুৱা, শ্ৰীমতী প্ৰণিতা ডেকা, শ্ৰীমতী মিনতী চৌধুৰী, শ্ৰীমতী ৰেণু শৰ্মা।

কাৰ্যক্ৰমণিকা

১ ব'হাগ (ইং ১৫ এপ্ৰিল, ২০১১) শুক্ৰবাৰ

পুৱা ৯.০০ বজাত ঃ বিহুৰ পতাকা উত্তোলন

উত্তোলক ঃ শ্ৰীযুত গোপাল বৈশ্য

পুৱা ৯.৩০ বজাত ঃ শ্বহীদ তৰ্পণ

পুৱা ১০.০০ বজাত ঃ সৰু ল'ৰা-ছোৱালীৰ খেল-ধেমালি প্ৰতিযোগিতা

বিয়লি ১.০০ বজাত ঃ আধুনিক নৃত্য প্ৰতিযোগিতা।

সন্ধিয়া ৬.৩০ বজাত ঃ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন।

উদ্বোধক ঃ ডাঃ হিতেশ বৰুৱা

সন্ধিয়া ৭.০০ বজাৰ পৰা ঃ সদৌ অসম ভিত্তিত বিহু-হুঁচৰি আৰু বিহুৱতী প্ৰতিযোগিতা, লগতে অন্যান্য সাংস্কৃতিক অনুষ্ঠান।

২ ব'হাগ (ইং ১৬ এপ্ৰিল, ২০১১) শনিবাৰ

বিয়লি ২.০০ বজাত ঃ জেং বিহু প্ৰতিযোগিতা।

সন্ধিয়া ৬.৩০ বজাৰ পৰা ঃ **সদৌ অসম ভিত্তিত বিহুৱাণী প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান আৰম্ভ।**

বিশেষ আকৰ্ষণ

সদৌ অসম ভিত্তিত বিহু হুঁচৰি/
বিহুৱতী/
বিহুৱাণী প্ৰতিযোগিতা
আৰু
জনপ্ৰিয় কণ্ঠশিল্পীৰ দ্বাৰা গীত পৰিৱেশন।

অষ্ট বিংশতিতম্
বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন
ৰঙ্গমঞ্চ পথ, হাউচিং কলনি, দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

কাৰ্যকৰী সমিতি

সভাপতি	ঃ	শ্ৰীযুত দীপক কোঁৱৰ।
কাৰ্যকৰী সভাপতি	ঃ	শ্ৰীযুত গিৰীশ দত্ত।
উপ-সভাপতি	ঃ	শ্ৰীযুত বৃহস্পতি ডেকা, শ্ৰীমতী মঞ্জুলা কাকতি।
সাধাৰণ সম্পাদক	ঃ	শ্ৰীসত্যজিত বৰা।
যুটীয়া সম্পাদক	ঃ	শ্ৰীগুণীন্দ্ৰ ডেকা, শ্ৰীপাৰ্থপ্ৰতিম শইকীয়া।
কোষাধ্যক্ষ	ঃ	শ্ৰীগৌতম ওজাঁ, শ্ৰীগুণজিৎ তালুকদাৰ।
কাৰ্যালয় সম্পাদক	ঃ	শ্ৰীৰাণা ৰাভা।
হিচাপ পৰীক্ষক	ঃ	শ্ৰীচক্ৰধৰ মটক।

উপসমিতি

বিত্তীয় বিভাগ

সভাপতি ঃ শ্ৰীমৃদুল বৰগোহাঁই
উপ-সভাপতি ঃ শ্ৰীগোবিন্দ শৰ্মা, শ্ৰীমনিৰ আহমেদ
সম্পাদকদ্বয় ঃ শ্ৰীপৰাগ জ্যোতি গগৈ, শ্ৰীকল্যাণ বৰা।
সহঃ সম্পাদকদ্বয় ঃ শ্ৰীমহেন্দ্ৰ শৰ্মা, শ্ৰীঅপূৰ্ব দাস
সদস্য ঃ সৰ্বশ্ৰী ৰঞ্জন দাস, পঙ্কজ ভূঞা, অনুপ পাঠক, সিদ্ধাৰ্থ শইকীয়া, সীমান্ত দত্ত, পাৰ্থৰাজ বৰদলৈ, খনিন চৌধুৰী, মানস কোঁৱৰ, হীৰক শৰ্মা, বানী বৰগোহাঁই, দিব্য বৰা।

সাংস্কৃতিক বিভাগ

সভাপতি ঃ শ্ৰীধৰ্মেশ্বৰ সোণোৱাল
উপ-সভানেত্ৰী ঃ শ্ৰীযুতা পাৰুল বৰুৱা
সম্পাদক ঃ শ্ৰীশুক্ৰেশ্বৰ বড়ো
সহঃ সম্পাদকদ্বয় ঃ শ্ৰীসিদ্ধাৰ্থ ৰাজ বৰদলৈ, শ্ৰীসিদ্ধান্ত বৰদলৈ
সদস্যাবৃন্দ ঃ সৰ্বশ্ৰী কিশোৰ দত্ত, অনুপ পাঠক, অলকেশ ওঁজা।

মঞ্চ আৰু আলোকসজ্জা

সভাপতি ঃ শ্ৰীমুকুল বুঢ়াগোহাঁই
উপ-সভাপতি ঃ শ্ৰীঅনিল দাস, শ্ৰীভূপেন বড়ো
সম্পাদক ঃ শ্ৰীৰাজেন দাস
সহঃ সম্পাদক ঃ শ্ৰীশিবেন্দ্ৰ ডেকা
সদস্যবৃন্দ ঃ সৰ্বশ্ৰী গোপাল দাস, ৰাজ বৰুৱা, সুভাষ গাৰো, বাহাৰুল লস্কৰ, বাবলু থাপা, পবিত্ৰ কলিতা।

প্ৰচাৰ বিভাগ

সভাপতি ঃ শ্ৰীৰাঘবেন্দ্ৰ দাস
সম্পাদকদ্বয় ঃ শ্ৰীসমুদ্ৰ কলিতা, শ্ৰীমনোজ হাজৰিকা
সহঃ সম্পাদক ঃ শ্ৰীকুলেশ ডাউকা
সদস্যবৃন্দ ঃ সৰ্বশ্ৰী ববলু নাথ, বিভাস সিন্‌হা, নৱদ্বীপ বড়ো, অসীম বৰ্মন, মিজৰুল লস্কৰ, জগত পাঠক।

অভ্যৰ্থনা বিভাগ

সভানেত্ৰী ঃ শ্ৰীমতী জুনু নেওগ
উপ-সভাপতি ঃ শ্ৰীযজ্ঞেশ্বৰ ৰাজখোৱা
সম্পাদকদ্বয় ঃ শ্ৰীভাইটি দত্ত, শ্ৰীদিনবন্ধু বৈশ্য
সহঃ সম্পাদীকা ঃ শ্ৰীমতী ৰীতা ডেকা, শ্ৰীমতী নমিতা ঠাকুৰীয়া মটক, ৰাণু গগৈ।

সদস্যবৃন্দ : সৰ্বশ্ৰী কনক বনিয়া বীনা দত্ত, নিলীমা ডেকা, উন্মনা মাধুৰী দত্ত, মিনু বৰুৱা, দীপিকা কলিতা, কল্পনা দাস, পীনা ডেকা।

আলোচনী বিভাগ

উপদেষ্টা : শ্ৰীযুত নিৰ্মল দত্ত
সভাপতি : শ্ৰীৰাজীৱ হাজৰিকা
সম্পাদক : শ্ৰীপলাশ বৰুৱা
সহঃ সম্পাদক : শ্ৰীমোহন টেৰণ
সদস্যবৃন্দ : সৰ্বশ্ৰী ৰাতুল দাস, সুৰেশ বৈশ্য, মানসী দাস, সুৱৰ্ণ হাজৰিকা।

ক্ৰীড় বিভাগ

সভাপতি : শ্ৰীমানস বৰুৱা
উপ-সভাপতি : শ্ৰীজ্যোতি প্ৰসাদ ডাউকা
সম্পাদক : শ্ৰীজীতেন বড়ো
সহঃ সম্পাদক : শ্ৰীচন্দন নাথ
সদস্যবৃন্দ : সৰ্বশ্ৰী জ্ঞানদ্বীপ গগৈ, ৰাজ বড়ো, ৰাজু বড়ো, পঙ্কজ কাঠকটীয়া, অমৰ নাথ, ডব্লিউ আনন্দ বড়ো, চিণ্টু দত্ত।

স্বাস্থ্যসেৱা বিভাগ

সভাপতি : ডাঃ অনিল কলিতা
উপ-সভাপতি : ডাঃ মাধুৰ্য্য গগৈ
সম্পাদীকা : শ্ৰীমতী প্ৰতিমা বৰা
সহঃ সম্পাদীকা : শ্ৰীমতী প্ৰিয়দা চেলেং
সদস্যবৃন্দ : সৰ্বশ্ৰী বিধান সিন্‌হা, মুনীন্দ্ৰ হাজৰিকা, জ্যোতিময় বৰুৱা।

মুখ্য পৃষ্ঠপোষক : শ্ৰীযুত দেৱজিৎ দাস, শ্ৰীযুত বিজু কুমাৰ জৈন, শ্ৰীযুত ভূপেন্দৰ সিং (কি. কি.), শ্ৰীযুত বিপ্লৱ দত্ত

পৃষ্ঠপোষক মণ্ডলী : শ্ৰীযুত নিৰ্মল দত্ত, শ্ৰীযুত প্ৰদীপ দত্ত, শ্ৰীযুত অনিল দাস, শ্ৰীযুত উত্তম কলিতা, শ্ৰযুত প্ৰদীপ বৰা, শ্ৰীযুত অজয় গুপ্তা, শ্ৰীযুত গণেশ শৰ্মা, শ্ৰীযুত অপূৰ্ব শৰ্মা, শ্ৰীযুত চাকিল চাদুল্লা, শ্ৰীযুত ৰাণা ডেকা, শ্ৰীযুত ৰিপুঞ্জয় চাংকাকতি, শ্ৰীযুত শঙ্কৰ জ্যোতি ডেকা, শ্ৰীযুত প্ৰবোধ কটকী, শ্ৰীযুত গোপাল বৈশ্য, শ্ৰীযুত ৰোহিণী পাঠক, শ্ৰীযুত গৌতম গগৈ, শ্ৰীযুত গৌৰৱ গগৈ, শ্ৰীযুত ৰঞ্জন গোস্বামী, শ্ৰীযুত আব্দুল কায়েম, শ্ৰীযুত ৰঙ্গনাথ তালুকদাৰ, শ্ৰীযুত আব্দুল ৰাহেদ, শ্ৰীযুত বাবুল পাঠক, শ্ৰীযুত অতিন দাস, শ্ৰীযুত অঞ্জন বুজৰবৰুৱা, শ্ৰীযুত প্ৰকাশ ম'ৰ, শ্ৰীযুত হৰেশ দত্ত,শ্ৰীমতী অমিয়া বৰগোহাঁই, শ্ৰীযুত অনুজ শইকীয়া, শ্ৰীযুত পৰাগ চুতীয়া

মুখ্য উপদেষ্টা : শ্ৰীযুত সুনীল বৰা, শ্ৰীযুত পৰেশ নেওগ, শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ, শ্ৰীযুত ফুলেশ্চ গগৈ

উপদেষ্টা মণ্ডলী : ড° মুহী বৰগোহাঁই, শ্ৰীযুত উমেশ শৰ্মা, শ্ৰীযুত কেশৱলাল দাস, শ্ৰীযুত দিনেশ বৰ্মন, শ্ৰীযুত ৰেৱতী মোহন হাজৰিকা, শ্ৰীযুত কমল কাকতি, শ্ৰীযুত হেম শইকীয়া, শ্ৰীযুত বিদ্যা গগৈ, শ্ৰীযুত হেমেন্দ্ৰ হীৰা, শ্ৰীযুত সোনেশ্বৰ দাস, শ্ৰীযুত গৌতম শৰ্মা, শ্ৰীযুত টঙ্কেশ্বৰ কাকতি, শ্ৰীযুত ঈশ্বৰ পসন্ন ফুকন, শ্ৰীযুত দিলীপ চক্ৰৱৰ্তী, শ্ৰীযুত বিপ্লব বৰা, শ্ৰীযুত ৰাজশোভন শইকীয়া, শ্ৰীযুত হৰেণ দাস, শ্ৰীযুত সুৰেণ দাস, শ্ৰীযুত কুশল পাঠক, শ্ৰীযুত পঙ্কজ কাকতি, ডাঃ দিলীপ কলিতা, শ্ৰীযুত বসন্ত পদ্দাৰ, শ্ৰীযুত হৰেণ বৰগোহাঁই, শ্ৰীযুত ৰত্নেশ্বৰ বৰুৱা, শ্ৰীযুত বিৰেন্দ্ৰ নাথ বৰা, শ্ৰীযুত কেশৱ ভূঞা, শ্ৰীযুত লক্ষী দাস, শ্ৰীযুত ভগৱান ডেকা, শ্ৰীযুত টিকেন চৌধুৰী, শ্ৰীযুত অৰণী ভট্টাচাৰ্য, শ্ৰীযুত ধণিৰাম কলিতা, শ্ৰীযুত চিন্ময় ফুকন, শ্ৰীযুত চিদানন্দ শইকীয়া, শ্ৰীযুত মনোজ শৰ্মা, শ্ৰীযুত প্ৰসন্ন মজুমদাৰ, শ্ৰীযুত এইচ, পি, কে, সিং, শ্ৰীযুত অমল শৰ্মা, শ্ৰীযুত সুশিল শৰ্মা, শ্ৰীযুত তপন ডেকা, শ্ৰীযুত কমল কৃষ্ণ হাজৰিকা, শ্ৰীযুত উপকুল বৰদলৈ, শ্ৰীযুত থানেশ্বৰ দত্ত, শ্ৰীযুত বি, চি, ক্ৰ, শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্মা, শ্ৰীমতী স্নেহময়ী বৰঠাকুৰ, শ্ৰীমতী দিব্য কাকতি, শ্ৰীমতী গায়ত্ৰী গগৈ, শ্ৰীমতী অঞ্জলী বৰুৱা, শ্ৰীমতী প্ৰণিতা ডেকা, শ্ৰীমতী মিনতী চৌধুৰী, শ্ৰীমতী ৰেণু শৰ্মা, শ্ৰীমতী মিনু বৰুৱা, শ্ৰীযুত মৃগাংশু ঠাকুৰীয়া, শ্ৰীমতী দুলালী বৰঠাকুৰ

বৃহত্তৰ ৰুক্মিণী নগৰ অষ্টবিংশতিতম্ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং ক'লনি, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

সদৌ অসম ভিত্তিত বিহুহুঁচৰি আৰু বিহুৱতী প্ৰতিযোগিতাৰ বঁটাসমূহ

১৫-৪-২০১১

১ ম পুৰস্কাৰ : স্বৰ্গীয় লীলাধৰ বৰগোঁহাই সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ১০,০০১/- টকা
দাত্ৰীঃ শ্ৰীমতী অমিয়া বৰগোঁহাই আৰু পৰিয়াল বৰ্গ

২ য় পুৰস্কাৰ : স্বৰ্গীয় বিতুল বৰুৱা সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৭,০০১/- টকা
দাত্ৰী : শ্ৰীমতী পাৰুল বৰুৱা আৰু পৰিয়ালবৰ্গ

৩ য় পুৰস্কাৰ : স্বৰ্গীয়া ৰেণুপ্ৰভা ফুকন সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৫,০০১/- টকা
দাতা : শ্ৰীসত্যজিৎ ফুকন (ৰাতুল)

সদৌ অসম ভিত্তিত বিহুৱতী প্ৰতিযোগিতা বঁটাসমূহ :

১ ম পুৰস্কাৰ : স্বৰ্গীয় মহেন্দ্ৰ বুঢ়াগোঁহাই আৰু স্বৰ্গীয়া দেৱলতা বুঢ়াগোঁহাই
সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৫,৫৫৫/- টকা
দাতা : শ্ৰীমৃদুল বুঢ়াগোঁহাই

২ য় পুৰস্কাৰ : স্বৰ্গীয়া জিন্টিমণি শইকীয়া সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৩,৩৩৩/- টকা
দাতা : শ্ৰীচিদানন্দ শইকীয়া

৩ য় পুৰস্কাৰ : স্বৰ্গীয় ফুলেশ্বৰী সোণোৱাল সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ২,২২২/- টকা
দাতা : শ্ৰীধৰ্মেশ্বৰ সোণোৱাল

শ্ৰেষ্ঠ বিহুৱা—স্বৰ্গীয় পূৰ্ণেশ্বৰ বড়া সোঁৱৰণী চলন্ত বঁটা লগতে নগদ ৩,০০১/- টকা। দাতা : শ্ৰীশিৱ প্ৰতিম বড়া

সদৌ অসম ভিত্তিত বিহুৰাণী প্ৰতিযোগিতাৰ বঁটাসমূহ :

১৬-৪-২০১১

১ ম পুৰস্কাৰ : (১) এটি চলন্ত মুকুট, লগতে
(২) স্বৰ্গীয়া শোভেশ্বৰী সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ১০,০০১/- টকা
লগতে এজোৰ মুগাৰ সাজ, এটা ভি.আই.পি বিউটি বক্স আৰু এটা ন'কিয়া ম'বাইল ফোন।
দাতা : শ্ৰীযুত দেৱজিৎ দাস আৰু পৰিয়ালবৰ্গ

সদৌ অসম ভিত্তিত জেংবিহু প্ৰতিযোগিতাৰ বঁটাসমূহ :

১ ম পুৰস্কাৰ : স্বৰ্গীয় ইন্দুমতী বৰা সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৩,০০১/- টকা
দাতা : শ্ৰীলক্ষ্মীনাৰায়ণ বৰা আৰু পৰিয়ালবৰ্গ

সদৌ অসম ভিত্তিত বিহুৰাণী প্ৰতিযোগিতাৰ ফলাফলসমূহ :

১ ম পুৰস্কাৰ : এটি চলন্ত মুকুট, লগতে
স্বৰ্গীয়া শোভেশ্বৰী সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ১০,০০১/- টকা
লগতে এজোৰ মুগাৰ সাজ, এটা ভি.আই.পি বিউটি বক্স আৰু এটা ন'কিয়া ম'বাইল ফোন।
দাতা : শ্ৰীযুত দেৱজিৎ দাস আৰু পৰিয়ালবৰ্গ

বিহুসমিতিৰ জ্যেষ্ঠসকলৰ একাংশ

বিহুসমিতিৰ উদিয়মান যুৱচামৰ একাংশ

ৰূপালীম মহিলা চ'ৰাৰ সদস্যাসকলৰ একাংশ


সামৰণি

With Best Compliments from.....

0361-2611849 (O)
97075-88626 (M)
99540-33129 (M)

M/S LUIT LODGE

LASTGATE, DISPUR, GUWAHATI - 781006

লুইত ল'জ

লাষ্টগেট, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

ONLY FOR LODGING
CUSTOMER SATISFACTION IS OUR MOTTO